REFERENCE
(NOT FOR ISSUE)

# Assam Legislative Assembly Debates

**OFFICAL REPORT**

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVERIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**NO. 17**

The 2nd April, 1992

Price Rs. 35.00

REFERENCE
NOT FOR ISSUE

## CONTENTS

# BUDGET SESSION

# NO- 17

Dated, the 2nd April, 1992


| | Page No. |
|---|---|
| 1. Questions and Answers | 1 – 63 |
| 2. Discussion During Zero Hour | 64 – 80 |
| 3. Point of order | 81 – 87 |
| 4. Adjournment Motion | 88 – 112 |
| 5. Adjournment | 113 |
| 6. Annexures- I, II, III, IV, V, VI | 114 – 144 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 2nd April 1992

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now Starred Question No. 299. Hon'ble Member Smti. Renupoma Rajkhowa, Hon'ble Minister, Irrigation is to reply.

### বিষয় ঃ গভীৰ নলী-নাদ

শ্ৰীৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

★ ২৯৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগে ৰূপায়ণ কৰা গভীৰ নলী-নাদ আঁচনি একোখন আৰম্ভৰ পৰা সম্পূৰ্ণ কৰি খেতিত পানী যোগান ধৰালৈকে কিমান বছৰ সময় লাগে?

(খ) আঁচনি আৰম্ভ কৰাৰ ৫ বছৰৰ পিছতো অসম্পূৰ্ণ হৈ থকা আঁচনিসমূহ সম্পূৰ্ণ কৰি খেতিত পানী যোগান ধৰাৰ ব্যৱস্থা সোনকালে কৰিবনে?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) সাধাৰণতে দুবছৰৰ ভিতৰতে ৰূপায়ণ কৰিব পৰা যায়।

(খ) ধনৰ আবন্টন সাপেক্ষে আৰু বিদ্যুৎ যোগান সুনিশ্চিত হলেহে অসম্পূৰ্ণ আঁচনি বিলাক সোনকালেই কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা ৰিটিন প্ৰশ্ন কৰিছিলো প্ৰশ্নটো আছিল এনেধৰণৰ "অসমৰ খেতি পথাৰত যিহেতু উৎপাদন কমি গৈছে গতিকে ৰাজস্থানৰ আৰ্হিত অসম চৰকাৰেও আঁচনি গ্ৰহণ কৰিব নে? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে এনে ধৰণৰ আঁচনি চৰকাৰে হাতত লোৱা নাই। মই এতিয়া প্ৰশ্ন কৰিব বিচাৰিছো তেনে পৰিকল্পনাৰে চৰকাৰে আঁচনি গ্ৰহণ কৰিব নে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় পৰীক্ষা কৰি চোৱা হ'ব।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ বুঢ়িদিহিং উত্তোলন আঁচনিটো আজিও সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণ কি?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টকা নোহোৱা কাৰণে সম্পূৰ্ণ কৰিব পৰা নাই।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ ১৯৮১-৮২ চনতে এই আঁচনি আৰম্ভ কৰা হৈছিল এতিয়াও সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তথ্য মোৰ হাতত নাই। বেলেগ প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰিম।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, মই লিখিত প্ৰশ্ন দিছিলো উত্তৰটো পোৱা হ'লে ভাল আছিল।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সদনক মই জনায় দিম।

ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ (খ) অংশৰ লগত সংগতি ৰাখি মই এটা প্ৰশ্ন সুধিব বিচাৰিছো অসমত কিমান গভীৰ নলী-নাদ আঁচনি ৫ বছৰতকৈও বেছি সম্পূৰ্ণ নোহোৱাকৈ পৰি আছে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, গোটেই অসমত প্ৰায় ৬০০ টা নলী-নাদ আঁচনি অসম্পূৰ্ণ হৈ আছে। ৫ বছৰত কৰিব (সম্পূৰ্ণ) নোৱাৰা সংখ্যাটো হ'ল ২৫৭ টা।

শ্ৰীফণি ভূষণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কিছুমান গভীৰ নলী-নাদ আঁচনি জলসিঞ্চন বিভাগে সম্পূৰ্ণ কৰিছে কিন্তু বিদ্যুৎ বিভাগে বিজুলি যোগান নধৰা বাবে পানী যোগান আঁচনি সম্পূৰ্ণ নোহোৱা কথা সঁচা নে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এনেকুৱা বহুত নলী-নাদ আছে। আমি এতিয়া এ, এচ, ই, বিৰ লগত আলোচনা কৰিছো সোনকালেই ব্যৱস্থা লোৱা হ'ব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৬০০ ৰো বেছি নলী-নাদ অসম্পূৰ্ণ হৈ আছে। এই নলী-নাদ সমূহ কেইবছৰত সম্পূৰ্ণ কৰিব, নিৰ্দ্ধাৰিত সময় দিলে ভাল হয়।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নিৰ্দ্ধাৰিত সময় দিয়া সম্ভৱপৰ নহয় কাৰণ এলোকেচনৰ কথা আছে বহুত কাৰণ আছে কিছুমান একেবাৰে অকামিলা হৈ আছে। এনলাৰাইজেচনৰ প্ৰশ্ন আছে কিন্তু যিমান পৰা যায় সোনকালে কৰা হ'ব।

Mr. Speaker : Now Starred question No. 300. Hon'ble Member Shri Badan Baruah, Hon'ble Minister, Irrigation is to reply.

## বিষয় ঃ পানী উত্তোলনৰ ব্যৱস্থা

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

★ ৩০০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ হাজো উন্নয়ণ খণ্ডৰ অন্তৰ্গত পশ্চিমবংশৰ মৌজাত বিদ্যুৎৰ সহায়ত পানী উত্তোলন কৰিবলৈ লোৱা নলী-নাদবোৰৰ কিমানটা এতিয়াও কাৰ্য্যক্ষম হোৱা নাই আৰু কেতিয়াৰ পৰা হোৱা নাই।

(খ) উক্ত উন্নয়ণ খণ্ডৰ ভিতৰত কাৰ্য্যক্ষম নোহোৱা নলী-নাদ কেইটাৰ ৰক্ষণা বেক্ষনৰ বাবে কি কাৰ্য্য ব্যৱস্থা লৈ থকা হৈছে আৰু তেনে কাৰ্য্যক্ষম হৈ থকা নলী-নাদৰ প্ৰত্যেকতে স্থাপন কৰা দিনৰ পৰা যোৱা ৩১ ডিচেম্বৰ ১৯৯১ চনলৈ কিমান খৰছ চৰকাৰে বহন কৰিছে ?

শ্ৰীজেহিৰুল ইছলাম, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ৫টা, ১৯৭৬ চনৰ পৰা কাৰ্য্যক্ষম হৈ থকা নাই।

(খ) কাৰ্য্যক্ষম হৈ নথকা আঁচনিবোৰ বৰ্তমানে ৰক্ষনা বেক্ষনৰ কাৰণে কোনো ব্যৱস্থা লোৱা হোৱা নাই আৰু কাৰ্য্যক্ষম হৈ থকা আঁচনিবোৰত ৩৭.৫৮ লাখ টকা স্থাপন কৰা দিনৰ পৰা খৰছ হৈছে।

শ্ৰীবদন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো সম্পৰ্কত মই জলসিঞ্চন মন্ত্ৰীতকৈও বেছিকৈ জানো, তেখেতে কৈছে যে ৰক্ষণাবেক্ষণৰ কাৰণে টকা খৰছ হোৱা নাই।

মই জানো ১৯৯০ চনৰ পৰা এনেয়ে বহি আছে কিন্তু পাৱাৰ ট্ৰেঞ্চফৰমা ইত্যাদি কাৰ্য্যক্ষম হোৱা নাই। কিন্তু চকিদাৰ ৰখা হৈছে, প্ৰতিমাহত তিনি হাজাৰ টকা খৰছ কৰি আছে। আচলতে বিদ্যুত পোৱা নাই কাৰণে কাৰ্য্যক্ষম হোৱা নাই এই কথাহে সঁচা ৫টা যে কাৰ্য্যক্ষম হৈ থকা নাই এই ৫ টাত জলসিঞ্চন বিভাগে টকা ধৰিছে নে?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰক্ষণাবেক্ষণৰ কাৰণে কোনো ব্যৱস্থা চৰকাৰে বৰ্তমানে লোৱা নাই, আগতে চকিদাৰ ৰখা হৈছিল সঁচা কথা। বিদ্যুত যোগান নোহোৱাটোও এটা কাৰণ সঁচা।

শ্ৰীবদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই পিংক পইন্ট কৈ এটা কথা ক'ব বিচাৰিছো ১১/৪/৯১ তাৰিখে ২ লাখ টকা দিছে। চেক নং ৪৪৬০২৫, ২৭/৩/৯২ তাৰিখে ২৩৫০০ টকা দিয়া হৈছে। কিন্তু তথাপিও কাম হোৱা নাই। মই জানিব বিচাৰিছো বিদ্যুত বিভাগত জলসিঞ্চন বিভাগে কিবা টকা দিছে নে নাই? (এতিয়া আমি জোৰ দি ক'ব নোৱাৰো বয়স হৈছে, ৩৫ প্লাচ খাইছো। আমাৰ জয়নাথ শৰ্মা আৰু চন্দ্ৰ পাটোৱাৰী ডেকা মানুহ তেওঁলোকৰ হাৰ্টও ষ্টং। হৰ্চৰ নিচিনা যায়) (মাননীয় সদস্যই ৩৫ প্লাচ টো দেখুৱাই দিয়ে)।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৩০ প্লাচ বুঢ়া মানুহে চেক্সৰ কাৰণে খায়।

(সদনত হৰ্ষধ্বনী)

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ৩০ প্লাচ পৰীক্ষা কৰি চাইছে নেকি?

(পুনৰ হৰ্ষধ্বনি) (অধ্যক্ষই মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ নিৰ্দেশ দিয়ে।)

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ লগত একমত। বিদ্যুতৰ কাৰণে টকা জমাও দিয়া হৈছে। আমি বিদ্যুৎ বোৰ্ডৰ লগত আলোচনাও কৰি আছো সোনকালে যোগান ধৰাৰ চেষ্টা কৰি আছো।

Mr. Speaker : Now Starred Question No. 301. Hon'ble Member Shri Chandra Mohan Patowary. Hon'ble Minister, Fisheries is to reply.

**বিষয় ঃ মাছ উৎপাদন।**

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে সুধিছে ঃ

★ ৩০১। মাননীয় মীন বিভাগ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান পৰিমানৰ মাছ উৎপাদন হয়।

(খ) এই উৎপাদনে অসমৰ ৰাইজৰ চাহিদা পূৰণ কৰেনে ?

(গ) যদি নকৰে তেনেহ'লে কোন কোন ৰাজ্যৰ পৰা মাছ উৎপাদনৰ বাবে চৰকাৰে বৰ্তমান কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) মাছ উৎপাদনৰ বাবে অতীতৰ পৰা চলি অহা প্ৰশিক্ষণ আধুনিকীকৰণ সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীচিলভিউছ কন্দপান, (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

(ক) ১৩০,০০০ টন।

(খ) নকৰে।

(গ) জৰিপ কৰা কোনো তথ্য পাতি নাই, কিন্তু অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ আদি ৰাজ্যৰ পৰা অহা বুলি জনা যায়।

(ঘ) পুখুৰী উন্নয়ণ, মাছ পালন, বিল মীন মহল উন্নয়ণ আদি।

(ঙ) প্ৰশিক্ষণ আধুনিকীকৰণৰ বাবে বেৰেকপুৰ, কাকিনাদা, চিনহাটত এবছৰীয়া আৰু বোম্বাইত দুবছৰীয়া প্ৰশিক্ষণ লবলৈ মীন সম্প্ৰসাৰণ বিষয়া সকলক ডেপুটেচনত পঠোৱা হয়। সদ্যহাতে চৰকাৰৰ আৰ্থিক অনাটনৰ বাবে এই সুবিধা বন্ধ কৰাত প্ৰশিক্ষণ আধুনিকী কৰাত অসুবিধা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা চাপলিমেনটেৰী আছে। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নত্তৰ ঠিকেই দিছে। তেখেতে প্ৰশ্নোত্তৰ কালৰ উত্তৰত ১৩০,০০০ টন মাছৰ উৎপাদন হয় বুলি কৈছে। আৰু সেইখিনিৰে চাহিদা পূৰণ নহয় বুলি কৈছে। আজি আমি গুৱাহাটী বজাৰলৈ মাছ কিনিবলৈ গলে দেখো অৱশ্যে আপুনি যাব নোৱাৰে চাৰ স্পীকাৰ হোৱাৰ পিছত আপোনাৰ এটা প্ৰটোকলৰ কথা আহি পৰিছে। বজাৰত চালানি মাছৰ দাম হ'ল ৰৌ মাছৰ ৩০ টকাৰ পৰা ৪০ টকা লোকেল মাছ ৮০ টকাৰ পৰা ১২০ টকা। লোকেল মাছে অসমৰ ৰাইজৰ চাহিদা পূৰণ কৰিব পৰা নাই। গতিকে নতুন অসমৰ বিষয়া সকলক আধুনিকীকৰণৰ বাবে বাহিৰলৈ ট্ৰেইনিংৰ বাবে পঠোৱা কথা কৈছে আৰু বৰ্ত্তমান আৰ্থিক অনাটনৰ

★ Speech not corrected

বাবে প্ৰশিক্ষণ আধুনিকীকৰণ কৰাত অসুবিধা হৈছে বুলি কৈছে। আচল কথা সেইটো নহয়। এই প্ৰশিক্ষণৰ বাবে অসমৰ বাহিৰলৈ বিষয়া পঠিওৱাত ফাইনেঞ্চ বিভাগে বাধা আৰোপ কৰে। যাৰ ফলত লোক কোনো বিষয়া প্ৰশিক্ষণৰ বাবে বিভাগীয় বিষয়াক অসমৰ বাহিৰলৈ পঠিওৱা ব্যৱস্থা কৰিবনে? কিয়নো এই প্ৰশ্নটোৰ লগত গোটেই ৰাইজৰ স্বাৰ্থৰ জৰিত আছে। আৰ্থিক অনাটনৰ বাবে প্ৰশিক্ষণৰ অসুবিধা বুলি কলে নহব। সেই কাৰণে মই স্পষ্টকৈ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ট্ৰেইনিংৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে ? এইটো মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে যে 'ইয়েচ' অৰ 'নৌ' আধুনিকীকৰণৰ ব্যৱস্থা কৰিম। মোক স্পষ্ট উত্তৰ লাগে।

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাকক জনাবলৈ পাই আমি সুখী হৈছো যে অহা বিত্তীয় বছৰৰ পৰাই বিষয়া সকলক আধুনিকীকৰণৰ ট্ৰেইনিং দিবলৈ সমৰ্থ হৈছো আৰু বিবেচনা কৰি থকা হৈছে, আৰু পঠিয়াম।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ফাইনেন্স বিভাগে আপত্তি কৰে তেখেত সকল পঠিযাম বুলি কলেও পঠিয়াব নোৱাৰে। আমাৰ ফিচাৰী বিভাগৰ যিসকল কৰ্মচাৰী আছে তেওঁলোক ওৱেল ট্ৰেইনাৰ নহয়। ফলত আজি মাছৰ উৎপদান যিদৰে হ'ব লাগে সেইদৰে হোৱা নাই। গতিকে তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে?

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী মীন বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছোৱেই যে ফাইনেন্স বিভাগৰ লগত আমি যোগাযোগ কৰি আৰু ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীক অৱগত কৰিছো। আমি তেওঁলোকক প্ৰশিক্ষণৰ বাবে পঠিয়াম।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম দফাত প্ৰশ্ন কৰা হৈছে কিমান পৰিমাণৰ মাছ উৎপাদন হয়। মোৰ কথা হ'ল এই মাছৰ পোনা উৎপাদন কেন্দ্ৰ কিমান আছে? আৰু সেই কেন্দ্ৰ বিলাকে বৰ্ত্তমান চাহিদা পূৰণ কৰিছেনে?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পোনা পালনৰ ক্ষেত্ৰত আমাৰ বিভাগ যথেষ্ট অগ্ৰসৰ হৈছে। আৰু অসমৰ বিভিন্ন ঠাইত পোনা উৎপাদনৰ বাবে

★ Speech not corrected

কিমান কেন্দ্ৰ আছে বৰ্ত্তমান তথ্য মোৰ হাতত নাই। পিছত মই মাননীয় সদস্য জনক জনাম। ফিচাৰী বিভাগৰ পোনা উৎপাদনৰ কাৰণে আৰু ফিচ ফাৰমাৰক সহায় কৰাৰ কাৰণে যথেষ্ট চেন্টাৰ আছে।

★ শ্ৰীআলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, মাছ পোহা আৰু মাছৰ ব্যৱসায় কৰা ক্ষেত্ৰত বিশেষকৈ নামনি অসমত এটা কথা দেখা গৈছে যে অসমৰ বিলত যথেষ্ট সংখ্যক মাছ পোহা আৰু পোনা উৎপাদনৰ সুবিধা থকা স্বত্বেও পশ্চিমবঙ্গৰ পৰা কিছুমান মাছ বেপাৰীয়ে নামনি অসমৰ অঞ্চল সমূহত মাছৰ পোনা বিক্ৰি কৰি অসমৰ পোনা উৎপাদনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা কথাটো চৰকাৰে জানে নে? উদাহৰণ স্বৰূপে নামনি অসমৰ বোৰাৰী বিল নামৰ বিলটোৰ পৰা যথেষ্ট সংখ্যক মাছৰ পোনা উৎপাদন হৈছিল আৰু এই বিলটোৰ মাছৰ এটা সময়ত বৰ নাম আছিল। তেনে ক্ষেত্ৰতো বাহিৰৰ বেপাৰীয়ে মাছ কিম্বা মাছৰ পোনা আনি অসমত বেপাৰ কৰি আছে আৰু আমাৰ যিবোৰ খাল বিলত মাছ উৎপাদন কৰা সম্ভাৱনীয়তা আছিল সেইবোৰ দিনক দিনে নাইকীয়া হৈ যাব ধৰিছে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

★ শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি মাছৰ পোনা আমদানী হোৱা বুলি অভিযোগ কৰিছে সেইটো আমাৰ মানুহৰ কাৰণেই হৈছে। আমি যোৱা কেইবছৰমান ধৰি মাছৰ পোনা উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হ'ব পাৰিছো আৰু মানুহৰ চাহিদা অনুসৰি মাছৰ পোনা যোগান ধৰি আছো। গতিকে মই ভাবো যদিহে আমি চাহিদা অনুসৰি উন্নত মানৰ মাছৰ পোনা যোগান ধৰিব তেনেহ'লে মানুহে নিশ্চয় বাহিৰৰ পৰা মাছৰ পোনা কিনাতো বাদ দিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, ভেকুলীও হেনো বৰ ভাল খাদ্য আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত বজাৰত ইয়াৰ বৰ চাহিদা। গতিকে মাছ উৎপাদনৰ লগে লগে ভেকুলী পোহাৰো কিবা ব্যৱস্থা চৰকাৰে হাতত লব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ মানুহে এতিয়ালৈকে ভেকুলী খোৱা গম পোৱা নাই। যদি অসমৰ ৰাইজে ভেকুলী খোৱা অভ্যাস কৰে তেনেহ'লে বিভাগীয় ভাবে ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰিম।

---

★ Speech not corrected

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, আমি এটা কথা দেখা পাইছো যে প্ৰতি বছৰে শ শ মানুহে গাৰে ভূয়ে ভেকুলী বিচাৰি ফুৰে। তেওঁলোকে এইবোৰ ধৰি নি কলিকতা বন্দৰেৰে বিদেশলৈ ৰপ্তানী কৰে। সেই কাৰণে আমি যদি অসমত ভেকুলীৰ ব্যাপক উৎপাদনৰ ব্যৱস্থা হাতত লৈ ইয়াৰ ব্যৱসায় আৰম্ভ কৰো তেনেহ'লে অসমৰ মানুহে ভেকুলী নাখালেও বিদেশী মুদ্ৰা অৰ্জন কৰাত সুবিধা হ'ব। এই বিষয়ত কিবা ব্যৱস্থা হাতত ল'ব নে?

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উৎথাপন কৰিছে— (সদনত হাঁহি)।

★ শ্ৰীবদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে অসমৰ নৈ, বিলৰ পৰা ১২ মাহে মাছ ধৰি এচাম ব্যৱসায়ীয়ে মাছৰ বেপাৰ কৰি থাকে। কিন্তু চ'ত আৰু বহাগ মাহত আমাৰ ইয়াত মাছৰ কণী হয় আৰু এই সময়ছোৱাতে মাছে কণী পাৰে। কিন্তু এই সময়ছোৱাত মাছ ধৰাতো বন্ধ কৰি দিলে মাছৰ উৎপাদন যথেষ্ট বৃদ্ধি হ'লহেঁতেন। বৃটিছৰ দিনত সেই মাহ কেইটাত মাছ নধৰাৰ বাবে ব্যৱস্থা আছিল। গতিকে আমাৰ ইয়াত যদি তেনে আইন নাই তেনেহ'লে এখন আইন কৰি সেই তিনিমাহ মাছ ধৰাটো বন্ধ ক্ৰৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে?

★ শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অসমত কেইটামান মাহ মাছ ধৰাতো বন্ধ কৰাৰ বাবে এখন আইন আছে আৰু সেই মতে আমাৰ বিভাগে কাম কৰে। কিন্তু তেনে এখন আইন থকা স্বত্বেও মানুহে চুৰিকৈ হলেও মাছ মাৰে। আমাৰ মানুহে সেইবোৰ নীতি নিয়ম একো নামানে। সেইটো বন্ধ কৰিবৰ কাৰণে আমি বিভাগীয় ভাবে যথেষ্ট চেষ্টা কৰি আছো।

★ শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে এটা কথাৰ অভিযোগ আহিছে আৰু 'সন্ধিয়া' নামৰ বাতৰি কাকত খনতো প্ৰকাশ পাইছে যে ফিচফেডে দুখীয়া মানুহক উপকৃত নকৰি ডাঙৰ ডাঙৰ ব্যৱসায়ীক সহায় কৰা উদ্দেশ্যে বাহিৰৰ পৰা মাছ আনি অসমৰ বজাৰত বিশেষকৈ গুৱাহাটীৰ বজাৰত বিক্ৰী কৰি লাভবান হৈ আছে। এতিয়া ফিচফেডটো সমবায় বিভাগৰ অধীনত। কিন্তু কৃষি বিভাগৰ লগত সম্পৰ্ক থকাৰ কাৰণে অসম ক্ষুদ্ৰ জলসিঞ্চন নিগমটো কৃষি বিভাগৰ অধীনলৈ নিয়াৰ দৰে যিহেতু ফিচফেডৰো মীন বিভাগৰ লগতহে সম্পৰ্ক আছে সেই কাৰণে ফিচফেডটো মীন বিভাগৰ অধীনলৈ অনাৰ ব্যৱস্থা হাতত লব নে?

---

★ Speech not corrected

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অলপতে ৰাজ্যিক ভিত্তিত এখন চেমিনাৰ হৈছিল আৰু ইয়াত এই কথাবোৰ পুংখানুপুংখৰূপে আলোচনা কৰা হৈছিল। Fish-Fed should be placed under the disposal of the Fishery Department. অধ্যক্ষ মহোদয়, ফিচফেডটো বৰ্ত্তমান সমবায় বিভাগৰ অধীনত আছে আৰু এই ক্ষেত্ৰত তেওঁলোকে স্বাধীন চিতিয়া ভাবে ব্যৱস্থা হাতত লয়। বৰ্ত্তমান তেওঁলোকে কেনে ধৰণে কাম কৰি আছে সেইটো আমাৰ বিভাগৰ ফালৰ পৰা কোৱা টান হ'ব।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে ফিচফেডে চালানী মাছ বিক্ৰী কৰা কথাটো হয় নে নহয়। ফিচফেডৰ জৰিয়তে যিবোৰ চালানী মাছ আহে সেইবোৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীয়ে কিনি লৈ বজাৰত বিক্ৰী কৰি আছে আৰু তেনেকৈ সৰু সৰু বেপাৰী সকলৰ বেপাৰত হস্তক্ষেপ কৰিছে। এইটো মাছৰ উৎপাদন আৰু ব্যৱসায়ৰ লগত জৰিত আছে। গতিকে আপুনি মীন মন্ত্ৰী হিচাবে আপুনি যদি কোনোবা ফালৰ পৰা কিবা অসুবিধা পায় সেই ক্ষেত্ৰত ব্যৱস্থা হাতত নলব নেকি ?

Shri Silvius Condpan (Minister) : Sir, I very much agree with my honourable friend, but I would like to say that Fishfed is under disposal of the Co-operation Deptt. on which we have no control, but we shall see to what extent our Deptt. can come into the picture.

Mr. Speaker : Now Starred question No. 302 Hon'ble Member Shri Sasha Kamal Handique. Hon'ble Minister, Revenue is to reply.

## বিষয় ঃ বাগানৰ মাটিৰ লিজৰ ম্যাদ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

★ ৩০২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ বাগান সমূহৰ কিমান খন বাগানৰ মাটিৰ লিজৰ (Lease) ম্যাদ শেষ হৈ গৈছে ঃ

(খ) এই বাগান সমূহৰ কিমানখন বাগানে এই লিজৰ (Lease) নবীকৰণ কৰিছে।

(গ) লিজত লোৱা মাটি বিক্ৰী বা হস্তান্তৰ কৰাটো বেআইনী হয়নে?

(ঘ) এই মাটি সমূহৰ পৰা কি হাৰত খাজনা আদায় কৰা হয়?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে,

(ক) শিলচৰ, হাইলাকান্দি, বঙাইগাওঁ জিলা আৰু বিলাসীপাৰা মহকুমাত থকা বাগান সমূহৰ লিজৰ ম্যাদ শেষ হৈছে বুলি উপায়ুক্ত সকলৰ পৰা জনা গৈছে। বাকী জিলা কেইখনত থকা বাগান সমূহৰ লিজৰ ম্যাদ শেষ হোৱা নাই।

(খ) মুঠ ২২০ খন বাগানৰ লিজৰ নবীকৰণৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(গ) চৰকাৰৰ অনুমতি অবিহনে লিজত লোৱা মাটি বিক্ৰী বা হস্তান্তৰ কৰাটো বেআইনী বুলি ধৰা হয়।

(ঘ) খাজনা আদায় কৰা হয়— যেনে—

ডিব্ৰুগড়, তিনিচুকীয়া আৰু লক্ষীমপুৰ জিলাত ৩ টকা হাৰত, শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু নগাওঁ জিলাত ২ টকা, দৰং আৰু শোণিতপুৰ জিলাত ৪ টকা হাৰত। শিলচৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ১.২৫ টকা হাৰত, কামৰূপ জিলাত ১.৬৫ টকা হাৰত আৰু অবিভক্ত গোৱালপাৰা জিলাত প্ৰায় ১ টকা হাৰত খাজনা আদায় কৰা হয়।

শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাটিৰ যি লিজত দিয়া হৈছে তেওঁলোকক কি কি চৰ্ত্ত আৰোপ কৰা হৈছে? মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চৰ্ত্ত হৈছে তেওঁলোকৰ বাগান সমূহত চাহ গছ ৰোপন কৰিবলৈ দিয়া মাটিখিনি হস্তান্তৰ বা বিক্ৰী কৰিব নোৱাৰে।

শ্ৰীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিলো যে লিজত দিয়া মাটি হস্তান্তৰ বা বিক্ৰী কৰিব নোৱাৰে। কিন্তু তেওঁলোকে বিক্ৰী বা হস্তান্তৰ কৰি আছে। এইটো আজিলৈকে বন্ধ কৰা হোৱা নাই। মই এই বিষয়ে আগতে প্ৰশ্ন দিছোৱেই। অসম জালান টি কোম্পানীৰ বহুত মাটি বিক্ৰী কৰিছে। সেই মাটি চিউ ভজন টি কোম্পানী, জেমচ কেনাৰী টি কোম্পানীৰ আছিল। এতিয়া টাটা কোম্পানীয়ে লৈছে। এনেদৰে মাটি বিক্ৰী কৰি আছে। বাগানৰ যিবিলাক মাটি

ইতিমধ্যে অন্যক হস্তান্তৰ বা বিক্ৰী কৰিছে এই ক্ষেত্ৰত কি ব্যৱস্থা লব মন্ত্ৰী মহোদয়ে জনাবনে নে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বাগান সমূহৰ মাটি যাতে তেওঁলোকে বিক্ৰী কৰিব নোৱাৰে বা হস্তান্তৰ কৰিব নোৱাৰে সেই ব্যৱস্থা আমি চৰকাৰ গঠন কৰাৰ লগে লগে কৰিছো। জিলাৰ উপায়ুক্ত, চাব ডিভিজনেল অফিচাৰ সকলক লৈ ৩১ জুলাই তাৰিখে সকলোকে নিৰ্দ্দেশ দিয়া হৈছে। বাগানক যি কাৰণত মাটি দিয়া হৈছে সেই মাটি যাতে হস্তান্তৰ বা বিক্ৰী কৰা নহয়। মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা উল্লেখ কৰিলে এই বিষয়ত মই অৱগত নহয়, তেখেতে এইবিলাক মোক জনালে নিশ্চয় ব্যৱস্থা লোৱা হ'ব।

শ্ৰীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ব্যৱস্থা লম বুলি কোৱাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো যিবিলাক বাগানৰ মাটি ইতিমধ্যে বিক্ৰী কৰা হৈছে, ভৱিষ্যতে যাতে বিক্ৰী নহয় সেই কথা কৈছে। যিবিলাকে বিক্ৰী কৰিছে তেওঁলোকৰ শাস্তিৰ বিধান হব নে নহয়? খাজানাৰ ক্ষেত্ৰত দেখা গৈছে যে দৰং জিলাত চাৰি টকা আৰু গোৱালপাৰা জিলাত এটকা কৰা হৈছে। এই ভিন্নতা কিয় হৈছে? এই বাগান বিলাকৰ একে হাৰত খাজনা আদায় কৰিব পৰা নেযায় নেকি? এই ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰা নাই নেকি?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে একেলগে কেবাটাও প্ৰশ্ন কৰিছে। যিবিলাক বাগানৰ মাটি ইতিমধ্যে বিক্ৰী বা হস্তান্তৰ কৰিছে মাননীয় সদস্য গৰাকীয়ে যি কেইখন বাগানৰ কথা কৈছে সেইটো কেনেকৈ হল আৰু বিষয়াৰ হেনাহিৰ কাৰণে হৈছে নে কি কাৰণত হৈছে তাৰ তদন্ত কৰি ব্যৱস্থা লবলৈ চেষ্টা কৰিম। খাজনাৰ হাৰ নিৰিখৰ ক্ষেত্ৰত মাটিৰ উৰ্বৰতাৰ প্ৰতি লক্ষ্য ৰাখি কৰা হৈছে। দৰং, শোণিতপুৰ আদি ঠাইত মাটিৰ উৰ্বৰতা বেছি। সেই কাৰণে চাহ খেতিৰ বাবে মাটিৰ খাজনাৰ নিৰিখ বেছি হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, মাটি লিজৰ এটা চৰ্ত্তৰ কথা কৈছে যে বাগানৰ মাটি হস্তান্তৰ কৰিব নোৱাৰি। কিন্তু এইটো চৰ্ত্ত আছে নেকি যে বহুত বছৰৰ আগতে খাজনাৰ নিৰিখ ধাৰ্য্য কৰা হৈছিল সেইটো বিক্ৰী কৰিব নোৱাৰি। এনেকুৱা চৰ্ত্ত আছে নেকি যদি বাগানৰ মালিকে বাগান হস্তান্তৰ কৰিব খোজে তেনেহ'লে চৰকাৰৰ

আগতীয়াকৈ অনুমোদন লব লাগিব। এনে চৰ্ত্ত আছে নেকি মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বাগান বিক্ৰী কৰাৰ ক্ষেত্ৰত এটা চৰ্ত্ত আছে। তেওঁলোকে বিক্ৰী কৰিব লগা হলে বা হস্তান্তৰ কৰিব লগা হলে চৰকাৰৰ পাৰ্মিট লব লাগিব। এই বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব। মই ভাবো যে এইটো হ'ব নোৱাৰে, খাজনাৰ নিৰিখ বঢ়াব নোৱাৰে বুলি তেনেকুৱা চৰ্ত্ত আৰোপ কৰা উচিত নহয়।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, মাটিৰ লিজৰ চৰ্ত্তবোৰ কিমান বছৰৰ আগতে ঠিক কৰা হৈছিল? বৃটিছ আমোলাত নে বৰ্ত্তমান চৰকাৰৰ আমোলত নে কেতিয়া? একশ বছৰ আগতে তেনেকুৱা অসম চৰকাৰে কৰিছে তেতিয়া চৰ্ত্ত ধৰা হৈছিল সেই চৰ্ত্তবোৰ চলি আছে নেকি?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, লিজ দিয়াৰ ব্যৱস্থা আগৰ পৰাই চলি আহিছে। এই ব্যৱস্থা আজি ৫০/১০০ বছৰ ধৰি চলি আছে। আগৰ চৰ্ত্ত আজি দৰ্কাৰ হৈ পৰে সেই কাৰণে ৰখা হৈছে। এইটো সময়ে সময়ে ৩০/৪০ বছৰত ৰিভিউ কৰা হয়।

শ্ৰীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, মাটিৰ উৰ্বৰতাৰ ফলত খাজনাৰ নিৰিখ নিৰ্দ্ধাৰিত হৈছে। গোৱালপাৰা, কাছাৰৰ মাটি প্ৰায় সমান আনহাতে শিৱসাগৰ, দৰং, ডিব্ৰুগড়ৰ মাটি সমান। এইটো টেক্‌নিকেল কথা। খাজনা বঢ়োৱাৰ ক্ষেত্ৰত কি অসুবিধা আছে? এই বিষয় চিন্তা কৰিব নে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় বাগান সমূহত খাজনা বৃদ্ধি কৰিবৰ কাৰণে আসাম লেণ্ড ৰেভিনিউ ৰিকিউজিশ্বন এক্ট কৰি দিম। সেই মতে খাজনা বঢ়োৱাৰ ব্যৱস্থা লোৱা হৈছে। বাগানৰ ক্ষেত্ৰত নিৰিখ বঢ়োৱাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, লেণ্ড ৰেভিনিউ ৰিকুইজিচন কৰিছে যদিও যিবিলাক লিখা টাৰ্মচ এণ্ড কনডিশ্বন দিয়া নাই আৰু এই চৰ্ত্ত কৰা নাই তেনেহ'লে লেণ্ড ৰেভিনিউ ৰিকিউজিশ্বন সংস্থা কৰিও কোনো লাভ নহব।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো নিশ্চয় পৰীক্ষা কৰি চোৱা হব।

Mr. Speaker : Now starred question No. 303 Hon'ble Member Shri Holi Ram Terang is absent. So, Starred question No. 304 Hon'ble Member Shri Alauddin Sarkar. Hon'ble Minister, Food & Civil Supply is to reply.

## বিষয় ঃ তেলৰ ডিপো।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

★ ৩০৪। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাত মুঠ কিমান কেৰাচিন তেলৰ ডিপো আছে?

(খ) উক্ত ডিপো বোৰত মাহে কি হাৰত কেৰাচিন তেলৰ যোগান ধৰা হয়?

(গ) গাওঁ অঞ্চললৈ উক্ত ডিপো বোৰৰ পৰা কেৰাচিন সৰবৰাহ কি দৰে কৰা হয়?

(ঘ) উক্ত জিলাত কেৰাচিন তেলৰ অধিক 'ডিপো' খোলাৰ আঁচনি চৰকাৰৰ হাতত আছে নে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ধুবুৰী জিলাত মুঠ ১০ (দহ) টা কেৰাচিন তেলৰ ডিপো আছে।

(খ) উক্ত ডিপো বোৰত প্ৰতিটো ডিপোৱে সামৰি লোৱা জনসংখ্যা ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা আৱন্টন সাপেক্ষে গড়ে ১০০ লিটাৰৰ পৰা ১৮০ লিটাৰকৈ মাহিলি আৱন্টন দিয়া হয়।

(গ) গাওঁ অঞ্চললৈ উক্ত ডিপোবোৰৰ পৰা গাওঁ পঞ্চায়ত সমবায় সমিতিৰ জৰিয়তে কেৰাচিন তেলৰ সৰবৰাহ কৰা হয়।

(ঘ) উক্ত জিলাত কেৰাচিন তেলৰ অধিক ডিপো খোলাৰ আঁচনি চৰকাৰৰ হাতত নাই।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ধুবুৰী জিলাত যি ১০ টা কেৰাচিন তেলৰ ডিপো আছে, কোনটো কাৰ তলত আছে জনাব নেকি?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত ভাৰতীয় তেল নিগম (এম. ডি)ৰ ১ নং মেচাৰ্চ ধুবুৰী কেৰাচিন এজেঞ্চী ধুবুৰীৰ, ২নং মেচাৰ্চ আৰ, বি, কে, চন্দ্ৰ চাহা গোলোকগঞ্জত। ভাৰতীয় তেল নিগম (এ, অ, ডি,)ৰ তলত ধুবুৰীত ১। মেচাৰ্চ নেট্ৰাম কাণহাইয়ালাল আৰু প্ৰমোদ টেডিং কোম্পানী ৩। মেচাৰ্চ হৰকছান্দ স্বাৰাগী আৰু চনছ মানকাছাৰত, ৪। মেচাৰ্চ টাউন ষ্টোৰছ গৌৰীপুৰত, ৫। মেচাৰ্চ সুমন অটো এজেঞ্চি— চাপৰ, ৬। মেচাৰ্চ নেটাম কানহাইয়ালাল— গোলোকগঞ্জত, ৭। মেচাৰ্চ স্বাৰাগী প্ৰেট্ৰলিয়ম এজেঞ্চি চপট গ্ৰামত, ৮। মেচাৰ্চ চগনমল স্বাৰাগী এণ্ড চনচ্— বিলাসীপাৰাত।

★ শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে এই ডিপো বিলাক জনসাধাৰণৰ বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি ১০০ কিঃ মিঃ পৰা ৮০ কিঃ মিঃ ভিতৰত ডিপো বিলাক আৰন্টন দিয়ে। কিন্তু গোৱালপাৰা আৰু ধুবুৰী জিলাৰ ১২ কিঃ মিঃৰ ভিতৰতে মেচাৰ্চ আৰ, বি, কে, চন্দ্ৰ চাহা ডিপো আছে। তাত প্ৰতি মাহে কেৰাচিন তেল যোগান ধৰে। এনেকৈ যোগান ধৰে। এনেকৈ যোগান ধৰাৰ ফলত গাওঁ অঞ্চলৰ ৰাইজে তেল নাপায়। গাওঁ অঞ্চলত কেৰাচিন তেল ঠিক মতে যোগান ধৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কৈছে তেখেতৰ লগত মই একমত। আমাৰ ধুবুৰী জিলাত ১ হেজাৰ ৪০ মেট্ৰিক টন দিয়া হয়। গোটেই অসমতে ১৩ লাখ ৪৬ হেজাৰ ৪শ এম, টি লাগে জনসংখ্যা হিচাবে ১৩ লাখ ৫৩ এম, টি হে পাওঁ। প্ৰতিজন মানুহে ১ লেটাৰৰ বেছি পাব লাগে কিন্তু তেওঁলোকে নোপোৱাৰ কাৰণে তেলৰ নাটনী চলি আছে। আগতে মই এই সদনত কৈছো যে বহুটো ভুৱা ৰেচন কাৰ্ড আছে। তেওঁলোকে তেলটো সংগ্ৰহ কৰি ব্লেকত বিক্ৰী কৰে। বিশেষ কৰি বৰ্ডাৰ এৰিয়া আছে ধুবুৰী কাছাৰ জিলাৰ বৰ্ডাৰ এৰিয়াৰে বহুত কেৰাচিন তেল বাংলা দেশলৈ গৈ আছে। সেই বিলাক ৰোধ কৰিবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। ভুৱা ৰেচন কাৰ্ড বিলাক কেঞ্চেল কৰাৰ ব্যৱস্থা কৰিছো। আশা কৰো এইটো সোনকালে কৰিব পৰা হ'ব।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, জনসংখ্যা ১৩ লক্ষৰ কম। এইটো ১৯৯১ চনৰ লোকপিয়ল মতে সংখ্যা হয়। মই ভাবে এই যিমান ৰেচন কাৰ্ড বিতৰণ কৰিছে

★ Speech not corrected

সেই হিচাবে ধুবুৰী জিলাত জনসংখ্যা কম। এই ভুৱা ৰেচন কার্ডৰ বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰ মই আগতে কৈছো। ৰেচন কাৰ্ডৰ সংখ্যা কথাটো। ৰেচন কাৰ্ডৰ মতে জনসংখ্যা বেছি।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পেছিফিক উত্তৰ বিচাৰিছো। তেখেতে ক'ব লাগে আৰু এই সদনত কৈছে যে ধুবুৰী আৰু কাছাৰ জিলাৰ বৰ্ডাৰেদি অসমৰ তেল বাংলাদেশলৈ যায়। এই বাংলাদেশলৈ পঠোৱা কেছ কেইটা ধৰিছে আৰু তাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সেই কাৰণে ধুবুৰীলৈ গৈছিলো ডি, চিৰ লগত আলোচনা কৰিছিলো। বাংলাদেশলৈ যাতে নাযায় তাৰ নিৰ্দ্দেশ দিছো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ কাৰ্য্যকৰী কিমান হৈছে জনাব নেকি?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যি নিৰ্দ্দেশ দিছিলো সেইটো বিভাগীয় কৰ্ত্তৃপক্ষই ব্যৱস্থা হাতত লৈছে। কিয়নো বাংলাদেশলৈ যোৱাটো ইয়াৰ পিচত বহুত কমি গৈছে।

শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইয়াত বহুত ভুৱা ৰেচনৰ দোকান আছে আৰু লগতে ৰেচন কাৰ্ড ও আছে। এই ৰেচনৰ দোকান বিলাকে কেনে ধৰণে বিতৰণ কৰিছে। এই ভুৱা ৰেচনৰ দোকান বিলাক বাতিল কৰিব নেকি? আৰু ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে কিমান দোকান দিয়া হ'ল?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে ব্যৱস্থা লোৱা হৈছে গুৱাহাটীত ২০ টা ধৰা হৈছে। গোটেই অসমতে ইয়াৰ কাম আৰম্ভ কৰিছে। মাননীয় সদস্য সকলে ইয়াত সহযোগ কৰিবৰ কাৰণে অনুৰোধ জনালো।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ ক্লাৰিফিকেশ্যন, মন্ত্ৰী মহোদয় জনমূৰী পাব বুলি কৈছে। কিছুমান মানুহে ভুৱা ৰেচন কাৰ্ড কৰিছে। যোৱা কালি মোলৈ

এখন চিঠি আহিছিল। দেৰ গাওঁৰ এটা পেট্ৰোল পাম্প, এজন বিধায়কৰ নামত আছে। দেৰ গাওঁৰ পৰা টেলিগ্ৰাম কৰিছে। মই চিঠিখন পঢ়ি চোৱা নাই ভিতৰত কি আছে। প্ৰমাণ নোহোৱাকৈ কবও বিচৰা নাই। কিন্তু তাত চোৰাং হৈ আছে। সেয়ে বিষয়টো তদন্তৰ কৰি, ৯ তাৰিখলৈ বিধান সভা বহিব, এই বিধান সভাৰ ভিতৰতে কি ব্যৱস্থা গ্ৰহণ কৰি দিব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় এইটো তদন্তৰ কৰা হ'ব আৰু এই বিধান সভাৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে গাওঁ পঞ্চায়ত সমবায় সমিতিৰ জৰিয়তে কেৰাচিন বিতৰণ কৰা হয়। সমবায় সমিতি আৰু হকাৰৰ মাজত দুটা ভাগ হৈ গৈছে। এইটোৰ কি ব্যৱস্থা কৰিব? ধুবুৰীত যিমান জনসংখ্যা আছে সেই অনুপাতে ডিপো বহুৱা নাই।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো ইমান এটা জটিল ব্যৱস্থা যে বহুত ডাঙৰ ডাঙৰ মানুহেও হকাৰৰ নামত এই ব্যৱসায় কৰি আছে। তেওঁলোকৰ কিছুমানৰ শতকৰা ৩০ ভাগৰে ৰেচন কাৰ্ড নাই। গতিকে এই ব্যৱস্থাটো একেবাৰে উঠাই দিয়াৰ কথাকে চিন্তা কৰি আছো। নহ'লে কিছু কমোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Mr. Speaker : Now Starred question No. 305 Hon'ble Member Shri Jatin Mali. Hon'ble Minister, Fisheries is to reply.

## বিষয় ঃ বানপানীত ফিচাৰী নষ্ট।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

৩০৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ অক্টোবৰ মাহৰ বানপানীত ডুব যোৱা পলাশবাৰী সমষ্টিৰ ফিচাৰীৰ গৰাকী সকলক ক্ষতিপূৰণ কিবা দিয়া হৈছে নে?

(খ) ফিচাৰী নিৰ্ম্মাণ কৰা সময়ত যি সকলে ঋণ লৈছিল সেই ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

(গ) উক্ত ক্ষতিগ্ৰস্থ ফিচাৰী মালিক সকলে পুনৰ যাতে মাছ পুহি ফিচাৰীবোৰ চলাই থাকিব পাৰে তাৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি?

শ্ৰীচিলভিউছ কন্দপান, (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

(ক) ক্ষতিপূৰণ দিয়াৰ কোনো ব্যৱস্থা নাই।

(খ) মীন বিভাগৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা নাই, বেংকেহে দিয়ে। গতিকে প্ৰশ্ন নুঠে।

(গ) নাই লোৱা।

শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, পলাশবাৰী বিধান সভা সমষ্টিত ৯১ চনৰ অক্টোবৰ মাহৰ বানপানীত কিমান ফিচাৰী ডুবিছিল?

শ্ৰীচিলভিউছ কন্দপান (মীন বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বানপানীত কিমান ডুবিছিল বা ক্ষতি হৈছিল সেই তথ্য মোৰ হাতত নাই।

শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে যোৱা অক্টোবৰ মাহত যিটো বানপানী হৈছিল তাত ক্ষতি হোৱা ফিচাৰী বিলাকৰ মালিক সকলক ক্ষতি পূৰণ দিয়াৰ কিবা ব্যৱস্থা বা মাছৰ পোনাৰ কাৰণে কিবা উৎসাহ যোগোৱা হৈছে নেকি? আৰু তেওঁলোকক পুনৰ সংস্থাপন কৰিবলৈ বিভাগৰ কিবা কৰিবলগীয়া আছে যদি জনাব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্থ হোৱা সকলক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আগৰে পৰা নাই। যদি বেছিঁকৈ হয় তেতিয়া ৰাজহ বিভাগৰ পৰা ৰিলিফ আদি দিয়াৰ ব্যৱস্থা কৰা হয়। আজি কেইবছৰৰ মানৰ পৰাহে অসমৰ মানুহে মাছ উৎপাদনত মন দিছে, আগতে দিয়া নাছিল। এতিয়া বেংকৰ লোন আদি পোৱাৰ সুবিধা হৈছে। মাননীয় সদস্য গৰাকীক জনাব খুজিছো যে প্ৰাকৃতিক দুৰ্যোগত যিবিলাক মাছমৰীয়া ক্ষতিগ্ৰস্থ হৈছে তেওঁলোকক সহায় সহযোগ কৰিবৰ বাবে আমাৰ বিভাগে বিবেচনা কৰি আছে।

শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে তেখেতৰ বিভাগৰ জৰিয়তে কিছুসংখ্যক পুখুৰী আৰু ফিচাৰী পৰিষ্কাৰ কৰিবৰ কাৰণে ১১০০ মান

টকাকৈ প্ৰত্যেককে দিয়াৰ প্ৰস্তুতি চলাইছিল। মন্ত্ৰী মহোদয়ে জনাব নেকি মোৰ সমষ্টি পলাশবাৰীত যিবিলাক খাল পুখুৰী আছে অকল সেই বিলাকৰ তালিকাহে প্ৰস্তুত কৰিছে নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা স্পেচিফিকেলি নলেজ মোৰ নাই। অকল ফিচাৰী বিভাগেই নহয় 'ফিচাৰী ডেভলপমেন্ট কৰপৰেচন আছে, গতিকে বাস্তবিকতে কোনটো বিভাগে লোন দিছে সেইটো মই নাজানো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, পশুপালন মন্ত্ৰীয়ে কেৱাচিন নোপোৱা কাৰণে শুই আছে নেকি?

শ্ৰীনকুল চন্দ্ৰ দাস (মন্ত্ৰী পশুপালন) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শুই থকা নাই চকু মুদি শুনিহে আছিলো।

শ্ৰীমনচিং ৰংপী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুই তিনি বছৰ ধৰি, গোটেই অসমৰ কথা নকও। যমুনা আদি ডাঙৰ নদী বোৰত ব্যাপক মাছৰ বেমাৰ হৈছে। মাছৰ ডাঙৰ ডাঙৰ ঘাঁ হৈছে। মাছৰ বেমাৰটো কেনেকৈ হ'ব পাৰে আৰু নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি জনাব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাছৰ বেমাৰটো আজি দুই তিনি বছৰ ধৰি এটা সমস্যা হৈ আহিছে। এই বেমাৰে ভৱিষ্যতে যাতে ৰাইজক ক্ষতি নকৰে তাৰ বাবে বিভাগে ব্যৱস্থা লৈছে।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাছৰ এই বেমাৰ কি কাৰণে হৈছে মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা শোচৰা ব্যাধি। ই ভাইৰাচৰ পৰা হয়।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই ভাইৰাচটোনো কি মাননীয় মন্ত্ৰী মহোদয়ে ক'ব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো এটা ভাইৰাচ।

শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, এবিধ পক্ষী এটা সময়ত বেলেগৰ পৰা উৰি

আহি অসমৰ নদ-নদীত পৰে। বিজ্ঞানিসকলে কৈছে যে ইয়াতেই এই ভাইৰাচ আনে। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ হাতত কিবা তথ্য আছে নেকি? আৰু যদি আছে তাৰ কিবা ব্যৱস্থা কৰিছে নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটো দিনে দিনে বৃদ্ধি পাই আহিছে। If it is a fact then it is a very serious thing and to contain this problem it should be real approach by the Government and to be discussed with the department.

শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহেদয়, এই পক্ষী যিটো ভাইৰাচ অসমৰ নদ-নদী আদিত বিয়পাই সেই ভাইৰাচটো অনাৰ মূল কাৰণ যেতিয়া পক্ষী বিলাকেই হয়, এই পক্ষী বিলাকক এটা নিৰ্দিষ্ট সীমাত ৰাখি অন্য হাবি বননিলৈ পঠাই দিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি তাৰ বিষয়ে চিন্তা কৰিব নেকি? অন্যান্য বিভাগে যেনেকৈ ৰোগ নিৰাময়ৰ কাৰণে টকা খৰছ কৰিছে মীন বিভাগেও এই বিষয়ত খৰছ কৰিব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৯১ চনৰ পৰাই মাছৰ পুখুৰী বিলাক ডেভলপ কৰিবৰ কাৰণে নিৰ্দিষ্ট সময়ত টকা খৰছ কৰিবৰ কাৰণে আমি যোগাযোগ কৰিছো।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এটা জানিব বিচাৰিছো যে যিবিলাক ৰজা দিনিয়া পুখুৰী স্কুল-কলেজ আদিৰ ভিতৰত পৰিছে সেই বিলাক উন্নতি কৰিবৰ বাবে স্কুল-কলেজ বিলাকক লাখ লাখ টকা অনুদান দিয়া হৈছে। সেই টকাবোৰ কলৈ গ'ল মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই টকা বিলাক উপাযুক্তৰ জৰিয়তে ডি, আৰ, ডি, এৰ আঁচনিৰ যোগেদি খৰছ কৰে। এই সম্পৰ্কে ডি, আৰ, ডিৰ লগত যোগাযোগ কৰা হৈছে।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা কথা জানিব বিচাৰিছো যে মাছৰ বেমাৰৰ সম্পৰ্কে কিবা ৰিচাৰ্চ ওইং আছে নেকি? যদি আছে সেই ৰিচাৰ্চ ওইংতে মাছৰ বেমাৰ সম্পৰ্কে কিবা ব্যৱস্থা লৈছে নেকি? আৰু এই বিষয়টো কোন ষ্টেজত আছে? মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ষ্টেত লেভেলত নহয়। নেচনেল লেভেলত যি ৰিচাৰ্চ চলি আছে, তাৰ ফলাফলে ষ্টেটক সহায় কৰিব।

মাননীয় অধ্যক্ষ ঃ এতিয়া তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৭।

শ্ৰীজীউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৪ টা পইন্ট কবলগীয়া আছে।

মাননীয় অধ্যক্ষ ঃ আপুনি এতিয়া বহক। তাকৰীয়া সময়ৰ প্ৰশ্নৰ উত্তৰ হৈ গলে আপুনি ক'ব। এতিয়া তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৭। মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ।

## SHORT NOTICE
## QUESTIONS AND ANSWERS

### বিষয় ঃ গোগামুখ ঘিলামৰা ৩০ কেঃ ভিঃ ট্ৰেন্সমিচন লাইন।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

৭। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোগামুখ ঘিলামৰা ৩০ কেঃ ভিঃ ট্ৰেন্সমিচন লাইনৰ কাম সম্পূৰ্ণ হৈছে নে?

(খ) যদি হৈছে, উক্ত লাইনৰ দ্বাৰা বৈদ্যুতিকৰণৰ যোগান দিয়া হৈছে নে?

(গ) যদি দিয়া নাই, তাৰ কাৰণ কি?

(ঘ) উক্ত লাইনৰ বিদ্যুৎ ৰাইজৰ ব্যৱহাৰৰ কাৰণে কেতিয়া যোগান দিব? শ্ৰীদেবানন্দ কোঁৱৰ (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উক্ত লাইনৰ কাম ১৯৮৯-৯০ চনতে সম্পূৰ্ণ হৈছে।

(খ) এই লাইনটো ১৯৮৯-৯০ চনতে পৰীক্ষামূলকভাবে চাৰ্জ কৰা হৈছিল। যাৱতীয় ট্ৰেন্সফৰমাৰ আৰু অন্যান্য বিতৰণ ব্যৱস্থা সাজু হৈ নুঠাত আৰু লাইনটোৰ কিছুমান ইনচুলেটৰ দুষ্কৃতিকাৰীৰ হাতত সঘনে নষ্ট হৈ যোৱাত লাইনটো সাময়িকভাবে বন্ধ ৰখা হৈছে।

(গ) এই প্ৰশ্ন উত্তৰ (খ)ত দিয়া হৈছে।

(ঘ) এই লাইনৰ যোগেদি ১৯৯২ চনৰ এপ্ৰিল মাহৰ ভিতৰতে ৰাইজৰ ব্যৱহাৰৰ কাৰণে বিজুলী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ১৯৮৯-৯০ চনতে পৰীক্ষামূলকভাবে চাত কৰা হৈছিল। কিন্তু আজি পৰ্য্যন্ত এই লাইনটোৰেদি বিজুলী যোগান দিয়া হোৱা নাই। তেখেতে কিছুমান কাৰণ দেখুৱাই কৈছে যে ১৯৯২ চনৰ চলিত মাহৰ ভিতৰতে ৰাইজৰ ব্যৱহাৰৰ কাৰণে বিজুলি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে কিন্তু ৰাইজে এপ্ৰিল মাহৰ পৰা বিজুলি বাটি পাবনে পোৱাৰ প্ৰতিশ্ৰুতি দিছে, এইটো মই বুজি পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী বিদ্যুৎ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ (খ) প্ৰশ্নৰ উত্তৰত মই কৈছো যে ১৯৮৯-৯০ চনতে এই লাইনটোৰ কাম সম্পূৰ্ণ কৰা হৈছে। কিন্তু এই লাইনটো কিছুমান অসুবিধা হোৱাৰ বাবে গোগামুখ ঘিলামৰাৰ যিটো লাইন আছে সেইটো ৩০ কেঃ ভিঃ হে। ধেমাজীৰ পৰা ঘিলামৰালৈ আৰু এটা লাইন আছে সেইটো হৈ ১১ কেঃ ভিঃ। এই লাইনটোৰ যোগেদি বিজুলী যোগান ধৰা হয়। এই দুটা লাইন চাৰ্জ কৰা হৈছিল। কিন্তু এসময়ত যাৱতীয় ট্ৰেন্সফৰমাৰ আৰু অন্যান্য বিতৰণ ব্যৱস্থা সাজু হৈ নুঠাত আৰু লাইনটোত কিছুমান ইনচুলেটৰ দুষ্কৃতিকাৰীৰ হাতত সঘনে নষ্ট হোৱাত আৰু ৰাস্তাৰ কাষত থকা গছ-গছনি পৰি লাইনটো নষ্ট হোৱাত পুনৰ বন্ধ হৈ আছে। তাত কিছুমান যান্ত্ৰিক অসুবিধাও আছে। এই ৩০ কেঃ ভিঃ ট্ৰেন্সমিচন লাইনটোৰ কাম সম্পূৰ্ণ আৰু চাৰ্জ কৰাৰ পিছতহে গোগামুখৰ পৰা ঘিলামৰালৈ বিজুলি যোগান ধৰিব পৰা নাযায়। চাৰ্জ কৰাৰ পিছতহে লাইনটোত বিজুলি সৰবৰাহ কৰিব পৰা যাব। আশা কৰিছো বছৰৰ ভিতৰত সেই কামটো সম্পূৰ্ণ হৈ উঠিব আৰু বিজুলি যোগান ধৰিব পৰা যাব।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো যে লাইনটোৰ সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে ভুল তথ্য দাঙি ধৰিছে। ধেমাজীৰ পৰা গোগামুখলৈ ৬৬ কেঃ ভিঃ লাইনটোৰ কাৰণে ট্ৰেন্সমিচন দিয়া হৈছে। কিন্তু বিজুলী বিভাগে এই বছৰ কাম

---

★ Speech not corrected

নকৰা কাৰণে আদালতত গোচৰ তৰে। কাৰণ বিজুলি বিভাগৰ মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়া মতে কাম হোৱা নাই। গোগামুখৰ পৰা ঘিলামৰা আৰু ধেমাজীৰ পৰা ঘিলামৰালৈ ৬৬ কেঃ ভিঃৰ লাইন এটা টনা হৈছিল। এই লাইনটো টনাৰ বাবদ ৪৫-৫০ হাজাৰ টকা খৰছ কৰা হ'ল। জুৰুলী কালিন অৱস্থা হিচাবে এই লাইনটো টনা হৈছিল। প্ৰতিশ্ৰুতি দিয়ামতে লাইনটোৰ কাম আৰম্ভ কৰা হৈছিল। এই ৬৬ কেঃ ভিঃ ট্ৰেন্সমিচনৰ লাইনটো চলাবৰ কাৰণে এটা ষ্টাফৰ প্ৰয়োজন হ'ব। চলিত মাহৰ ভিতৰতে যদি ষ্টাফ দিয়া ব্যৱস্থা কৰা নহয় তেতিয়া বিজুলি সৰবৰাহ কৰিব পৰা নাযাব। মাননীয় মন্ত্ৰী মহোদয়ে সকলোবিলাক অনুসন্ধান কৰি এটা ষ্টাফ দিয়া ব্যৱস্থা কৰে যেন।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী, বিদ্যুৎ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা উল্লেখ কৰিছে— ঘিলামৰাত বিজুলি যোগান ধৰা হৈছে এইটো মই আগতে কৈছো। এইটো ১১ কেঃ ভিঃ লাইন। আৰু ঘিলামৰাত বিজুলি যোগান ধৰা হৈছে। তেখেতে কৈছে লাইনটো সম্পূৰ্ণ আছে। প্ৰশ্নটোৰ উত্তৰত আগেয়ে কোৱা হৈছে যে কাম সম্পূৰ্ণ কৰা হৈছিল আৰু চাৰ্জও কৰা হৈছিল। ধেমাজীৰ পৰা গোগামুখলৈ উক্ত লাইনটোৰ জৰিয়তে অতিৰিক্ত লাইন যোগান ধৰিব পৰা নাই। এই বিষয়ে মাননীয় সদস্য গৰাকীয়ে জানে আৰু জনোৱাও হৈছে। লাইনটোৰ কিছুমান ইনচুলেটৰ দুস্কৃতিকাৰী আৰু ৰাস্তাৰ কাষৰ গছ গছনি পৰি লাইন বিলাক অক্ষম হৈ আছে। লাইনবিলাক সক্ষম হোৱাৰ পিছতহে বিজুলি যোগান ধৰিব পৰা যাব। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে কেইজনমান কৰ্মচাৰী নিয়ুক্তি নিদিয়াৰ কাৰণে বিজুলি যোগান ধৰিব পৰা নাই। এই কথাবিলাক তদন্ত কৰি নিশ্চয় চাম। অনতিপলমে ষ্টাফ দিয়াৰ ব্যৱস্থা কৰা হ'ব যাতে চলিত মাহৰ ভিতৰতে কাৰ্য্যক্ষম হয়।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই লাইনটো সম্পূৰ্ণ হোৱাৰ পাছত আৰু ই, চি, ডিভিজনে সেইটো স্থানান্তৰ কৰিব লাগে বুলি কেইবাবাৰো চিঠি লিখিছে। আৰ, ই, চি, ডিভিজনৰ একজি'কিউটিভ ইঞ্জিনিয়াৰে ষ্টাফ নাই বুলি জনাইছে, মাত্ৰ এজন জুনিয়ৰ ইঞ্জিনিয়াৰ আছে তেওঁয়ো আকৌ লক্ষীমপুৰৰ পৰা অহা-যোৱা কৰে, তাকো মাত্ৰ সপ্তাহত ২/৩ দিন মানহে অফিচলৈ আহি মাত্ৰ এঘন্টা সময় থাকে। লাইনটো সম্পূৰ্ণ হোৱা কথাটো আমি গম পাইছো। কিন্তু সেই লাইনৰ পৰা বিজুলী যোগান

★ Speech not corrected

দিয়াৰ কাৰণে যি ষ্টাফ তাত লাগে সেই পৰিমাণৰ ষ্টাফ তাত নাই। সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আজি চৰকাৰে লাইনটো সম্পূৰ্ণ হোৱাত যিমান গুৰুত্ব দিছে কিন্তু সেই অনুপাতে যি পৰিমাণৰ ষ্টাফ দিব লাগে সেই বিষয়েও গুৰুত্ব দি তাত ষ্টাফ অতি সোনকালে নিদিলে অহা এপ্ৰিল মাহৰ ভিতৰতে বিজুলী যোগান দিয়াটো সম্ভৱ নহ'ব।

★ শ্ৰীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, যান্ত্ৰিক ভাবে যদি লাইনটো বা চাবষ্টেশ্যনটো সম্ভম তেনেহ'লে কেৱল ষ্টাফ নোহোৱাৰ কাৰণে বিজুলি যোগান দিব পৰা হোৱা নাই, এইটো হ'ব নোৱাৰে। গতিকে যাতে এই মাহৰ ভিতৰতে বিজুলী যোগান দিব পৰা হয় তাঁলৈ লক্ষ্য ৰাখি যি ষ্টাফৰ প্ৰয়োজন সেইটো দিয়া হ'ব।

মাননীয় অধ্যক্ষ ঃ অধ্যক্ষই যেতিয়া থিয় হয় তেতিয়া বহিব লাগে, মই ৰুলচৰ কথা আগতে কৈছো। মই সদনত এটা কথা অৱগত কৰিব বিচাৰিছো যে বিদ্যুৎ সম্পৰ্কত এই সদনত যথেষ্ট আলোচনা বিলোচনা হৈছে, ইতিমধ্যে ৬ টা প্ৰশ্ন ৩০১ টা বিজুলি ওপৰত দীঘলীয়া বিতৰ্ক হৈছে। গতিকে এই বিজুলি যোগানৰ ক্ষেত্ৰত মাননীয় সদস্য সকল কিমান উৎকণ্ঠা সেই সম্পৰ্কে আমি সকলোৱে উপলব্ধি কৰিছো। বৰ্তমান পৰিস্থিতিত বিজুলি সৰবৰাহৰ ক্ষেত্ৰত পাইছো সেইটো বহুদিনলৈ চলি থাকিব যদিহে ইয়াৰ এটা ব্যৱস্থা কৰা নহয়। এই সম্পৰ্কত বাতৰি কাকতৰ সাংবাদিক সকলেও মোক লগ ধৰি কৈছে যে বিজুলি যোগানৰ অভাৱত বাতৰি কাকতৰ অনুস্থান সমূহ ভয়াবহ ভাবে এফেক্টিভ হৈছে আনকি ল'ৰা-ছোৱালীয়ে আৰু দৈনন্দিন কাম কাজত ভয়াবহ ভাবে অসুবিধাত পৰিছে। এই অৱস্থা চলিয়েই থাকিব, ইয়াৰ অৱস্থা উন্নত হোৱাটো আশা কৰিব নোৱাৰি। বৰ্তমান আমাৰ যি কেইটা চোৰ্চ আহে সেই কেইটাৰ ওপৰত নিৰ্ভৰ কৰি থাকিলে আমাৰ নাটনি কোনো দিনে শেষ নহ'ব। নাটনি হৈয়েই থাকিব। সেয়ে মই গভীৰ ভাবে অনুভৱ কৰিছো যদি আমি বিশাল ব্ৰহ্মপুত্ৰ নদীৰ এই বোৱতী পানীখিনি হাৰনেচ কৰিব পাৰিলে আমাৰ ৰাজ্যখনৰেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰে বিজুলি সৰবৰাহত সুবিধা হ'ব। নেডাৰলেণ্ডত আমি দেখিছো গোটেই

---

★ Speech not corrected

নেডাৰলেণ্ডন সাগৰৰ মাজত ওফণ্ডী অহা পানীৰ পৰা বিজুলি শক্তি উৎপাদন কৰো যেতিয়া হলে গোটেই দেশখনতে পাওৱাৰ চাপ্লাই কৰিব পাৰিম। গতিকে মই মাননীয় শক্তি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই বিষয়টোৰ ওপৰত উচ্চতম অগ্ৰাধিকাৰ দি ওৰ্ল্ড বেংকৰ পৰাই হওঁক বা তেনে ধৰণৰ আন্তৰ্জাতিক এজেন্সীৰ লগত যোগাযোগ কৰি ব্ৰহ্মপুত্ৰক হাৰনেচ কৰাৰ কাৰণে ততকালিন ব্যৱস্থা হাতত লয়।

★ শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ লগত এই বিজুলি যোগানৰ কথাটো বিশেষভাৱে জৰিত হৈ আছে গতিকে আমাৰ ইতিমধ্যে যিটো দিহিং আৰু সোৱণশিৰী প্ৰজেক্ট প্ৰস্তাবিত হৈ আছে সেইটো যদি আমি সম্পূৰ্ণ কৰি চলিব পাৰো তেতিয়া হ'লে আমাৰ সদ্যহতে বিজুলি সৰবৰাহত অগ্ৰগতি লাভ কৰাৰ কাৰণ এতিয়া এই প্ৰজেক্ট কেইটা সম্পূৰ্ণ কৰি তোলাটো বিশেষ অসুবিধা নহ'ব, কিয়নো অৰুণাচলটো একেই চৰকাৰ দিল্লীত আৰু আমাৰ ইয়াতো একে চৰকাৰ চলি আছে কিন্তু আমাৰ সময়ত গেগং আপাংক কিবা এটা কলেই জিক.ৰ খাই উঠে, গতিকে আমাৰ যদি সৰ্বদলীয় গ্ৰুপ এটা দিল্লীত গৈ কেন্দ্ৰীয় চৰকাৰক প্ৰেচাৰ দিলে ভাল হ'ব।

★ শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, আমাৰ মাননীয় অধ্যক্ষ আৰু মাননীয় সদস্য বৰা ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো ভালেই হৈছে কিন্তু সদ্যহতে আমি কেইটামান ব্যৱস্থা কৰি আমাৰ বিজুলিৰ নাটনি কিছু লাঘব কৰিব পাৰো। আমাৰ পাহাৰীয়া অঞ্চলত যিবিলাক পাহাৰ আছে, সেই পাহাৰ বিলাকৰ নামনিত কিছুমান পানীৰ জলাশয় তৈয়াৰ কৰি জেনেৰেটৰৰ সহায়েৰে ২০ এম ডব্লিউ সৰু সৰু পাওৱাৰ হাউচ কৰি বিজুলি শক্তি যোগান দিয়াৰ ব্যৱস্থা কৰিব পাৰি। এই সম্পৰ্কত মাননীয় মন্ত্ৰী ডাঙৰীয়াক চিন্তা কৰি চাবলৈ অনুৰোধ জনালো।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ আৰু বিধায়ক বৰা ডাঙৰীয়াই দিয়া পৰামৰ্শ বৰ ভালেই হৈছে। আমি মাননীয় শক্তি মন্ত্ৰীৰ নেতৃত্বত এটা সৰ্বদলীয় বিধান সভাৰ দলে দিল্লীত গৈ কেন্দ্ৰক প্ৰেচাৰ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা যিটো পৰামৰ্শ

★ Speech not corrected

আহিছে সেইটো অতি সময়োচিত পৰামৰ্শ ডাঙৰীয়া আগবঢ়াইছে সেইটো অতি প্ৰয়োজন হৈ পৰিছে। এই দুখন নদীৰ ওপৰত যিটো প্ৰস্তাৱিত বিজুলি যোগান প্ৰজক্ট আধৰুৱা হৈ আছে সেই কেইটা সম্পূৰ্ণ কৰি তুলিব পাৰিলে আমাৰ অসমৰ বিজুলি নাটনিৰ সমস্যাটো স্থায়ীভাবে দূৰ হ'ব। আমি জনাত মুখ্যমন্ত্ৰী মহোদয়ৰ যথেষ্ট জোৰ আছে আনকি দিল্লীটো জোৰ আছে, তেখেতে ৰচী টানিলে কামটো সহজ সাধ্য হৈ পৰিব। গতিকে তেখেতৰ নেতৃত্বত এটা সৰ্বদলীয় বিধান সভাৰ দল গৈ কেন্দ্ৰত প্ৰেচাৰ দিলে ভাল হ'ব। গতিকে মই মন্ত্ৰী মহোদয়ক এই দিশত চিন্তা চৰ্চা কৰিবলৈ অনুৰোধ জনালো।

★ Shri Samarendra Sen : Mr. Speaker Sir, the condition of power in Barak Valley is very precarious. The other day the Hon'ble Power Minister stated that a 15 MW power line will be installed. It was stated two or three days back in the Assembly Hon'ble Chief Minister also recently visited Barak Valley who assured that there would be no power during the day time and power cut would be here only from 5 P.M. to 11 P.M. But till yesterday no action seems to have been taken and power cut is continuing. So, the cut is still going on inspite of the assurance given by the Hon'ble Minister that there would be no power cut. We know there is pilfarage, there is cluster of tea garden in that region. So, Sir, unless something is done urgently for the Barak Valley people will have to suffer a lot, not to speak of the businessmen, the students' examinations are going on they will suffer very badly. So may I suggest to the Hon'ble Minister, Power to install 15 MW power line immediately so that can be supplied atleast to meet the minimum demand in the Barak Valley.

माननीय অধ্যক্ষ ঃ এজনে কলেই। চৰ্ট নটিচ কুৱেচন শেষ হৈ গ'ল। এনে সময় নাই। পৰে হবে।

---

★ Speech not corrected

★ শ্ৰীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিদ্যুৎ সংকট কেৱল বৰাক ভেলী, ব্ৰহ্মপুত্ৰ ভেলি বা অসমৰে নহয়, ই গোটেই ভাৰতবৰ্ষতে আছে। মাননীয় অধ্যক্ষই বিদ্যুৎ সংকটৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। ব্ৰহ্মপুত্ৰ নদীখন ধুবুৰীৰ পৰা সদিয়ালৈ সাতশ মাইল দৈৰ্ঘ্য। মোৰ এই সদনত আগতে মনত আছে ব্ৰহ্মপুত্ৰৰ যিটো অংশ অসমৰ মাজেদি বৈ গৈছে এই অংশত কোনো দেম তৈয়াৰ কৰি হাইড্ৰ ইলেক্‌ট্ৰিকেল প্ৰজেক্ট কৰাৰ প্ৰস্তাৱ এইটো জনোৱা হৈছে। এইটো টেকনিকেল, ৰিচৰ্চ, ইকনমিক পইন্টৰ পৰা ইমপচিবুল। এইটো স্বীকাৰ কৰা হৈছে যে ব্ৰহ্মপুত্ৰ নদীৰ পৰা কমেও ২০ হাজাৰ মেগাৱাট জল বিদ্যুৎ কৰিব পৰা পচিবিলিটি এই নদীত আছে। শ্ৰীঅতুল বৰাই কৈছে যে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰি বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা একেলগে সংযোজিত হৈ আছে। সঁচা কথা সোৱণশিৰী আৰু দিহাং নদী দুখন আমাৰ ৰাজ্যৰ বাহিৰত অৰুণাচলত পৰে। অৰুণাচল চৰকাৰে এই বিষয়ত অনুমতি নিদিলে এইটো সম্ভৱ নহয়। এই বিষয়ত তথ্য গোটেই ভাৰত চৰকাৰৰ ওচৰত হেচা দি থকা হৈছে। মাননীয় মুখ্যমন্ত্ৰীয়েও হেচা দি আছে যদিও কোনো স্তৰত খাটাং সিদ্ধান্ত ল'ব পৰা হোৱা নাই। টেকনিকেল দিশৰ সমস্যা দূৰীকৰণ কৰাৰ লগতে ৰিচৰ্চৰ সংকট সমস্যা আছে। চলিত বছৰত ভাৰত চৰকাৰৰ ওচৰত বিদ্যুৎ বিভাগে যি পৰ্য্যায়ৰ টকা বিচাৰিছিল তাৰ প্ৰায় মাত্ৰ ৬০ শতাংশহে প্লেনিং কমিচন আৰু ভাৰত চৰকাৰে দিবলৈ মান্তি হৈছে। গতিকে ৰিচৰ্চৰ ফালৰ পৰা যথেষ্ট অসুবিধা আছে। ব্ৰহ্মপুত্ৰ নদীৰ পৰা ২০ হাজাৰ মেগাৱাট তৈয়াৰ কৰিবলৈ যাওতে কিমান হাজাৰ টকা লাগিব সেইটো অনুমেয়। ৮ম পঞ্চ বাৰ্ষিক পৰিকল্পনাত বিদ্যুৎৰ বাবে যিমান টকা বিচৰা হৈছিল তাৰ ৬০ শ অংশহে দিব পাৰিছে। কাৰণ বিত্তীয় সংকটৰ লগত এই কথাটো জৰিত হৈ আছে। দিহিং দিবাঙৰ প্ৰশ্নটোত প্ৰেচাৰ দি থকা হৈছে। বিদ্যুৎ সংকটৰ মোচনৰ বাবে যিটো পৰামৰ্শ দিছে সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেচা দি আছে। আমি আলাপ আলোচনাৰ যোগেদি অতিৰিক্ত হেচা দিব পাৰিম। এই কথাটো মনত ৰাখিব লাগিব যে দিহিং সোৱণশিৰিৰ ক্ষেত্ৰত অৰুণাচল চৰকাৰে সন্মতি প্ৰদান কৰিব লাগিব। দ্বিতীয় কথা হ'ল এই দুটা দেম চেনচিটিভ বেল্টত তৈয়াৰ কৰিব লাগিব। ইটালীত চিচমক অঞ্চলত দেম তৈয়াৰ কৰাৰ কাৰণে গোটেই

---

★ Speech not corrected

অঞ্চল প্লাৱিত হৈছিল। তাৰোপৰি ভূমিকম্পৰ কথা আছে। তাৰ পিচত যিটো এৰিয়াত বিগ দেম আছে, চেলিনিটি দেস্নাৰ সম্পৰ্কত বৈজ্ঞানিক সকলৰ অভিমত আছে। অৰুণাচল বা অসম চৰকাৰ দুয়ো একমত হলেও ৰিচৰ্চৰ ফালৰ পৰা সম্ভৱ নহ'ব। ভাৰত চৰকাৰৰ পক্ষেও সম্ভৱ নহ'ব। বিশ্ব বেংকৰ যিটো পৰামৰ্শ আগবঢ়াইছে সেই বিষয়ে নিশ্চয় বিবেচনা কৰিম।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি ক'লে প্লেন নকৰাৰ পক্ষে ক'লে। এই প্লেন কৰাৰ কাৰণে আগ্ৰহী হয়নে নহয়? ভূমিকম্প, বৈজ্ঞানিক, টকা আদি কৰি যিবিলাক কথা কৈছে ইয়াৰ পৰা বুজা যায় মন্ত্ৰী ইয়াৰ ফেভাৰত নহয়। নোহোৱাৰ কাৰণ বিলাক জানো। এই প্লেনটো হ'ব নে নহয়? জাপানত ভূমিকম্প ঠাইত ২২ মহলীয়া ঘৰ বান্ধিব পাৰে মন্ত্ৰী মহোদয়ে নোহোৱাৰ ফালে যুক্তি দি আছে।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে ইচ্ছাকৃত আমাৰ ইয়াত ফিজিবিলিটি নাই বুলি ক'ব বিচাৰিছে। শ্ৰীদিলীপ দত্তই আমেৰিকাৰ পৰা আহি এটা ৰিপোৰ্ট দিছিল। চেন্ট্ৰেলে কি কৈছে আমাৰ সেইটো দৰকাৰ নাই।

মাননীয় অধ্যক্ষ ঃ বিদ্যুৎ সম্পৰ্কে যথেষ্ট আলোচনা হৈছে।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমি সেইটোত হেচা দি আছো। কিন্তু আমাৰ যিবিলাক সমস্যা আছে মই সেই সমস্যা বিলাকৰ কথাটো হে কৈছে। মই বিদ্যুৎ মন্ত্ৰী হিচাবে আপোনালোকক বঞ্চিত কৰাৰ কথাটো ভবা নাই। এই প্ৰকল্প দুটা দিহিং আৰু শোৱণশিৰি অসমৰ বাহিৰত অৰুণাচলত আছে। মই নিজে আশাবাদী গতিকে যথেষ্ট পৰিমাণে হেচা দি আছো। বৰাক ভেলি সম্পৰ্কত মই মাননীয় সদস্যক আগতে কৈছো। বৰাক ভেলিত আমি তিনি টা চোৰ্ছৰ পৰা বিদ্যুৎ যোগান ধৰো। লকটক হ্ৰদৰ পৰা নেপকোৰ পৰা মেঘালয়ৰ মাজেদি, থাৰ্মেল পাৱাৰ গুৱাহাটীৰ পৰা মেঘালয়ৰ মাজেদি বৰাক ভেলিলৈ যায়। কিন্তু বৰ্তমান তিনিটা লাইনৰ দুটা লাইন অচল হৈ আছে। নেপকোত ৫ ৰ পৰা ১০ মেগৱাট পাৱাৰ পোৱা হৈছে। য'ৰ পৰা আগতে ১০০ মেগৱাট

★ Speech not corrected

পোৰা হৈছিল তাৰ পৰা এতিয়া মাত্ৰ ৫ৰ পৰা ১০ মেগৱট পোৰা হয়। থাৰ্মেল পাৱাৰ লাইন ৩ টাৰ ২টা মেঘালয়ৰ মাজেদি যায়। মেঘালয়ৰ বৰ্তমান অৱস্থা সংকট জনক গতিকে নেপকোৱে পাৱাৰ চাপ্লাই কৰিব পৰা নাই। থাৰ্মেলৰ অৱস্থা সংকট জনক হোৱা বাবে মাননীয় সদস্য গৰাকীক জনাইছিলো যে লাইন দুটাৰ এটা লাইনহে কাম কৰি আছে। সেই কাৰণে ১৫ মেগৱট পাৱাৰ পাঁচগ্ৰামৰ মাজেদি I have seen recently which has recorded in Panchgram. I have got the figures yesterday I had discussed and get the figures. পাঁচগ্ৰামত ৰেকৰ্ডত আছে যে ১৫ মেগৱট তাত দিয়া হৈছে। কিন্তু ট্ৰেন্সমিছন লাইনটো আষ্ট্ৰোৱাহ ঘটাব বাবে যোৱা দুদিনত এই ১৫ মেগৱট বিজুলি সৰবৰাহ কৰিব পৰা নাই। যোৱা কালি লাইনৰ বিজুতিৰ কাৰণে ৰাইজৰ যথেষ্ট অসুবিধা ভোগ কৰিব লগা হৈছে। গতিকে এই লাইনটো আজিৰ ভিতৰতে ৰেষ্টাৰ কৰিবলৈ কোৱা হৈছে।

Shri Jagannath Sinha : Mr. Speaker Sir, One clarification sir, under the circumstances, the Hon'ble Minister ha- stated the difficulties being faced by the ASEB for supply of power to Barak Valley and that is why, all these problems are there. Are we supposed to go throuth this problem for all time to come? If it is not like that, will the Government consider to set up a Gas Turbine there in Barak Valley?

★ Shri Devananda Konwar (Minister Power) : Mr. Speaker Sir, I called all the departmental officers and had discussed the matter. They have told that within 2 weeks NEEPCO water level is going to be slightly raised and they except that with the increased water level NEEPCO will be able to supply some power and whatever we would get from NEEPCO would be given to Barak Valley and (2) excepting this transmission line through Meghalaya there is no localised power available inside Barak Valley from Gas Base

---

★ Speech not corrected

Turbine. We are going to take prompt steps, Hon'ble Chief Minister has already initiated action. We are to produce localised power within Barak Valley from source and there is only one source is avaliable, that is, natural gas. At the moment, with limited natural gas available how we can supply power to Barak Valley. Hon'ble Chief Minister has himself taken initiative in this regard. We are examining the matter if some Gas Turbine projects can be set in Barak Valley itself for suppling power to this Valley. Yesterday, I had written a letter to the union petrolium Minister in this regard.

Shri Jagannath Sinha : Mr. Speaker Sir, it is not necessary that gas turbine should run on gas only it can be run with oil also. If it is not known to the Hon'ble Minister I would request him to places get on enquiry and find out the real thing.

★ Shri Devananda Konwar (Minister Power) : Mr. Speaker Sir, Gas is the only natural resource which is available in Barak Valley, oil in large quantity is not available in Barak Valley. I had already written a letter yesterday to the Union Minister in this respect. For information of this August House I would like to buy that a confence of power Ministers is going to be held on the 4th of this month. Hon'ble Chief Minister has asked me to discuss this matter.

★ Shri Golok Rajbongshi (Minister, Parlimentary Affairs) : Mr. Speaker Sir, under which rule this discussion is going on?

---

★ Speech not corrected

(interruption.................voices)

Mr. Speaker : I will speak, আপোনালোক বহক। মই নিজেই কৈছো যে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এইটোৰ লগত আমি সকলো জড়িত। এইটো কোনো দলীয় কথা নহয়। কিন্তু কথা হৈছে যে— আপোনালোকে পৰামৰ্শ দিছে আৰু মন্ত্ৰী মহোদয়ক ইয়াৰ এটা চলিউচন কৰাৰ বাবে কৈছে কিন্তু চোৰ্চ নাথাকিলে তেখেতে কেনেকৈ কৰিব ? What is the root cause, what is the cause of shortage of power এই কথাটো আপোনালোকে চিন্তা কৰিছে, আলোচনা কৰিছে ভাল কথা কৈছে। সেই কাৰণে মই আপোনালোকক ধন্যবাদ দিছো। কিন্তু আলোচনা কৰিব বিচৰা নাই। কিন্তু অফিচাৰ সকলে মন্ত্ৰী মহোদয়ক কৈছে যে, How current is produced কিন্তু দাম তৈয়াৰ নকৰিলেও পাৱাৰ জেনেৰেট কৰিব পৰা যায়। সেইটো মৰ্ডাণ টেকন'লজিৰ কথা। তেতিয়া তাত কাৰেন্ট প্ৰদিউচ হয়। এতিয়া ব্ৰহ্মপুত্ৰত যত দাম আছে তাৰ ঠাইত টাৰ্বাইন দিলেও পানী অনাৰ ব্যৱস্থা কৰিব পাৰি। আমি কিয় তাৰ পৰা বিজুলি নাপাম? এই খিনিতে নেডাৰলেণ্ডৰ এটা ওৱেতৰ কথা কওঁ। I know the technical matter বেটেৰী মালটিপ্লাই কৰে। তাৰ পিচত ওৱেত কৰিব পাৰি। ব্ৰহ্মপুত্ৰত দুটা খুটা পুতিলেও পানী কিমান আছে জানিব পাৰি।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, আপুনি বৰ্ডৰ বিষয়াসকলক ট্ৰেইনিং দিব লাগে।

মাননীয় অধ্যক্ষ ঃ মাননীয় আইন মন্ত্ৰীয়ে তেখেতক বিষয়া সকলে যেনে ধৰণে বুজায় তেনে ধৰণে বুজিব নালাগে। তেখেতে নিজেই গভীৰ ভাবে ষ্টাডি কৰি চাই নিজা ববীয়া সিদ্ধান্ত লব লাগে— সকলো কথা তলৰ বিষয়াৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। তেখেতে নিজেই গভীৰ ভাবে ষ্টাডি কৰি চাই নিজা ববীয়া সিদ্ধান্ত ল'ব লাগে— সকলো কথা তলৰ বিষয়াৰ ওপৰত নিৰ্ভৰ কৰিব নেলাগে। আমাৰ ৰাজ্যত পাৱাৰ জেনেৰেচন বৃদ্ধি হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অধিক টকা আনিব লাগে ইয়াৰ কাৰণে। এই ক্ষেত্ৰত পাৱাৰ মন্ত্ৰীক মুখ্যমন্ত্ৰীয়েও সহায় কৰিব। প্ৰয়োজন হ'লে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰিববলৈ, টকা আনিবলৈ আমি গোটেই হাউচ দিল্লীলৈ যাম।

(টেবুলত থপৰিয়াই সকলোৱে সন্মতি প্ৰদান কৰে)

★ Shri Devananda Kowar (Minister Power) : Mr. Speaker Sir, on behalf of the Department we have accepted the suggestions put forward by the Hon'ble Speaker.

★ Speech not corrected

Shri Giasuddin Ahmed : Sir, I went to thank you for this. I Should say, there is a spark of electricity in the House today and Government should not neglect this spark, otherwise the House will be burnt.

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি পাৱাৰৰ ক্ষেত্ৰত যি অভিনৱ ৰুলিং দিছে তাত আমি সকলোৱেই ভাল পাইছো। আপোনাক তাৰ বাবে ধন্যবাদ জনাইছো।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, মোৰ ফালৰ পৰাও আপোনাক ধন্যবাদ জনাইছো। আৰু আমাৰ শক্তিমন্ত্ৰীক লাহে লাহে অধিক শক্তিশালী হৈ পৰাটো কামনা কৰিছো। এই বছৰৰ পিছত তেখেতে অধিক শক্তিশালী হওঁক। কেন্দ্ৰীয় চৰকাৰৰ পৰা অধিক ধন আনক শক্তি উৎপাদনৰ কাৰণে। কেন্দ্ৰীয় হেচা দিবলৈ আমাৰ দুজন 'সিং' আছেই। গতিকে অসুবিধা নহ'ব।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই দুটামান কথাৰ ক্লাৰিফিকেচন বিচাৰি দুবাৰ মান কবলৈ উঠিছো যদিও ক'বলৈ সুবিধা পোৱা নাই।

(সদনত গণ্ডগোল, বহুতো মাননীয় সদস্যই একেলগে ক'বলৈ ধৰাত কাৰো বক্তব্য লিপিবদ্ধ কৰিব পৰা নগ'ল।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন নং ৪৫১ ৰ লগত এখন ভেলুৱেচন চাৰ্টিফিকেট সদনৰ মেজত ৰখা হৈছে বুলি কৈছে— মাননীয় শ্ৰম মন্ত্ৰীয়ে কিন্তু এই চাৰ্টিফিকেটখন ৰখা হোৱা নাই। এই ঘৰটোৰ লগত ২৭ লাখ টকা জৰিত হৈ আছে। তিনচুকীয়াত এ, টি, পি, পি এফৰ কাৰ্য্যালয়ৰ কাৰণে ২৭ লাখ টকা এই ঘৰটো কিনা হৈছে— ইয়াৰ ভেলুৱেচন চাৰ্টিফিকেট আমাক লাগিবই।

শ্ৰীজীউৰাম বড়ো ঃ (তেখেতে উঠি কিবা ক'বলৈ বিচাৰে কিন্তু মাননীয় অধ্যক্ষই বাধা কৰে।

মাননীয় অধ্যক্ষ ঃ মাননীয় জীউৰাম বড়ো ডাঙৰীয়া আপুনি সদনৰ ৰুলচ পঢ়ি চাব লাগে। ৰুল ৩৮ (১) ত দিয়া আছে— The Rule 38 (1) of Rules of Procedure and Conduct of Business in Assam Legislative Assembly says that the Speaker shall decide whether a question, a part thereof, in or is not admissible under these rules and may disallow any question which, or a part thereof, when in his opinion, it is an abuse of the right of questioning or is calculated to obstruct or prejudicialy affect the procedure of the House or is in contravention of these rules. The Speaker may disallow my question. The Speaker has got the authority– he has the discretionery power. You can come down to my Chamber.........

কোনটো কুৰেচন দিব লাগে বা নেলাগে সেইটো অধ্যক্ষৰ নিৰ্বাচন কৰাৰ অধিকাৰ আছে। আপুনি ৰুল অলপ চাব লাগে। আপোনাৰ কিবা ক'ব লগা থাকিলে মোৰ চেম্বাৰত গৈ ক'ব লাগে। বাৰু শ্ৰীবড়ো আপুনি কেতিয়াবা লটাৰীত টকা পাইছানে?

শ্ৰীজীউৰাম বড়ো ঃ অধ্যক্ষ মহোদয়, নাই পোৱা চাৰ।

মাননীয় অধ্যক্ষ ঃ তেন্তে শুনক আপুনি যিহেতু আজিলৈকে কোনো লটাৰীত টকা পোৱা নাই তেন্তে আপুনি দুৰ্ভগীয়া। এই কুৰেচনবোৰ লটাৰী কৰা হয়।

(সদনত হৰ্ষধ্বনি)।

শ্ৰীদীলেশ্বৰ তাতী (শ্ৰম মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভেলুৰেচন চাৰ্টিফিকেটখন মোৰ ইয়াত দিয়া হৈছে, সদনৰ মেজত কিয় ৰখা হোৱা নাই ক'ব পৰা নাই— এইখন সদনৰ মেজত ৰখা হ'ব।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, ইয়াৰ লগত ২৭ লাখ টকাৰ এটা অভিযোগ আছে। এই চাৰ্টিফিকেটখন দাখিল কৰিবই লাগিব। মন্ত্ৰীয়ে কনচিব কৰিব নোৱাৰিব। আমাক এতিয়াই লাগে।

---

★ Speech not corrected

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰীয়ে দিম বুলি কৈছে, দিব।

(Starred question Nos. 306 to 318 could not be taken up as the question hour was over. However, replies of the said questions deemed to have been laid on the table of the House)

## বিষয় ঃ গৰু-মহৰ খাদ্যৰ দাম নিৰ্দ্ধাৰণ।

**শ্ৰীনগেন শৰ্মাই সুধিছে ঃ**

★ ৩০৬। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গৰু-মহৰ খাদ্যৰ বাবে চৰকাৰে দাম নিৰ্দ্ধাৰণ কৰি দিছে নেকি?

(খ) বৰ্ত্তমান গমৰ তুহ গুৰি আৰু খলিহৈৰ দাম প্ৰতি কেজিত কিমান?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) ৰাজহুৱা বিতৰণ পদ্ধতিৰ আৱৰ্ত্তিত ঘেহুৰ পৰা উৎপাদিত হোৱা ভুচিৰ দাম নিৰ্দ্ধাৰণ কৰি দিয়া আছে।

(খ) এনেবোৰ বস্তুৰ দাম চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া নাই। মাত্ৰ গমৰ আৰু চাউলৰ ভুচিৰ দাম নিৰ্দ্ধাৰণ কৰি দিছে।

## বিষয় ঃ বগুলামাৰী জলসিঞ্চন ব্যৱস্থা।

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

★ ৩০৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰমা সমষ্টিৰ লক্ষী (Lakshi) নদীৰ ওপৰত বগুলা মাৰী গাওঁত জলসিঞ্চনৰ আঁচনিৰ বাবে ৰাইজৰ আবেদনৰ বিষয়ে চৰকাৰ অবগতনে?

(খ) যদি অবগত ব্যৱস্থা লবনে?

(গ) বৰমা সমষ্টিৰ ন-মাটি মৌজাৰ ন-মাটি গাওঁৰ খেতি পথাৰত জলসিঞ্চনৰ বাবে চৰকাৰৰ হাতত আঁচনি আছেনে?

(ঘ) যদি আছে কেতিয়াকৈ কাম আৰম্ভ কৰিব?

(ঙ) বৰমা সমষ্টিৰ আলাগজাৰ (Alagzer) গাঁত জলসিঞ্চনৰ বাবে (টি এচ পি)ৰ ফাগুৰ পৰা কিবা আঁচনি আছে নেকি?

(চ) যদি আছে কেতিয়াকৈ কাম আৰম্ভ কৰিব?

শ্ৰীজেহিৰুল ইছলাম, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) হয়, অবগত।

(খ) প্ৰাৰম্ভিক অনুসন্ধান আৰম্ভ কৰা হৈছে।

(গ) হয়, আছে।

(ঘ) দুটা গভীৰ নলী-নাদ আছে। তাৰে এটা খনন কৰাৰ পিছত প্ৰয়োজনীয় পানী ধাৰণ কৰা বালি নগ'ল। দ্বিতীয়টো খনন কাৰ্য্য এই মাহত চলি আছে।

(ঙ) হয়, আছে।

(চ) দুটা গভীৰ নলী-নাদৰ অনুমোদন আছিল। কিন্তু দুয়োটাৰ খনন কাৰ্য্য সম্পূৰ্ণ কৰাৰ (১৯৮৯-৯০) পাছত প্ৰয়োজনীয় পানী ধাৰণ কৰা বালি পোৱা নগ'ল।

**বিষয় ঃ জলসিঞ্চনৰ ব্যৱস্থা।**

**শ্ৰীভূপেন ৰায়ে সুধিছে ঃ**

৩০৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত কাকৈজানা, জোপেয়া, চাকলা, নায়াৰ পাৰা, কীৰ্ত্তন পাৰা, সৃজনগ্ৰাম, চক্ৰভূমি, বালাচৰ, গেলিপাৰা, আমবাৰী, বাবেগড়, মানিকপুৰ, ঝাওঁবাৰী আদি গাওঁ পঞ্চায়তৰ অন্তৰ্গত খেতি পথাৰ সমূহত চৰকাৰে জলসিঞ্চনৰ কিবা ব্যৱস্থা হাতত হৈছে নেকি?

(খ) যদি লোৱা নাই সেইসকল খেতিয়ক ৰাইজৰ পথাৰ সমূহত জলসিঞ্চনৰ ব্যৱস্থা কৰা নহয় নেকি?

শ্ৰীজেহিৰুল ইছলাম, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত নায়াৰপাৰা সৃজনগ্ৰাম বাবেগড়, মানিক পাৰা, গাওঁপঞ্চায়ত এলেকাত ঠাই বিশেষে জলসিঞ্চনৰ ব্যৱস্থা হাতত লোৱা হৈছে। অৱশ্যে কাকৈজানা, জোপেয়া, কীৰ্ত্তনপাৰা, চক্ৰভূম, বালাচৰ, গেলিপাৰা, আমবাৰী, আৰু ঝাওঁবাৰী গাওঁ পঞ্চায়ত এলেকাত জলসিঞ্চন ব্যৱস্থা এতিয়ালৈকে ল'ব পৰা হোৱা নাই।

(খ) উপৰোক্ত এলেকা সমূহৰ পৰা এতিয়ালৈকে জলসিঞ্চনৰ ব্যৱস্থাৰ কাৰণে কৃষক ৰাইজৰ পৰা প্ৰস্তাৱ বা দাবী পোৱা নাই। প্ৰস্তাৱ পোৱাৰ পিছত কাৰিকৰী সম্ভৱতঃ অনুসন্ধান কৰি উঠাৰ পিছত বিহীত ব্যৱস্থা লোৱা হ'ব।

## বিষয় ঃ অগ্নিকাণ্ডে ক্ষতি।

**শ্ৰীপ্ৰণব কুমাৰ নাথ জিজ্ঞাসা করছেন ঃ**

★ ৩০৯। মাননীয় সাহার্য্য ও পুনর সংস্থাপন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) বিগত ৭/০২/৯২ ইং শুক্রবারে রাত্রি অনুমানিক ৮ ঘটিকার সময় গ্রাম বসন্তপর, পোঃ নগেন্দ্র নগর নিবাসি অসহায় বিধৱা মহিলার বাস গৃহ সহ যাৱতীয় অগ্নিকাণ্ডে ভষ্মীভূত হয়, ক্ষতির পরিমাণ আনুমানিক ৬৩০০/- টাকা, এ ব্যাপারে সরকার অবহিত আছেনকি?

(খ) উক্ত অসহায় বিধৱা মহিলাকে রক্ষা করিবার জন্যে সরকার কি কি ব্যৱস্থা করিয়াছেন বিষদভাবে জানাবেন কি ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছেন,

(ক) হ্যা।

(খ) আসাম সাহায্য বিধির নিয়ম অনুসারে পাঁচশ টাকা পুনঃ সংস্থাপন মঞ্জুরী দেওঁয়া হয়েছে।

## বিষয় ঃ জোঙাল বলহুগড় মীন মহল।

**শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ**

★ ৩১০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বছৰত নগাওঁ জিলাৰ জোঙাল বলহুগড় মীন মহলৰ Ecohatchary Unit ৰ বাবে কিমান টকা দাৰ্য্য কৰিছিল?

(খ) উক্ত Unit টো এতিয়াও কাৰ্য্যক্ষম হৈ আছেনে আৰু যদি আছে ইয়াৰ উৎপাদন কিমান?

(গ) অসম চৰকাৰৰ উলুবাৰীত থকা মীন সঞ্চালকালয়ে মাছৰ পোনা উৎপাদনৰ বাবে কিমান টকা যোৱা বছৰত খৰছ কৰিছিল?

শ্ৰীচিলভিউছ কন্দপান, (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) Eco-Hatchery Unit ৰ বাবে যোৱা বছৰ কোনো টকা ধাৰ্য্য কৰা হোৱা নাছিল।

(খ) হয়, কাৰ্য্যক্ষম হৈ আছে। ১৯৯০-৯১ চনত ১০৯, ৮৫ লাখ ভ্ৰূণ পোনা উৎপাদন কৰা হৈছিল।

(গ) উলুবাৰীত কোনো মীন সঞ্চালকালয়ৰ কাৰ্য্যালয় নাই। কিন্তু তাত এখন মীন পোনা পামহে আছে।

বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত কামৰূপ জিলাৰ জিলা মীন উন্নয়ণ বিষয়াই যোৱা বছৰত উক্ত পামত পোনা উৎপাদনৰ বাবে ৪৬,০০০/- টকা খৰছ কৰিছিল।

## বিষয় ঃ ৰাজহ আদালত।

**শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ**

★ ৩১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত ৰাজহ আদালত গঠন কৰাৰ চৰকাৰৰ আঁচনি আছে নেকি?

(খ) যদি আছে, বৰ্ত্তমানলৈ ৰাজ্যখনত কিমানখন ৰাজহ আদালত গঠন কৰা হ'ল।

(গ) এই ৰাজহ আদালত গঠন কৰাৰ উদ্দেশ্য কি আৰু কি কি ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰি আদালতবোৰ গঠন কৰা হয় জনাবনে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) আছে। যোৱা ইং ১৯/১১/৯১ তাৰিখৰ পৰা অসমত এই আঁচনিৰ অন্তৰ্গত কাম নগাওঁ জিলাৰ টকৌবাৰীত আৰম্ভ কৰা হয়।

(খ) ৩৮ খন।

(গ) মাটি-বাৰীৰ সমস্যাবোৰ বহু বছৰ ধৰি নিষ্পত্তি নোহোৱাকৈ থকাত গঞা ৰাইজৰ বিশেষ অসুবিধা হয় আৰু ফলস্বৰূপে ৰাইজে সঘনে চক্ৰ বিষয়াৰ কাৰ্য্যালয়লৈ যাব লগীয়া হয়। নাইবা এইবোৰৰ সমাধানৰ বাবে মোকৰ্দমা আদিৰ জৰিয়তে নানা ভাবে জুৰুলা হ'ব লগা হয় আৰু অযথা টকা-পইচা খৰচ কৰিব লগা হয়।

এই সমস্যাবোৰ গাওঁত সহজতে সমাধান কৰি ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে চৰকাৰৰ দ্বাৰা "ৰাইজৰ আদালত" গঠনৰ নতুন আঁচনিখন লোৱা হৈছে। নামজাৰী বাটোৱাৰা, সীমা বিবাদ, একচনা পট্টা, ম্যাদিকৰণ আদি স্থানীয় মাটি-বাৰীৰ দাম নিজ গাওঁতে নিষ্পত্তি কৰাৰ সুবিধা ৰাইজে পাব।

এই আদালতবোৰ কৰা হয় অসম ভূমি আৰু ৰাজহ আইনৰ ৫৩ ক ধাৰামতে ভূমিলেখ্য নিয়মাৱলীৰ নিয়ম মতে।

## বিষয় ঃ বেদখলকাৰীক উচ্ছেদ।

**শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ**

★ ৩১২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ জিলাত কিমান চৰকাৰী খাছ মাটি বেদখল কৰি আছে আৰু উক্ত এলেকাসমূহ বেদখল মুক্ত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) বঙাইগাওঁ জিলাত সৰ্বমুঠ ১,০১,৯০৪ বিঘা ১৯ লেচা চৰকাৰী খাছ মাটি বেদখলত আছে। বেদখলকাৰী সকলৰ ভিতৰত যিসকল প্ৰকৃততে ভূমিহীন খেতিয়ক সেইসকলক যোগ্যতাৰ ভিত্তিত অসম ভূমি নীতি অনুসাৰে মাটিৰ আৱন্ট-পট্টন দি

দি নিয়মতি কৰণৰ ব্যৱস্থা লৈ থকা হৈছে। ইয়াৰ বাহিৰে অন্যান্য বেদখলকাৰী সকলক তেওঁলোকৰ দখলাধীন মাটিৰ পৰা উচ্ছেদ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

## বিষয় ঃ উত্তোলক আঁচনি।

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

৩১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ঢকুৱাখানা মহকুমাৰ অধীনত "উত্তোলক জলসিঞ্চন আঁচনি"ৰ (L.I.S.) মুঠ সংখ্যা কিমান?

(খ) উক্ত আঁচনি সমূহৰ দ্বাৰা মাটিত পানী যোগান দিয়া হৈছেনে?

(গ) যদি হৈছে ঢকুৱাখানা মহকুমাৰ মুঠ কিমান একৰ খেতিৰ মাটিত পানী যোগান দিয়া হয়?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) ঢকুৱাখানা মহকুমাৰ মুঠ উত্তোলিত জলসিঞ্চন আঁচনি সংখ্যা ১১ টা।

(খ) উক্ত আঁচনিবোৰৰ ৩ টা সম্পূৰ্ণ হোৱা আৰু ২ টা অৰ্ধ সম্পূৰ্ণ হোৱা আঁচনিৰ দ্বাৰা পানী দিয়া হৈছে। বাকী ৬ টা আঁচনিৰ কাম চলি আছে। কাম সম্পূৰ্ণ হলে সেই ৬ টা আঁচনিতো পানী দিব পৰা যাব।

(গ) মুঠ ১১৭৫ একৰ (৪৭০ হেঃ) খেতিৰ মাটিত এতিয়ালৈকে পানী যোগান ধৰা হৈছে।

## বিষয় ঃ সিংলাছড়া চা বাগান।

শ্ৰীরামপ্যারি রবি দাস জিজ্ঞাসা করছেন ঃ

৩১৪। মাননীয় শ্ৰম বিভাগর মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জেলার রাতাবারী সমষ্টির চরগোলা এবং সিংলাছড়া চা বাগান

দুটি ১৯৯০ ইংরাজীর এপ্রিল মাস হইতে (M/s Ramgajan Tea and Plantation Industries Pvt. Ltd.) ঐ বাগান দুটির পরিচালনার ভার গ্রহণ করছেন সরকার এই ব্যাপারে অবগত আছেন কি?

(খ) ঐ বাগান দুটির চা-চাষের উপযোগী জমিগুলো বহিরাগত (Outsiders) কর্ত্তৃক বে আইনীভাবে দখল করা হইতেছে সরকার এই ব্যাপারে অবগত আছে নেকি?

(গ) যদি অবগত থাকেন তবে ঐগুলি আসু রোধ করার জন্য এবং Garden area সীমা নির্দ্ধারণ (Demarcation) করার ব্যাপারে সরকার কি ব্যৱস্থা নিচ্ছেন?

শ্রীদিলেশ্বর তাঁতী (শ্রম মন্ত্রী)য়ে উত্তর দিচ্ছেন,

(ক) হ্যা। মহাশয়।

(খ) করিমগঞ্জ জেলা প্রশাসনের দ্বারা জানানো হয়েছে যে ১৯৯১ সনের ২১ শে আগষ্ট তারিখে জনৈকা শ্রীমতী সুনীতা আগারওরালা দলবল সহ বলপূর্বক সিংলাছড়া এবং মাগুরা ছড়া বাগান দুটিতে প্রবেশ করেন এবং কাঁচা চা পাতা অন্যান্য বাগানকে বিক্রী করতে আরম্ভ করেন। এই সম্পর্কে রাতাবাড়ী পুলিশ থানায় একটি মোকর্দ্দমা পঞ্জীভূক্ত করা হয়েছে।

(গ) উক্ত শ্রীমতী সুনীতা আগারওয়ালাকে বাগান থেকে পুলিশ কর্তৃক অপসারিত করা হয়েছে বলে জানা গিয়েছে।

## বিষয়ঃ কলিয়াবৰ মহকুমাত ২ টকীয়া চাউল।

**শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছেঃ**

★ ৩১৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কলিয়াবৰ মহকুমাত দুটকীয়া চাউল কোন কোন সুলভ মূল্যৰ দোকানৰ দ্বাৰা বিতৰণ কৰা হৈছিল। তালিকা সদনৰ মেজত ৰাখিব।

(খ) বৰ্ত্তমান চৰকাৰে এতিয়ালৈকে কিমান কুঃ চাউল সমবায় সমিতি সমূহত যোগান ধৰা হয়?

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) কলিয়াবৰ মহকুমাত দুটকীয়া চাউল যোগান ধৰা সুলভ মূল্যৰ দোকানৰ তালিকা সদনৰ মজিয়াত ৰখা হ'ল। (See the Annexure–I)

(খ) ২১৫৭৫ কুঃ চাউল এতিয়ালৈকে যোগান ধৰা হয়।

**Re. : Essential Commodities distributed under Public Distribution System.**

**Shri Padmeswar Doley asked :**

★ 316. Will the Minister, Food and Civil Supplies be pleased to state :

(a) Whether essential commodities under Public Distribution System item have been distributed in Majuli Sub-Division in 1991-1992 ?

(b) How many quintals of such commodities are distributed in 1991-92 in Majuli. Sub-Division ?

(c) What terms of essential commodities are generally distributed through Public Distribution System ?

(d) Is there any Government rate fixed item wise ?

Dr. Ardhendu Kumar Dey, (Minister, Food and Civil Supplies) replied :

(a) Yes.

(b) During 1991-92, total quantities of 3049.97 MT rice, 26.63 M.T. wheat, 597 MT levy suger and 1117 MT S.K. oil were distributed in Majuli Sub-Division.

(c) Rice, Wheat and Wheat products, levy sugar and Kerosene oil are distributed through the net-work of Public Distribution System for which allotment is received from Govt. of India on monthly basis and sub-allocated to the Deputy Commissioners/Sub-Divisional Officers from the Directorate of the Food and Civil Supplies for ultimate distribution of same to the Consumers.

(d) Yes. The Government fixed rate for the items distributed under Public Distribution System are as under depending on distance form F.C.I./I.O.C. Depot.

| | | | |
|---|---|---|---|
| Rice (common) | Rs. 4.19 | to | 4.37 per Kg. |
| Rice (Fine) | Rs. 4.85 | to | 5.03 per Kg. |
| Rice (S/fine) | Rs. 5.08 | to | 5.26 per Kg. |
| Atta | Rs. 3.53 | to | 3.71 per Kg (Atta) |
| Sugar | Rs. 6.90 per Kg. | | |
| S.K. Oil | Rs. 2.40 | to | 2.56 Litre. |

**Re. : Proposed to grant patta in char areas in Silchar Town.**

Shri Samarendra Nath Sen asked :

★ 317. Will the Minister, Revenue be pleased to state :

(a) Whether there is any proposal to grant pattas to the people living in char areas of kalibari char. Madhura ghat char, Idga ghat char. Now colony char in Silchar town ?

(b) If so, what ?

Shri Mukut Sarma (Minister, Revenue) reply :

(a) There is no proposal at present for giving pattas to the people living in Kalibari char. Madhura ghat char, Idga ghat char, Now colony char in Silchar town.

(b) Does not arise.

### বিষয় ঃ নদী ভঙ্গৰ ফলত দুৰ্ভিক্ষ।

**শ্ৰীনজমূল হকে সুধিছে ঃ**

৩১৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দক্ষিণ শালমাৰা আৰু লাহৰীঘাট বিধান সভা সমষ্টিত ব্যাপক নদী ভঙ্গ হোৱাৰ ফলত প্ৰায় ৫০ হেজাৰ মানুহৰ মাজত ভয়ানক দুৰ্ভিক্ষ দেখা দিয়াৰ কথা চৰকাৰে জানেনে?

(খ) এই ভয়ানক দুৰ্ভিক্ষৰ পৰা মানুহবোৰক ৰক্ষা কৰিবলৈ চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছেনে?

(গ) উক্ত নদী ভঙ্গৰ ফলত ক্ষতিগ্ৰস্ত মানুহবোৰক পুনৰ সংস্থাপন দিবলৈ অসম চৰকাৰৰ হাতত কিবা আঁচনি আছেনে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) দুৰ্ভিক্ষ হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) আছে।

## Unstarred
## Questions and Answers

### বিষয় ঃ মৌজাদাৰৰ সংখ্যা।

**শ্ৰীজীউৰাম বড়োই সুধিছে ঃ**

৪৩০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত মৌজা আৰু মৌজাদাৰ সকলৰ সংখ্যা কিমান আৰু তেখেতসকলক

শতকৰা কিমান টকাকৈ কমিশ্যন দিয়া হয়?

শ্ৰীমুকুট শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) অসম মুঠ ৩১৫ (তিনিশ পোন্ধৰ) খন মৌজা আৰু বৰ্ত্তমান ২৯৩ (দুশ তিৰানব্বৈ) জন মৌজাদাৰ আছে।

মৌজাদাৰ সকলক মৌজাৰ সাধনীৰ ওপৰত ভিত্তি কৰি তলত দিয়া হাৰত কমিশ্যন দিয়া হয়।

১। সাধনী ৫০.০০০ টকালৈকে কমিশ্যন শতকৰা ৩৫ টকা।

২। সাধনী ৫০,০০১ টকাৰ পৰাৰ ১ লাখ টকালৈ কমিশ্যন শতকৰা ৩০ টকা।

৩। সাধনী ১ লাখ টকাৰ ওপৰ হলে কমিশ্যন শতকৰা ২৫ টকা।

বিষয় ঃ বদৰপুৰ আৰু শিলচৰ খাদ্য নিগম।

**শ্ৰীমধুসুদন তেয়ারীয়ে জিজ্ঞাসা করছেন ঃ**

৪৩১। মাননীয় খাদ্য এবং অসামরিক সরবরাহ বিভাগর মন্ত্ৰী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) বর্ষা নামলেই যোগাযোগ ব্যৱস্থা ব্যাহত হয়, এই পরিপেক্ষিতে সরকার চাউল ও গম মজুত করেছেন কি? তার পরিমান কত?

(খ) বর্ষা নামার পূর্বে গুরুত্ব উপলব্ধি করে বরাক উপত্যকার করিমগঞ্জ, বদরপুর ও শিলচরের খাদ্য নিগমের গোদামে চাউল ও গম মজুত করার ব্যৱস্থা সরকার গ্রহণ করিবেন কি?

(গ) করিমগঞ্জ জিলার জন্য কি পরিমান কেরোসিন এলট করা হয়?

(ঘ) উক্ত জিলায় কেরোসিনের ভীষণ অভাবের কথা চিন্তা করে সরকার কেরোসিনের পরিমান বাড়াবেন কি?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) য়ে উত্তৰ দিছে,

(ক) বৰাক উপত্যকাৰ শিলচৰ, হাইলাকান্দি আৰু কৰিমগঞ্জৰ বাবে মাহিলি আৱন্তনৰ

চাউল আৰু ঘেঁহু তলত দিয়া ধৰণৰ ঃ

| | শিলচৰ | হাইলাকান্দি | কৰিমগঞ্জ | মুঠ |
|---|---|---|---|---|
| চাউল | ২৬৭০ মেঃ টঃ | ৭৫০ মেঃ টঃ | ১৪০০ মেঃ টঃ | ৪৮২০ মেঃ টঃ |
| ঘেঁহু | ২০০৯ মেঃ টঃ | ১০০ মেঃ টঃ | ১০০ মেঃ টঃ | ২২০৯ মেঃ টঃ |

উল্লেখিত আৱান্তিত সামগ্ৰীৰ তিনিগুণ যেনে চাউল— ১৪,৪৬০ টন আৰু ঘেঁহু ৬৬২০ টন উঠাই ৰাখিবৰ কাৰণে খাদ্য নিগমক কোৱা হৈছে।

(খ) ওপৰত উল্লেখ কৰা ধৰণে বৰাক উপত্যকাৰ কৰিমগঞ্জ বদৰপুৰ আৰু শিলচৰ খাদ্য নিগমৰ গুদামত চাউল আৰু ঘেঁহু মজুত কৰিবলৈ খাদ্য নিগমক কোৱা হৈছে।

(গ) কৰিমগঞ্জ জিলাৰ কাৰণে বৰ্ত্তমান কেৰাচিন আৱন্তন মাহিলি ৭০ মেঃ টঃ।

(ঘ) যোৱা ফেব্ৰুৱাৰী মাহৰ আৱন্তন ৬৯০ মেঃ টঃ তকৈ মাৰ্চ মাহত আৱন্টন ৭১৫ মেঃ টঃ লৈ বৃদ্ধি কৰা হৈছে। বৰ্ত্তমানে ভাৰত চৰকাৰৰ পৰা মাহে পোৱা ২০,৫৫৮ মেঃ টঃ কেৰাচিন আৱশ্যকৰণ হৈছে আৰু মাহে ২৫০০০ মেঃ টঃ আৱন্টন কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰি থকা হৈছে। অসমৰ আৱন্টনক বৃদ্ধি কৰিলে কৰিমগঞ্জৰ বাবে ও আৱন্টন বৃদ্ধি পাব।

**Re. : Land Acquired out of Celling**

Shri Parameswar Barhman, asked :

432. Will the Minister, Revenue be please to state :–

(a) The number of land less people that have been given celling surplus land and the number of Tribal people amount them ?

Shri Mukut Sarma (Minister of Revenue) replied :

(a) 3,77,379 (Three Lakhs seventy seven thousand three hundred seventy nine) persons/families have been given celling Acquired

land out of which 33,205 (thirty three thousand two hundred and five) are tribal.

বিষয় ঃ ভূমিহীন পৰিধান।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

৪৩৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাট সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত গৃহহীন ও ভূমিহীন হোৱা পৰিয়াল সমূহক পুনঃ সংস্থাপনৰ বাবে চৰকাৰে কোনো আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰিছে, আঁচনিসমূহ কি কি আৰু উক্ত আঁচনিৰ ভিতৰত যোৰহাট সমষ্টিৰ ককিলা গাওঁৰ কোন পৰিয়াল অন্তৰ্ভূক্ত হৈছে নেকি?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) হয়, গড়া খহনীয়াত যিবোৰ পৰিয়াল কেৱল ভূমি হেৰুৱাইছে সেইবোৰ পৰিয়ালৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে।

(খ) ভিন ভিন বিভাগৰ সমন্বয়ত ৰূপায়ণ কৰিবলৈ লোৱা আঁচনি সমূহ হ'ল— সৰ্বনিম্ন প্ৰযোজনীয় কাৰ্য্যক্ৰমৰ গৃহ স্থান আঁচনি, (Minimum needs programme house sites scheme) জৱাহৰ ৰোজগাৰ যোজনা, গ্ৰামোন্নয়ন কাৰ্য্যক্ৰম, (Intensified Rural Development Programme) গ্ৰাম্য স্বাস্থ্য ৰক্ষা, গ্ৰাম্য বৈদ্যুতিকৰণ আৰু গ্ৰাম্য পানী যোগান আদি আঁচনি। এই আঁচনিত সমগ্ৰ ককিলা গাওঁ খনকেই সামৰি লোৱা হৈছে।

**Re. : Scheme under T.S.P.**

Shri Kamal Brahma asked,

434. Will the Minister of Fisheries be pleased to state :

(a) Number of Fishery Schemes taken by the Government for 1992-93 ?

(b) What steps will taken by the Government for the inclusion of such Schemes in Bodo areas ?

Shri Silvius Condpan (Minister, Fisheries) replied :

(a) 31 (Thirty one) nos.

(b) The Schemes under Tribal Sub-plan provides benefits for the Tribal people including Books. In addition, the tribal people including Bodos derive benefits from General Scheme also.

## বিষয় ঃ D.T.W. আঁচনি।

৪৩৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

সৰুপথাৰ সমষ্টিত গন্ধকৰে পথাৰ, চুকীয়া পথাৰ, পানজান পথাৰ, নাহৰবাৰী পথাৰ, ওপৰ লাংঠী পথাৰ, খুবাজান পথাৰ, পংকা বৰ চাপৰি পথাৰ, বিলগাওঁ পথাৰ, পাতজান পথাৰ, চকলি মিৰি পথাৰ, জৰীপ বাৰি চলিত বিত্তীয় বছৰত D.T.W. আঁচনি মঞ্জুৰী কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

সৰুপথাৰ সমষ্টিৰ নাহবাৰী পথাৰ আৰু বৰচাপৰি পথাৰ সামৰি এটা D.T.W. আঁচনিৰ (মুঠ ২টা D.T.W. Point) প্ৰশাসনীয় অনুমোদন এই বিত্তীয় বছৰত (১৯৯১-৯২) দিয়া হৈছে।

বাকী গন্ধকৰৈ পথাৰ, চুকীয়া পথাৰ, পানজান পথাৰ, ওপৰ লাংঠী পথাৰ, খুৰাজান পথাৰ, বিলগাওঁ পথাৰ, চকলি মিৰি পথাৰত ধনৰ নাটনিৰ কাৰণে চলিত বিত্তীয় বছৰত D.T.W. আঁচনি ল'ব পৰা নগ'ল।

**Re. : Allotment of land for landless families.**

Shri Karendra Basumatary asked,

436. Will the Minister of Revenue be pleased to state.

(a) How many Bighas of land have been alloted for settlement to the landless families in Assam by the present Govt. so for ?

(b) Whether such land has also been alloted to Tribal people ?

Shri Mukut Sarma (Minister, Revenue), replied,

(a) Land measuring 43,558 Bhighas 4 Kathas 16 Lechas (approximately) have been given allotment/settlement to the landless families in Assam by the present Govt. so far.

(b) Yes. 2986 Nos. of landless Tribal families have been given allotment/sattlement of land measuring an area of 4002 Bighas 3 Kathas 4 Lechas in different Districts.

**বিষয়ঃ দ্বীপৰ বিলৰ মাষ্টাৰ প্লেন।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৪৩৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পশ্চিম গুৱাহাটীৰ দ্বীপৰ বিলৰ ক্ষেত্ৰত চৰকাৰে কিবা মাষ্টাৰ প্লেন কৰাৰ কথা চিন্তা কৰিছে নেকি ?

(খ) যদি কৰা নাই, কৰাৰ চিন্তা কৰিব নেকি?

শ্ৰীছিলভিউছ কন্দপান (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক মীন উন্নয়ণ নিগমৰ অধীনত থকা দ্বীপৰ বিলৰ উন্নয়নৰ ক্ষেত্ৰত কোনো উন্নয়ন মূলক আঁচনি লোৱা হোৱা নাই।

(খ) ভৱিষ্যতে বিশ্বখাদ্য আঁচনিৰ পৰৱৰ্ত্তী সম্প্ৰসাৰণ আঁচনি সাহাৰ্য্য পালে উন্নয়ণ কৰা চিন্তা কৰা হৈছে।

## বিষয় ঃ আই, টি, আই

**শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ**

৪৩৮। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত মুঠ কিমান খন I.T.I. আছে ?

(খ) এই I.T.I. সমূহৰ কোন খনত কি বিষয়ে আৰু প্ৰতিটোৰ বিষয়ত প্ৰশিক্ষণ লৈ থকা ছাত্ৰৰ সংখ্যা কিমান?

(গ) প্ৰতিখন I.T.I. ৰ প্ৰতিটো বিষয়ত ভৰ্ত্তি হোৱা ছাত্ৰৰ সংখ্যা (চলিত বছৰত) আৰু বিষয় অনুসাৰে নিয়োগ কৰা প্ৰশিক্ষকৰ সংখ্যা কিমান ?

শ্ৰীছিলভিউছ কন্দপান (নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ২১ (একইশ) খন আই, টি, আই আছে।

(খ) প্ৰশ্নৰ উত্তৰ প্ৰবিৰণ (Statement) তলত দিয়া হ'ল।

(See the Annexure II)

## বিষয় ঃ করিমগঞ্জে জলসেচ প্রকল্প।

**শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ**

৪৩৯। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জেলার লঙ্গাই, তেলীসালের প্রকল্পটি অদ্যাবধি চালু না হওয়ার কারণ কি?

(খ) সরকার বর্ত্তমান অর্থবছরে দক্ষিণ করিমগঞ্জ এলাকার কয়টি নতুন জলসেচ প্রকল্প চালু করিবেন?

শ্রীজেহিরুল ইছলাম (জলসিঞ্চন মন্ত্রী)য়ে উত্তর দিছে,

(ক) লঙ্গাই তেলখাল নামের কোনো জলসেচ প্রকল্প করিমগঞ্জে জেলায় নাই।

(খ) বর্ত্তমান আর্থিক বছরের ভিতরে কোনো নতুন জলসেচ প্রকল্প চালু হওয়ার সম্ভাবনা নাই। অরণ্য নিম্নলিখিত প্রকল্প বুলি এই আর্থিক বছরের মধ্যেই চালু করার

জন্য নিৰ্দিষ্ট ছিল। কিন্তু প্ৰত্যেকটি প্ৰকল্পে সামান্য কিছু কাজ বাকী থাকাৰ জন্য চালু সম্ভৱ হয় নাই। প্ৰকল্প গুলি আগামী মে মাসের মধ্যেই চালু করার সম্ভাবনা আছে।

১। লোহার পারা গভীর নলকুপ প্ৰকল্প — ২ নং পইন্ট।

২। লোহার পারা গভীর নলকুপ প্ৰকল্প — ৩ নং পইন্ট।

৩। ফারামপাশা গভীর নলকুপ প্ৰকল্প — ১ নং পইন্ট।

৪। ফারামপাশা গভীর নলকুপ প্ৰকল্প — ২ নং পইন্ট।

৫। সিংগারীয়া গভীর নলকুপ প্ৰকল্প

৬। কনকপুর গভীর নলকুপ প্ৰকল্প

৭। ব্ৰজেন্দ্ৰ নগর গভীর নলকুপ প্ৰকল্প

## বিষয় ঃ পাগলাদিয়া নদীৰ দ্বাৰা ক্ষতিগ্ৰস্ত পৰিয়াল।

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

৪৪০। মাননীয় সাহাৰ্য্য ও পুনসংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰমা সমষ্টিৰ কদমতোলা গাঁৱত পাগলাদিয়া নদীয়ে যোৱা বছৰৰ বানপানীত ১৪ ঘৰ মানুহৰ ঘৰ-দুৱাৰ ভাঙি নিয়াটো চৰকাৰ অৱগতনে?

(খ) এইটো কথাও সঁচানে যে উক্ত ১৪ টা পৰিয়ালে বৰ্ত্তমানে এখন খেল পথাৰত আশ্ৰয় লৈ আছে?

(গ) এইটো কথাও সঁচানে যে বাৰে বাৰে S.D.C. ৰ লগত যোগাযোগ কৰা স্বত্বেও কোনো ধৰণৰ আৰ্থিক সাহাৰ্য্য পোৱা নাই?

(ঘ) বৰ্ত্তমানে আৰ্থিক সাহাৰ্য্য দিবনে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক)
(খ)
(গ)
(ঘ) — তথ্য বিচৰা হৈছে।

## বিষয় ঃ বাস্কা অঞ্চলত কেৰাচিন তেলৰ ডিপো।

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

৪৪১। মাননীয় খাদ্য ও যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সমগ্ৰ বাস্কা অঞ্চলত কেৰাচিন তেলৰ ডিপো নথকাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত হয়, বাগান পাৰাত কেৰাচিন ডিপো খোলাৰ যাৱতীয় ব্যৱস্থা চৰকাৰে লবনে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য ও যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) সমগ্ৰ বাস্কা অঞ্চলত কেৰাচিন তেলৰ ডিপো নথকাটো সঁচা নহয়। বাস্কা অঞ্চলৰ মছলপুৰত এটা কেৰাচিন তেলৰ ডিপো আছে।

(খ) বাস্কা অঞ্চলৰ বাগানপাৰাত কেৰাচিন তেল ডিপো খোলাৰ আবেদন চৰকাৰৰ হাতত নাই।

## বিষয় ঃ অভিলাষী আঁচনি।

**শ্ৰীৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

৪৪২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ অন্তৰ্গত টীয়ক আদি খেতি প্ৰধান অঞ্চলত খেতিৰ উৎপাদন বঢ়াবলৈ ব্ৰহ্মপুত্ৰৰ পৰা ৰাজস্থানৰ কেনেলৰ আৰ্হিত বৃহৎ উত্তোলন জলসিঞ্চন আঁচনি (Major lift Irrigation scheme) ৰ পৰিকল্পনা হাতত লবনে?

(খ) এইটো সঁচানে যে পৰিকল্পনা আয়োগে সপ্তম আৰু অষ্টম পৰিকল্পনাত কোনো নতুন বৃহৎ বা মজলীয়া আঁচনি মঞ্জুৰ কৰা নাই?

(গ) ডিব্ৰুগড় জিলাৰ বুঢ়িদিহিং উত্তোলন জলসিঞ্চন আঁচনি (মজলীয়া) এতিয়ালৈকে সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণ কি?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) এতিয়ালৈকে এনেধৰণৰ পৰিকল্পনা হাতত লোৱা নাই।

(খ) ৭ম পৰিকল্পনাত বৃহৎ বা মজলীয়া আঁচনি লোৱা হোৱা নাই। ৮ম পৰিকল্পনাত ১১ খন মজলীয়া জলসিঞ্চন প্ৰকল্পৰ প্ৰস্তাৱ দিয়া হৈছে। কিন্তু এতিয়ালৈকে অনুমোদন হোৱা নাই।

(গ) নদীয়ে চমু পথ লোৱাৰ পানী উত্তোলনৰ মূল স্থানৰ (lift point) পৰিৱৰ্ত্তন, মাটি অধিগ্ৰহণৰ সমস্যা, অসম আন্দোলন, চিমেন্টৰ নাটনি, আৰম্ভণি কেইবছৰত প্ৰয়োজন সাপেক্ষে আৱন্টনৰ অভাৱ, মাটিৰ অধিগ্ৰহণ নোপোৱাত পট্টাদাৰৰ বাধা আৰু ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ওপৰত থকা পুল নিৰ্মাণ নোহোৱা কাৰণেই উক্ত আঁচনিখন এতিয়াও সম্পূৰ্ণ হোৱা নাই।

## বিষয় ঃ জলসিঞ্চনৰ নতুন আঁচনি।

**শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ**

৪৪৩। জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত জলসিঞ্চনৰ নতুন আঁচনি লোৱা হৈছেনে?

(খ) যদি হৈছে, আঁচনি সমূহৰ নাম আৰু প্ৰতি আঁচনিৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) ১৯৯১-৯২ চনত জলসিঞ্চনৰ নতুন আঁচনি নিৰ্বাচন কৰা হৈছে। কিন্তু ১৯৯২-৯৩ চনৰ বাবে এতিয়াও আঁচনি তালিকাখনৰ চূড়ান্ত ৰূপ দিব পৰা হোৱা নাই।

(খ) ১৯৯১-৯২ চনৰ নিৰ্বাচিত আঁচনি সমূহৰ নাম আৰু ধাৰ্য্য কৰা টকাৰ পৰিমাণ সহ-তালিকাত দেখুওৱা হৈছে (তালিকা সংলগ্ন কৰা হৈছে।)

(See the Annexure-III)

## বিষয় ঃ ভূমিহীনক মাটি পট্টন।

**শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ**

৪৪৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ভূমিহীন খেতিয়ক সকলক মাটিৰ পট্টা দিয়াৰ বাবে বৰ্ত্তমান চৰকাৰে কি ব্যৱস্থা হৈছে ?

**শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,**

(ক) ১৯৮৯ চনৰ নতুন অসম ভূমি নীতিৰ ১:১ আৰু ১:৩ দফামতে গ্ৰাম্য অঞ্চলত কোনো মাটি নথকা ভূমিহীন লোকক খেতিৰ বাবে ৭ (সাত) বিঘা আৰু বাসস্থানৰ বাবে ১ (এক) বিঘা পৰ্য্যন্ত চৰকাৰী মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা আছে। এই সন্দৰ্ভত সকলো জিলাৰ উপায়ুক্ত আৰু মহাকুমাধিপতিক বিহীত ব্যৱস্থা লবলৈ চৰকাৰৰ ২৩/১/৯০ তাৰিখৰ চিঠি নং তাৰ এচ এচ ৩৬/৮৯/৪৯ ৰ যোগেদি যথোপযুক্ত নিৰ্দ্দেশ দিয়া আছে।

## বিষয় ঃ সস্তীয়া দোকান।

**শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ**

৪৪৫। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সস্তীয়া দোকানৰ সংখ্যা কিমান ?

(খ) কি কি সামগ্ৰী সস্তীয়া দোকানৰ যোগে বিক্ৰী কৰা হয় ?

(গ) প্ৰতি সপ্তাহত প্ৰতিজন মানুহৰ বাবে কিমান চাউল, চেনী, আটা এই দোকানৰ জৰীয়তে যোগান ধৰা হয় ?

(ঘ) সস্তীয়া দোকান যোগে বিক্ৰী কৰা চাউল আৰু চেনীৰ প্ৰতি কেজিৰ দাম যোগে ১৯৯১ চনৰ মাৰ্চ মাহত কিমান আছিল আৰু বৰ্ত্তমান দাম কিমান ?

**ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,**

(ক) অসমত বৰ্ত্তমান ২৬৯৯৫ খন সুলভ মূল্যৰ দোকান সমবায় সমিতিৰ এজেন্ট

আছে। তাৰে ভিতৰত ৩১৩৬ খন চহৰ অঞ্চলত আৰু ২৩,৮৫৯ খন গাওঁ অঞ্চলত আছে।

(খ) নিয়ন্ত্ৰিত আৰশ্যকীয় সামগ্ৰী যেনে, চাউল, চেনী, আটা, আৰু কেৰাচিন তেল বৰ্ত্তমান উক্ত দোকান-এজেন্টৰ যোগে গ্ৰাহকক যোগান ধৰি থকা হৈছে।

(গ) সপ্তাহ ভিত্তিত প্ৰতিজন মানুহৰ বাবে চাউল, চেনী আৰু আটা এই দোকানৰ জৰিয়তে বিতৰণ কৰা নহয়। মাহিলি ভিত্তিতহে প্ৰতিজন মানুহৰ বাবে উক্ত সামগ্ৰী বিক্ৰী কৰা হয়।

(ঘ) সুলভ মূল্যৰ দোকান-সমবায় সমিতিৰ এজেন্টৰ জৰিয়তে বিক্ৰী কৰা চাউল আৰু চেনীৰ প্ৰতি কেজিৰ দাম যোৰা ১৯৯১ চনৰ মাৰ্চ মাহত থকা আৰু বৰ্ত্তমান থকা দাম তলত দেখুৱা হ'ল—

১৯৯১ চনৰ মাৰ্চ মাহত থকা সামগ্ৰীৰ দাম প্ৰতি কেজি ২৮/১২/৯১ ৰ পৰা বৰ্ত্তমান থকা দামৰ কেজি—

| | | | |
|---|---|---|---|
| চাউল | (মোটা) | ৩.২২—৩.৪০ টকা | ৩.৬৪—৩.৮২ টকা |
| | (লাহী) | ৩.৮৮—৪.০৬ টকা | ৪.৩০—৪.৪৮ টকা |
| | (জহা) | ৪.১১—৪.২৯ টকা | ৪.৫৩—৪.৭১ টকা |
| চেনী | | ৬.১০ টকা | ৬.৯০ টকা |

## Re. : Subsidised rate under ITDP

**Shri Holiram Terang asked :**

446. Will the Minister of Food and Civil Supplies be pleased to state :

(a) Whether the scheme of supplying rice at specially subsidised rate under ITDP is being implemented in the autonomous Hill Districts of Assam ?

(b) If so, since when and for how long the said scheme shall continue ?

(c) The quantity of rice alloted monthly district wise ?

Dr. Ardhendu Kr. Dey (Minister, Food and Civil Supplies) replied,

(a) Yes.

(b) The scheme has been introduced in the autonomous districts since April 1990 and will continue till the central Govt. allow it.

(c) The quantity of rice alloted month wise since, January, 1992 to current month are 1599, 1634 and 1674 MT in Karbi Anglong district and 999. 1004 and 959 MT in the district of N.C. Hills respectively.

## বিষয় ঃ উত্তোলক জলসিঞ্চন আঁচনি

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

৪৪৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলকগঞ্জ সমষ্টি এলেকাত কিমানটা নতুন উত্তোলক জলসিঞ্চন আঁচনিৰ প্ৰাক্কলন যুগুতোৱা হৈছে ?

(খ) সেইবোৰৰ নাম কি আৰু সেই আঁচনিবোৰ বৰ্ত্তমান কি অৱস্থাত আছে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) এটা।

(খ) গোৱালননী উত্তোলিত জলসিঞ্চন আঁচনি। প্ৰাক্কলনটো প্ৰশাসনিক অনুমোদনৰ বাবে পৰীক্ষাধীন হৈ আছে।

## বিষয় ঃ অসংগঠিত শ্ৰমিক

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

৪৪৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গাওঁ অঞ্চলৰ অসংগঠিত শ্ৰমিক সকলৰ কাম পোৱাৰ নিশ্চয়তা আৰু সৰ্বনিম্ন মজুৰী পোৱাৰ ব্যৱস্থা কি দৰে কৰা হৈছে ?

(খ) তাৰ বাবে শ্ৰম দপ্তৰে কি কি আঁচনি গ্ৰহণ কৰিছে ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) গাওঁ অঞ্চলত থকা অসংগঠিত শ্ৰমিক সকলে কাম পোৱাৰ নিশ্চয়তা নিৰ্ভৰ কৰে কৃষি, পশুপালন ইত্যাদি বিভাগবোৰৰ উন্নতিৰ লগতে এই বিভাগবোৰে কেনেকৈ মাটিৰ গভীৰ (Intensive) ব্যৱহাৰিতা কাৰ্য্যকৰী কৰে তাৰ ওপৰত। শ্ৰমিক সকলে যাতে ন্যুনতম মজুৰী পোৱাৰ পৰা ব্যাহত নহয় সেইটো সুনিশ্চিত কৰাৰ বাবে অসমৰ ৩৮ জন শ্ৰম পৰিদৰ্শকক (কৃষি) নিযুক্তিত দিয়া হৈছে।

(খ) চৰকাৰে শ্ৰম দপ্তৰৰ অধীনত কৃষি বনুৱা সকলৰ বাবে এখন আঁচনি ১৯৮৪-৮৫ চনত গ্ৰহণ কৰিছে। "Strengthing of inspector Machinery at the Block level for effective enforcement of minimum wages rates for Agricultural Labours and other rural workers." নামৰ আঁচনিখন গ্ৰহণ কৰা হৈছে।

## বিষয় ঃ রাইস মিলের লাইসেন্স।

**শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ**

৪৪৯। খাদ্য দ্রব্য অসামরিক বিভাগের মাননীয় মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ঃ

(ক) সমগ্র আসামে সরকার কয়টি রাইস মিল এর লাইসেন্স দেবেন ?

(খ) প্রতিটি নির্বাচন চক্র এলাকায় কয়টি করে ?

(গ) লাইসেন্স গুলি কি পদ্ধতিতে দেওয়া হবে ?

(ঘ) শিক্ষিত বেকার যুবকদিগকে অগ্রাধিকার দেওয়া হবে কি ?

(ঙ) Mini Modern এর পরিবর্তে 5 horse power rice mill এর লাইসেন্স দেওয়ার কোনরূপ পরিকল্পনা আছে কি?

ডাঃ অর্দ্ধেন্দু কুমার দে (খাদ্য এবং অসামরিক যোগান বিভাগের মন্ত্রী)য়ে উত্তর দিছেন,

(ক) ৭৪৩ টি অনুজ্ঞাপত্র দেওয়া হবে।

(a) (743 Permits)

(খ) এখনও কোনও সিদ্ধান্ত নেওয়া হয়নি।

(b) (No decision has yet been taken)

(গ) বর্ত্তমানে কেবল চাউল এবং চিড়া মিল স্থাপনের জন্য অনুমতিপত্র দেওয়া হবে। অনুমতিপত্রের শর্ত্ত ও নিয়ম মিল স্থাপন করলে অনুজ্ঞাপত্র দেওয়া হবে।

(c) (Only permits for installation of Rice/Chira Mill will be granted now licence will be granted only Mills as per terms and conditions of the permit to be granted.)

(ঘ) এই বিষয়ে এখনও কোন সিদ্ধান্ত নেওয়া হয়নি।

(d) (No decision has yet been taken in this regard)

(ঙ) না।

(e) (No)

## বিষয় ঃ করিমগঞ্জ জিলায় Land Advisory বোর্ড গঠন।

**শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ**

৪৫০। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ Land Advisory বোর্ড গঠন করা হয়েছে কি ?

(খ) যদি হয় তাহলে কতজন সদস্যদের নিয়া গঠন করা হয়েছে এবং তাহাদের নাম ও ঠিকানা জানাবেন কি ?

শ্রীমুকুট শর্মা (রাজহ মন্ত্রী)য়ে উত্তর দিছেন,

(ক) হয়েছে।

(খ) ৩৪ জন সদস্য নিয়ে গঠন করা হয়েছে। নাম ঠিকানা সহ বিজ্ঞপ্তির নকল সঙ্গে দেওয়া হলো (See the Annexure– IV)

বিষয় ঃ ন্যায্য মূল্যর দোকান খোলার অনুমতি।

শ্রীপ্রণব কুমার জিজ্ঞাসা করছেন ঃ

৪৫১। মাননীয় খাদ্য এবং অসামরিক যোগান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ চহর এলাকা ও জিলার অন্য এ নতুন সরকার কোন কোন তারিখে কয়টি ন্যার্য্য মূল্যের দোকান খোলার অনুমতি দিয়াছ্নে— প্রত্যেকর নাম ও ঠিকানা ও এলকার নাম জানাবে কি?

(খ) এব্যাপারে করিমগঞ্জ জিলা কর্ত্তৃপক্ষ স্থানীয় বিধায়কদের অবহিত না করার কারণ কি?

ডাঃ অর্ধেন্দু কুমার দে, (খাদ্য এবং যোগান মন্ত্রী) য়ে উত্তর দিচ্ছেন,

(ক) নতুন চৰকাৰৰ কাৰ্য্যকালৰ ভিতৰত কৰিমগঞ্জ চহৰত ২৫ খন আৰু বদৰপুৰত ৬ খন সুলভ মূল্যৰ দোকান খোলা হৈছে। (দোকানৰ নাম ওঁ ঠিকনা গাঠি দিয়া হ'ল) (See the Annexure–IV)

(খ) সুলভ মূল্যৰ দোকান খোলা সম্পৰ্কে স্থানীয় বিধায়কক জনোৱা নহয়। জিলা কৰ্ত্তৃপক্ষই অসম ৰাজহুৱা সামগ্ৰী বিতৰণ বিধি ১৯৮২ (The Assam Public Distribution of Articles order, 1982)ৰ আধাৰত বিহিত তদন্ত সাপেক্ষে নতুন সুলভ মূল্যৰ দোকান খোলাৰ নিৰ্দ্দেশ দিয়ে। এই ক্ষেত্ৰত স্থানীয় বিধায়কৰ অনুমোদন পালে তাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।

## বিষয় ঃ নিয়োগ বিনিময় কেন্দ্ৰ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪৫২। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন ঠাইত কিমানটা নিয়োগ বিনিময় কেন্দ্ৰ আছে আৰু বৰ্ত্তমানলৈকে ইয়াৰ সংখ্যা কিমান ? (তালিকা সদনৰ মজিয়াত ৰাখিব)

(খ) অসম চৰকাৰ/ ব্যক্তিগতখণ্ড/ৰাজহুৱা খণ্ড/ কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যালয় সমূহত নিযুক্তি পাবৰ বাবে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীভূক্ত কৰাতো বাধ্যতামূলক নে ?

শ্ৰীচিলভিউছ কন্দপান (নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) বৰ্ত্তমান অসমৰ বিভিন্ন ঠাইত মুঠ ৫৩ (তেপান্ন) টা নিয়োগ বিনিময় কেন্দ্ৰ আছে।

(বিভিন্ন ঠাইত অৱস্থিত নিয়োগ বিনিময় কেন্দ্ৰৰ এখন তালিকা সন্নিবিষ্ট কৰা হ'ল)

(See the Annexure- VI)

(খ) নহয়। কৰ্মত নিয়োগ পাবৰ বাবে প্ৰাৰ্থীয়ে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জিভূক্ত কৰাটো বাধ্যতামূলক কৰা হোৱা নাই।

## বিষয় ঃ স্থায়ী মজদুৰৰ সংখ্যা।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৪৫৩। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মুঠ কিমান খন চাহ বাগিছা ভৱিষ্যনিধি আঁচনিয়ে সামৰি লৈছে ?

(খ) ২৫ একৰৰ ওপৰ আৰু ১৫০ একৰৰ কম কিমান খন বাগিছা আছে।

শ্ৰীদিলেশ্বৰ তাঁতি (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) অসম চাহ বাগিছা ভৱিষ্যনিধি আৰু বৃত্তিনিধি আঁচনিয়ে সৰ্বমুঠ ৭৫৫ খন বাগিছাক সামৰি লৈছে।

(খ) ২৫ একৰৰ ওপৰ আৰু ১৫০ একৰৰ কম বাগিছাৰ সংখ্যা হ'ল ১৩৫ খন।

## বিষয় ঃ নুন্যতম মজুৰী

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৪৫৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰে ঘোষণা কৰা নুন্যতম মজুৰী তিনিচুকীয়া জিলাৰ কিমানখন চাহ বাগিছাত দি থকা নাই ?

(খ) বাগিছাৰ মজদুৰক নুন্যতম্ মজুৰী দিয়াবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈ তিনিচুকীয়া জিলাৰ ৪৪ খন চাহ বাগিছাৰ মজদুৰ সকলক নুন্যতম মজুৰী দিয়া হোৱা নাই।

(খ) ১৯৯০ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত চৰকাৰে জাৰি কৰা অধিসূচনাখন শ্ৰম আয়ুক্তৰ কাৰ্য্যালয়ৰ অধীনৰ সকলোবোৰ ক্ষেত্ৰ বিষয়াকে সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু ক্ষেত্ৰ বিষয়া সকলে এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিছে।

ওপৰঞ্চি ওপৰৰ ৪৪ খন চাহ বাগিছা Small Tea Growers' Association ৰ অন্তভূৰ্ক্ত হোৱা বাবে এই সদস্য সকলৰ লগত চৰকাৰৰ যোৱা জানুৱাৰী মাহত আলোচনা হৈছিল আৰু তেওঁলোকে বিচৰামতে চৰকাৰৰ ঘোষিত নুন্যতম মজুৰী দুটা কিঞ্চিত দিবলৈ কোৱা হৈছে।

## বিষয় ঃ মাটি সম্পৰ্কীয় পৰামৰ্শদাতা কমিটি।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৪৫৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯০-৯১ চনত মাৰ্ঘেৰিটা মহকুমাৰ বাবে থকা মাটি সম্পৰ্কীয় পৰামৰ্শদাতা কমিতি খন কোন কোন তাৰিখে বহিছিল ?

(খ) উক্ত কমিটিৰ জৰীয়তে কিমান জনক মাটি আৱন্টন দিছে ?

(গ) আৰন্টন দিয়া লোকৰ সকলো পত্ৰ চৰকাৰলৈ পঠোৱা হ'ল নে আৰু যদি হোৱা নাই কিয় হোৱা নাই ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) (২৭/১১/৯০/), (১৮/০২/৯১), (১৯/০২/৯১), (১৪/০৮/৯১) আৰু ২০/৮/৯১ তাৰিখে বহিছিল।

(খ) ২৯৫ (দুই পঞ্চানব্বই) জন ব্যক্তিৰ আৰন্টনৰ ছুপাৰিশ কৰা হৈছে।

(গ) পঠোৱা হোৱা নাই। কিয়নো আৰন্টন পোৱা সকলৰ নাম চৰকাৰলৈ পঠোৱাৰ বৰ্ত্তমানলৈ নিয়ম নাই।

## বিষয় ঃ ক'ল ইণ্ডিয়াক মাটি লিজৰ ব্যৱস্থা।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৪৫৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে কিমান বিঘা মাটি মাৰ্ঘেৰিটাত থকা কল ইণ্ডিয়াক লিজত দিছে আৰু কিমান বছৰলৈ দিয়া হৈছে।

(খ) মাৰ্ঘেৰিটাত থকা কল ইণ্ডিয়াৰ কিমান মাটি সাধাৰণ ৰাইজে ৩০/৪০ বছৰ ধৰি ভোগ দখল কৰি খাই আহিছে।

(গ) উক্ত ভোগ দখল কৰি থকা মাটিৰ বাবদ কল ইণ্ডিয়াই ৰাইজৰ পৰা কি হাৰত খাজনা লব?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) অসম চৰকাৰে ১৯৭৩ চনত মুঠ ১৯,৩১৫ বিঘা ৩ কঠা ১৯ লেচা মাটি মাৰ্ঘেৰিটাত থকা কল ইণ্ডিয়াক ৩০ বছৰৰ বাবে লিজত দিচিল বুলি উপায়ুক্তৰ পৰা জনা হৈছে।

(খ) উপায়ুক্তৰ পৰা এই সম্পৰ্কত তথ্য পোৱা নাই। ইতিমধ্যে বিচৰা হৈছে।

(গ) ঐ।

## বিষয় ঃ ভূমি আৱন্টনৰ ব্যৱস্থা।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

৪৫৭। মাননীয় ৰাজহ ও ভূমি সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমিহীন লোকক ভূমি আৱন্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা নীতি কি?

(খ) ভূমিহীন এজন লোকে চৰকাৰী ভূমি পাবলৈ কালৈ আৰু কি দৰে আবেদন কৰিব লাগে?

(গ) বৰ্তমান চৰকাৰখনে এতিয়ালৈকে কিমানজন ভূমিহীন লোকক ভূমি আৱন্টন কৰিলে?

(ঘ) ভূমিহীন এজন লোকৰ ভূমি আৱন্টন পাবৰ বাবে কৰা আবেদন গ্ৰাহ্য কৰা বা নকৰা প্ৰক্ৰিয়া কি দৰে সম্পন্ন কৰা হয়?

শ্ৰীমুকুট শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

(ক) ১৯৮৯ চনৰ ভূমিহীন উক্ত ভূমিনীতিৰ ১ দফা মতে ভূমিহীন কৃষকক ৭ বিঘা খেতিৰ মাটি আৰু ১ বিঘা ঘৰ বস্তিৰ বাবে মাটি দিয়াৰ নীতি আছে।

(খ) ভূমিহীন এজনলোকে প্ৰথমে সংশ্লিষ্ট উপায়ুক্ত মহাকুমাধিপতিৰ ওচৰত প্ৰকৃত ভূমিহীন লোক বুলি নিৰ্দ্দিষ্ট প্ৰ-পত্ৰ মাটিৰ বিৱৰণ সহ আবেদন কৰিব লাগে।

(গ) বৰ্তমান চৰকাৰখনে এতিয়ালৈকে ডিব্ৰুগড়, শিৱসাগৰ, তিনচুকীয়া, হাইলাকান্দি, লক্ষীমপুৰ, ধেমাজি আৰু গোৱালপাৰা জিলাত মুঠ ২৯৬৭ টা ভূমিহীন পৰিয়ালক মাটি আৱন্টন দিছে। মুঠ আৱন্টন মাটিৰ পৰিমাণ ৬৭/৪৭ বিঘা ০ কঠা ১৯ লেছা বাকী ১৪ খন জিলাৰ পৰা মাটি আৱন্টন পোৱা ভূমিহীন লোকৰ সংখ্যা পোৱা নাই।

(ঘ) ভূমিহীন লোকক আৱন্টনৰ ক্ষেত্ৰত ১৯৮৯ চনৰ ভূমিনীতি তথা ৰাজহ বিভাগৰ বিভিন্ন অধিসূচনা সমূহৰ আধাৰত পৰীক্ষা নিৰীক্ষা কৰি আৱন্টনৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। আবেদনকাৰী স্থানীয় ভূমিহীন কৃষকলোক বুলি তদন্ত প্ৰমাণ পালে তেওঁৰ

আবেদন গ্ৰাহ্য কৰা হয়। আৰু আবেদকাৰী যদি স্থানীয় ভূমিহীন কৃষক লোক নহয় বুলি তদন্তত প্ৰমাণ হয় তেনে আবেদন অগ্ৰাহ্য কৰা হয়।

## Re. : Transfer of Land

**Shri Parameswar Brahma asked :**

458. Will the Minister of Revenue be pleased to state :

(a) What measures have been taken by the Govt. to check the illegal transfer of Tibal Lands ?

Shri Mukut Sarma (Minister, Revenue) replied :

(1) The following measures have been taken by Govt. to check the illegal transfer of Tribal Lands. (1) Section 164 of the Chapter–X prohibits a settlement holder i.e. an annual lease holder from transferring his land by way of sale etc. under any circumstances.

(2) The Land holder, i.e. the periodic patta holder has no right to transfer his land to any person belonging to non-proteacted classes or to any person who is not a permanent resident in that protected Belt/Block. The land holder may transfer his periodic patta land in a protected Belt/Block concern with previous permission of the Deputy Commissioner the Deputy Commissioner is to keep the interest of the protected class formost in his mind.

(3) Section 162 (2) lays down that no person shall acquire any land in protected Belts/Blocks by way of transfer, exchange, lease, agreement on settlement in contravention of the provisions of Chapter –X. This provision has been elaborated under the Section

162 (3) by way of an amendment in 1964 which prohibits registration of any documents, evidencing any transfer of any land within the protected Belts/Blocks in contravention of the provisions of the Chapter–X shall acquire no right or title on the land by any length of possession whether adeverse or not.

In April, 1990 there has been a further amendment of Section 164 which provides for punishment of transfer and transferree with simple imprisonment for term which may extend to six months or fine upto Rs. 1000/- or both for causing any lease/transfer of fund in protected belts/blocks in contravention of provisions of Chapter–X.

(4) Chapter–X also prescribes eviction of unauthorised occupant not only of Govt. waste land but also patta land (Annual Patta or periodic) in a protected belt/block and restoration of the patta land to the original land holder.

**বিষয় ঃ ATPPE ৰ কাৰ্য্যালয়।**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ**

৪৫৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৪ চনত চৰকাৰে ATPPF ক তিনিচুকীয়াত কাৰ্য্যালয়ৰ বাবে মাটি প্ৰদান কৰিছিল, যদিও এতিয়াও বিভাগে মাটি চমকি ল'ব নোৱাৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যোৱা ইং ১/৩/৯২ ৰ পৰা ৫/৩/৯২ তাৰিখৰ ভিতৰত তিনিচুকীয়া চহৰত ATPPF ৰ (The Assam Tea Scheme)ৰ কাৰ্য্যালয়ৰ বাবে প্ৰায় ২৭ লাখ টকাৰে ঘৰ কিনাটো সত্যনে ? (Valuation Certificate) সদনত দাখিল কৰিব)

(গ) যোৱা ইংৰাজী ৬/০৩/৯২ তাৰিখে তিনিচুকীয়াত ATPPF ৰ কাৰ্য্যালয় আনুষ্ঠানিকভাবে মুকলি কৰা হয়নে ?

শ্রীদিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী)য়ে উত্তৰ দিছে,

(ক) হয়, মহাশয়।

(খ) তিনিচুকীয়া কাৰ্য্যালয়ৰ বাবে চৰকাৰী মাটি হস্তান্তৰ নকৰাৰ কাৰণে অসম চাহবাগিছা ভৱিষ্যনিধিৰ কাৰ্য্যালয়ৰ ফালৰ পৰা ৰাজহুৱা জাননী যোগে ৰাইজৰ পৰা প্ৰস্তাৱ বিচৰা হৈছিল। এইবোৰ প্ৰস্তাৱ চালি জাৰি চোৱাৰ পিছত, তিনিচুকীয়া চহৰৰ মাজ মজিয়াৰ ব্যৱসায়িক কেন্দ্ৰত এটি ভৱন ক্ৰয় কৰা হৈছে। উক্ত ভৱনটো বন্দবস্ত সাপেক্ষে ২৭,৫০,০০০.০০ টকাত ক্ৰয় কৰা হৈছে।

(গ) হয়।

## Discussion During Zero Hour

Mr. Speaker : Now, Zero Hour. I have received 4 Zero Hour notices, out of which I have selected three, as per rule. First Zero Hour Notice I have received from Hon'ble Member Shri Allauddin Sarkar on a news item published in Ajir Batori dated 25/03/92 under the caption "হাই মাদ্ৰাছাৰ অধীক্ষকৰ অনিময়ৰ অভিযোগ" Now I call upon Hon'ble Member to Speak on the matter.

★ শ্রীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বৰ দুখ পাইছো— মই নিজেও এজন শিক্ষক আছিলো, ১৫ বছৰ ধৰি মই শিক্ষকতা কৰিছিলো। মই শিক্ষানুষ্ঠানক মন্দিৰ মজদিতকৈও ওপৰত স্থান দিও। ওপৰত বুলি ভাবো।

শিক্ষানুষ্ঠানৰ ঘটা দুৰ্নীতিৰ কথা কবলৈ গলেই দুখ লাগে। পবিত্ৰ শিক্ষানুষ্ঠানৰ শিক্ষক সকলে চৰকাৰৰ পৰা কিবা এটা বিচাৰি নেপাই আন্দোলন কৰিবলৈ গলে বা কৰিব লগা হলে মনত দুখ পাওঁ— বিষয়টোৰ প্ৰতি শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰো। অধ্যক্ষ মহোদয়, চাপৰ হাই মাদ্ৰাছা, এতিয়া এইখন উচ্চ মাদ্ৰাছা

★ Speech not corrected

কৰা হৈছে, ইয়াৰ অধীক্ষক জনৰ বিৰুদ্ধে টকা পইচাৰ অনিময়ৰ অভিযোগ উঠিছে। আমাৰ জিলাত শিক্ষকৰ পদ বিতৰণ কৰা হৈছিল। ইয়াত ইমান শ্বজন-তোষণ চলিল যে ভাবিলে আচৰিত লাগে। এই মাদ্ৰাছাৰ অধীক্ষক জনে নিজৰ ওৱাইফৰ কাৰণে এটা সৃষ্টি হোৱা পদ ৰাখি দিলে— এইটো পদৰ কথা আনক নজনালে। ১৯৮২ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা ৩০ নবেম্বৰলৈকে এজন শিক্ষকৰ নামত পদ দেখুওৱাই টকা আত্মসাত কৰিলে। সেই শিক্ষকজনক মাদ্ৰাছাৰ কোনেও চিনি নেপায়, দেখা নাই, নামো নেজানে। শ্ৰীইমু চৰকাৰ নামৰ মোৰ বন্ধু এজন, যি ইকনমিকচত এম, এ, পাছ আৰু চাপত গ্ৰাম কলেজত কাম কৰে— তেওঁৰ নামতে এই টকা আদায় কৰা হৈছে। কিন্তু ইমু চৰকাৰে নিজেও নেজানে যে তেওঁ কেতিয়াবা সেইখন হাই মাদ্ৰাছাত চাকৰি কৰিছিলনে নাই ?

মাননীয় অধ্যক্ষ মহোদয়, মোৰ এজন বন্ধু আছে ইমু চৰকাৰ। তেওঁ মেঘালয়ত কাম কৰি আছিল মাৰ্কেটিঙত চিনিয়ৰ চুপাৰভাইজাৰ হিচাবে। বৰ্তমান তেওঁ চাপৰ গ্ৰাম কলেজত কাম কৰি আছে। তেওঁ ইকনোমিকচৰ এম, এ। সেই ইমু চৰকাৰৰ নামত এম, ভিৰ পোষ্ট দেখুৱা হৈছে। তেওঁ নিজেই নাজানে যে সেই স্কুলখনত তেওঁ কেতিয়া কাম কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, আচৰিত কথা এইটো যে ইমু চৰকাৰ চাপত গ্ৰামত বহুত আছে। কথা হ'ল স্কুল খনৰ চেনিটেচনৰ কাৰণে অৰ্থাৎ ল'ৰা-ছোৱালীৰ সুবিধাৰ কাৰণে, প্ৰেচাব গ্ৰাৰ বনাবৰ কাৰণে যি তিনি হাজাৰ টকা চেংচন দিয়া হ'ল সেই টকা আত্মসাত কৰা হ'ল। ১৯৯১ চনত মাদ্ৰাছাত কুৱা তৈয়াৰ কৰিবলৈ টকা দিয়া হ'ল কিন্তু কুৱা নাখান্দি এম, ই স্কুলৰ কুৱাটোকে দেখুৱা হ'ল। ইয়াৰ উপৰিও ৰেলপথাৰৰ বাবে অথৰেটিৰ পৰা যি সুবিধা দিয়া হ'ল সকলো খিনি আত্মসাদ কৰা হ'ল। এই সকলোখিনি একমাত্ৰ মেনেজিং কমিটি অস্তিত্ব বিহীন বাবে এনে কাম কৰিব পৰা হৈছে। ৰাজনীতি নীতিৰ ৰজা নহৈ দুৰ্নীতিৰহে ৰজা হবগৈ। যিখন পাবলিক মাদ্ৰাছা আছে তাৰ আটাইতকৈ চিনিয়ৰ মাষ্টৰ জনক তাৰ পৰা বদলি কৰা হ'ল। অথচ ৰাইজৰো সমৰ্থন আছে যে তেওঁ আহি থাকিব লাগে। কথা হ'ল তেওঁক শাস্তি মূলক বদলি কৰা হৈছে। এনে কিয় হবলৈ পালে ? মানুহজন কোনো ৰাজনীতিত নাই একোতে নাই শিক্ষকতা কৰিছে ভাত খাইছে। সহজ সৰল জীৱন যাপন কৰিছে। তেওঁৰ বদলিকৰণ স্থগিত কৰিছে। এতিয়া শুনা গৈছে তেওঁক ধুবুৰীলৈ বদলি কৰা হৈছে। গতিকে মই এই বিষয়ে মন্ত্ৰী মহোদয়ক

দৃষ্টি গোচৰ কৰিলো। এই বিষয়ে এটা তদন্ত কৰিব লাগে। এনে অভিযোগ আৰু বহুতো আছে। গতিকে বদলকিৰণৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক বিশেষ ব্যৱস্থা ল'বলৈ অনুৰোধ কৰি শিক্ষাৰ শৈক্ষিক পৰিবেশ সুন্দৰ কৰিবলৈ অনুৰোধ কৰিলো। এই খিনিকে কৈ মোৰ ব্যক্তব্য সামৰণি মাৰিলো।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ভেলুৱেচন চাৰ্টিফিকেট খন দিব লাগে। মই চাব লাগে।

(ভইচ— সেইখন আহিছে আপুনি পাব।)

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে, এই সম্পৰ্কত এজন মানুহ পঠাই দি গোটেই ৰিপোৰ্টটো অনাৰ পাচত ব্যৱস্থা লম। সদস্য গৰাকীয়ে উচিত বিচাৰ পাব।

★ শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, হাই মাদ্ৰাচাৰ কথাটো বাতৰি কাকতত ওলাইছে। অসমত বহুত এনে ধৰণৰ সমস্যা আছে যিবিলাব- বাতৰি কাকতত নাহে। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে মেনেজিং কমিটিৰ গৰ্ভানিং বডি আছে সেই বিলাক অলপ চাই চিতি স্থাপন কৰিব লাগে। মহাবিদ্যালয় সমূহত এটা স্পেচিয়েল গৰ্ভানিং বডি কৰি দিয়াৰ সিদ্ধান্ত লৈছে। এই গৰ্ভানিং বডিৰ চেয়াৰমেন ডি, চি সকলক লোৱা হৈছে। কিন্তু তেওঁলোকৰ ব্যৱস্থাতাৰ কাৰণে আজিলৈকে এখনো মিটিং পাতিব পৰা নাই। তাৰ ফলত যিবিলাক পোষ্ট আছে এটাও ফিলাপ কৰিব পৰা নাই। গতিকে মই অনুৰোধ কৰিম যে এই স্পেচিয়েল গৰ্ভানিং বডিৰ সলনি নিয়মিত গৰ্ভানিং বডি কৰিব লাগে।

★ শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এম ই স্কুলৰ শ্ৰীবদন লহকৰ বুলি এজন হেডমাষ্টৰে স্কুলখন স্থাপন কৰি আজি ১০ বছৰে সেই স্কুলখন চলাই আছিল। তাত ৪ জন শিক্ষক আছিল। কিন্তু সেই স্কুল খন চৰকাৰীকৰণ হোৱাৰ পাছত তেওঁক তাৰ পৰা আতৰাই দিয়া হ'ল। যিজন মানুহে বহু কষ্টৰে সেই স্কুলখন স্থাপন কৰিলে অথচ সেই মানুহজনক তাৰ পৰা আতৰ কৰা হ'ল এইটো উচিত বিচাৰ হবনে ? ইয়াৰ কাৰণ হ'ল তেওঁৰ পত্নীয়ে গণপৰিষদ দল সহযোগত ওৱাৰ্ড

★ Speech not corrected

মেম্বাৰ হিচাবে উঠিছিল। তেওঁক এই বুলি কোৱা হৈছিল। যে তেওঁ যদি কংগ্ৰেছৰ তৰফৰ পৰা নুঠে তেন্তে তেওঁৰ স্বামীক স্কুলৰ পৰা আতৰাই দিয়া হ'ব। এই বিষয়ে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ এটা প্ৰকৃত বিচাৰ হব লাগে। অলপতে মই ঘৰলৈ যাওতে লিখি থৈ আহিছো যে মোক সাক্ষাৎ নকৰাকৈ যাতে তেওঁ স্কুলখন এৰি নিদিয়ে।

মাননীয় অধ্যক্ষ ঃ জিৰো আৱাৰত ইমান ক'ব নোৱাৰে। আপুনি চমুকৈ কওঁক।

শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখন ৰহা কলেজ আছে তাৰ মেনেজিং কমিটিৰ চেক্ৰেটাৰী জন চেক্ৰেটাৰী নহয়। তাত থকা ডিফিটেড কেণ্ডিডেট জনহে চেক্ৰেটাৰী। আজিলৈ কোনো কলেজত এনে কোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টো চাব লাগে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ কেইবাজনো মাননীয় সদস্যই স্পেচিয়েল গভৰ্ণিং বডিৰ ওপৰত কেইবাটাও কথা কৈছে। অসমৰ বিভিন্ন ঠাইত কলেজ বিলাকত এই স্পেচিয়েল গভৰ্ণিং বডি পাতি দিয়া হৈছে আৰু এই বিলাকত বিশেষ কৈ ডি চি অৰ্থাৎ ডিফিটেড কেন্টিভেট বিলাকক প্ৰাধান্য দিয়া হৈছে। উদাহৰণ স্বৰূপে আমাৰ ধেমাজি কলেজৰ কথা কব বিচাৰিছো। তাত এই ডি-চি অৰ্থাৎ ডিফিটেড কেণ্ড্ৰিটেট জনক চেয়াৰম্যেন কৰি নতুনকৈ ধেমাজি কলেজৰ স্পেচিয়েল গভৰ্ণিং বডি পাতি দিছে। যি জন প্ৰিন্সিপালে ছাত্ৰ-ছাত্ৰীৰ বৃত্তি টকা লাখ তেৰন্ন হাজাৰ আত্মসাত কৰিছিল আৰু সেইটো ডব্লিউ-পি-এণ্ড বি-চি বিভাগৰ পৰা খাতাং কৰিছিল আৰু তাৰ কাৰণে সেই প্ৰিন্সিপালজন ভবেন পেণ্ড বৰ্খাস্ত হৈ আছিল। এতিয়া সেইজন প্ৰিন্সিপালকে এই ডিফিটেড কেণ্ডিডেটৰ চেয়াৰম্যেন চীপত বহা স্পেচিয়েল গভৰ্ণিং বডিয়ে চাৰ্জ দিবলৈ ব্যৱস্থা কৰিছে। ওপৰ মহলৰ পৰা তেওঁক তেনে ভাবে বহুৱাবলৈ ব্যৱস্থা লৈছে আৰু চাৰ্জ দিবলৈ কংগ্ৰেছ আইৰ সভাপতি আৰু ডিফিটেড কেণ্ডিডেটক লৈ গৈছে। এই সংক্ৰান্তত ডেপুটি চেক্ৰেটাৰীৰ পৰা স্পষ্ট লিখা আছে। কমিশ্বনাৰৰ পৰাও লিখা আছে। এই গোটেই ৰিৰ্পোট মোৰ হাতত আছে। ১৯৮২ চনৰ পৰা ১৯৮৬ চনলৈ পোষ্ট মেট্ৰিক বৃত্তিৰ টকা আত্মসাত কৰাৰ কাৰণে তেওঁক বৃৰ্খাস্ত কৰা হৈছিল। এতিয়া কিন্তু স্পেচিয়েল গভৰ্ণিং বডি কৰি তেওঁক আগৰ ঠাইত বহিবলৈ সুবিধা দিব বিচাৰিছিল। ইয়াৰ দ্বাৰা শৈক্ষিক পৰিবেশ

★ Speech not corrected

নষ্ট কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত যিমানেই নতুন নীতি-নিয়ম নকৰক কিয় অসমৰ শিক্ষাৰ পৰিবেশ এই ধৰণে চলিলে ই কেতিয়াও ম্যান মেকিং শিক্ষা বা কেৰেকটাৰ মেকিং শিক্ষা হ'ব নোৱাৰিব। গতিকে শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে এই স্পেচিয়েল গভৰ্ণিং বডি বিলাক ভঙ্গ কৰি দিব নে নাই আৰু এই ধেমাজী কলেজৰ বৰ্খাস্ত হৈ থকা প্ৰিন্সিপাল জনৰ বিষয়টো পুনৰ পৰীক্ষা কৰিব নে নাই?

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, স্পেচিয়েল গভৰ্ণিং বডি কৰাৰ নীতি নিয়ম বা যুক্তি কি? কি ভিত্তিত এই বিলাক গঠন কৰিব লগীয়া হৈছে জনাবনে ?

★ ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেশ্বৰ ডেকাই যিটো কথা কৈছিল যে এই স্পেচিয়েল গভৰ্ণিং বডি বিলাক কৰোতে যি বিলাক মানুহৰ দ্বাৰা কৰিলে ভাল হয় সেই বিলাক মানুহৰ দ্বাৰা কৰিব লাগে এই কথাটো মই মানি লৈছো। মাননীয় সদস্য গহীন দাস ডাঙৰীয়াই আৰু মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই ধেমাজী কলেজৰ প্ৰিন্সিপালৰ সম্পৰ্কত যিটো কথা কৈছে সেইটো চাম। মানুহজন মোৰ ওচৰলৈ আহিছিল কিন্তু পিচত কি হ'ল মই নাজানো। যদি সঁচাই তেখেত টকা খোৱা মানুহ তেনেহলে স্পেচিয়েল গভৰ্ণিং বডিত দিয়া বা আন কথা সকলো চাব লাগিব। মই নিজেই চাম।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, স্পেচিয়েল গভৰ্ণিং বডি বিলাক ভাঙি দিব নে নাই ? আৰু এই ধেমাজি কলেজৰ অধ্যক্ষৰ বৰ্খাস্তৰ সম্পৰ্কত ৰিপোৰ্টখিনি চাই সেই মতে ব্যৱস্থা লোৱাৰ দিহা কৰিবনে নাই ?

ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, স্পেচিয়েল গভৰ্ণিং বডিৰ কথাটো মই চাম।

★ শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এই ধেমাজি কলেজৰ বৰ্খাস্ত হৈ থকা প্ৰিন্সিপালৰ সম্পৰ্কত সকলোখিনি কাগজ মই চাইছো। তাত যি বিলাক অৰ্ডাৰৰ কপি আছে সেই বিলাক যদি মাননীয় শিক্ষামন্ত্ৰী ডাঃ বৰ্মণ ডাঙৰীয়াই দেখে তেন্তে নিশ্চয় সেই প্ৰিন্সিপালনক আকৌ কলেজৰ চাৰ্জ নিদিলেহেঁতেন। চৰকাৰে অৰ্ডাৰ দিছে বৰ্ত্তমানৰ দেউৰী নামৰ

---

★ Speech not corrected

প্ৰিন্সিপালজনক যাতে তেখেতে আগৰ বৰ্খাস্ত হৈ থকা প্ৰিন্সিপাল ভবেন পেগুৰ টকা খিনি আদায় কৰে। অৰ্থাৎ চৰকাৰে স্বীকাৰ কৰিছে যে ভবেন পেগুয়ে এই টকা আত্মসাত কৰিছিল। এইটো প্ৰমাণ আছে। ডিৰেক্টৰলৈও লিখিছে। পেগুৱে এই টকা মিচ্এপ্ৰোপিয়েশ্বন কৰিছিল। অধ্যক্ষ মহোদয়ে সকলো কথাতে ৰাজনৈতিক দৃষ্টিভঙ্গী খটাব নালাগে। শিক্ষামন্ত্ৰী মহোদয়ে প্ৰথম বিভাগৰ ল'ৰা বিলাকক নিযুক্তি দিব বিচাৰিছে সেইটো মঙ্গলজনক কথা। কিন্তু স্কুল-কলেজ পৰিচালনাৰ ক্ষেত্ৰত বা প্ৰিন্সিপালৰ ক্ষেত্ৰত যদি দুখীয়া ল'ৰা-ছোৱালী মাত্ৰ বৃত্তিৰ টকা খাই খোৱা প্ৰমাণ কৰাৰ পিচতো ৰাজনৈতিক ৰক্ষণা-বেক্ষণ দিবলৈ গৈছে ইয়াৰ কাৰণে বোধকৰো মন্ত্ৰী ডাঙৰীয়াই নিজেই মানি লৈছে যে হয়টো তেখেতৰ অজানিতে এইটো হৈ গৈছে। এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ। মই ভাবো ডাঃ বৰ্মণ ডাঙৰীয়াই আজিৰ ভিতৰতে ব্যৱস্থা ল'ব। আৰু ধেমাজি কলেজৰ প্ৰিন্সিপালৰ সম্পৰ্কত যিখিনি কাগজ পত্ৰ আছে গোটেই খিনি চাই মেলি শৈক্ষিক পৰিবেশ সুন্দৰভাবে ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে আৰু ধেমাজি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত স্বাৰ্থ ৰক্ষাৰ কাৰণে ব্যৱস্থা ল'ব বুলি আশা কৰিছো। কথাটো ৰাজনৈতিক ভাবে চালে নহ'ব। ৰাজনৈতিক কৰ্মী সকলক ৰক্ষণা-বেক্ষণ দিব লাগে দিয়ক কিন্তু তাকে কৰিবলৈ যাওতে বৃত্তিৰ টকা আত্মসাত কৰা প্ৰিন্সিপালক কলেজখনত অধিষ্ঠিত কৰিবলৈ গ'লে শৈক্ষিক পৰিবেশ বিক্ষিপ্ত হ'ব। যিজনে এ জি পি চৰকাৰৰ দিনত বৃত্তিৰ টকা খোৱা কাৰণে বৰ্খাস্ত হৈ আছিল সেই জনক এ জি পিৰ দিনত বৰ্খাস্ত হোৱা বুলিয়েই যে এতিয়া মকৰল কৰিব সেইটো হ'ব নালাগে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, এই টকা খিনি গোটেই এচ-চিৰ টকা ইয়াত সকলো খিনি বসুমতাৰী, পেগু ইত্যাদি সকল আছে।

ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, দুৰ্নীতিৰ ক্ষেত্ৰত কোনো ৰাজনৈতিক কথা আহিব নোৱাৰে। আৰু দ্বিতীয় কথাটো মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই যিটো ক'লে মই গোটেই কাগজ পত্ৰখিনি আনি আজি কালিৰ ভিতৰতেই চাই ব্যৱস্থা লম।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, স্পেচিয়েল গভৰ্ণিং বডি বিলাক কিয় কৰিবলগীয়া হ'ল ? কি এনে সাংঘাতিক কথা আহিছে অসমত যে এই গভৰ্ণিং বডি বিলাক

স্পেচিয়েল কৰি ৰাজনৈতিক ভিত্তিত কৰিবলগীয়া হ'ল? কি নিয়ম নীতি কৰিছে?

ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য হিতেশ্বৰ ডেকাৰ প্ৰশ্নৰ উত্তৰত সেইটো কৈছোৱেই।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, নীতি কি লৈছে জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ উত্তৰ দিছে নহয়। Now I proceed to another Zero Hour matter from the Hon'ble Member Shri Sashakamal Handique.

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, চাৰ আমাৰ কলেজৰ.........

মাননীয় অধ্যক্ষ ঃ তেখেতক চেম্বাৰত লগ ধৰি জানি ল'ব পাৰিব। এতিয়া শ্ৰীশশকমল সন্দিকৈ। He is to speak on his Zero Hour matter to a news item published in "Dainik Asom" dated 01/04/92 under the caption "গাফিলতিতে চোমনিৰ বান্ধ ভাগিল।"

শ্ৰীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, দৈনিক অসম কাকতৰ ১ এপ্ৰিল তাৰিখৰ সংখ্যাত 'গাফিলতিত চোমনিৰ বান্ধ ভাগিল' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি মই ক'ব বিচাৰিছো যে নোৱা, দিহিং অঞ্চলৰ দিহিং নদীৰ মাথাউৰি চোমনি গাওঁ অঞ্চলত যোৱা ২৯ মাৰ্চৰ দিনা ১ বজাত ভাগি ডিৰাক, হাঁহখাটি আদি অঞ্চল প্লাৱিত কৰি পেলাইছে। এই ঘটনাটো ঘটিছে চৰকাৰৰ বিভাগীয় গাফিলতিৰ কাৰণে। এতিয়া মাৰ্চ শেষ হৈছে মাত্ৰ। বাৰিষা এতিয়াও আৰম্ভ হোৱা নাই। সিদিনা উজনি অসমত সামান্য বৰষুণ হৈছিল। সামান্য বৰষুণতে নদীৰ পৰা পানী সোমাই মথাউৰিটো ভাঙি পেলালে। মথাউৰিটো মেৰামতি কৰাৰ কাৰণে ওচৰৰ ৰাইজে কেইবাবাৰো কৈ আছিল কিন্তু বিভাগীয় ভাবে মেৰামতি কৰাৰ কোনো ব্যৱস্থা লোৱা নাই কাৰণে বান্ধ ভাঙি ঘটনাটো ঘটিবলৈ পাইছে। এইটোৱেই হয় আজিৰ পৰা দহ বছৰ আগতেও চোমনিত বান্ধ ভাঙিছিল। অঞ্চলৰ ৰাইজে বাৰে বাৰে আবেদন কৰা স্বত্বেও বিভাগীয় ভাবে কাম কৰা নাছিল। তেওঁলোকে শ্ৰমদান দি মঠাউৰিটো মেৰামতি কৰাৰ যত্ন কৰিছিল। আনহাতে বাননিয়ন্ত্ৰণ বিভাগে এই মঠাউৰীটো কাৰণে যি দায়িত্ব নললে বুলি ৰাইজে ভাবে। আমাৰ সন্দেহ হৈছে কিজানিবা বান নিয়ন্ত্ৰণ

★ Speech not corrected

বিভাগে এই মঠাউৰীৰ নামত আৰ এচ কৰি বিল উলিয়াই লৈছে কাৰণ আমি জানো এই বিভাগটোত চূড়ান্ত দুৰ্নীতি। জানিব পৰা মতে শতকৰা ৬০ ভাগেই কাম নকৰে। অথচ কাম নকৰাকৈ বিল হয়। এই চুমনিটো এটা উপমাত্রহে। এই বিভাগত কাম হোৱা হ'লে এই অৱস্থা নহলেহেঁতেন। ৪০/৫০ ভাগে যদি কাম নহয় তেনেহ'লে কি অৱস্থা হ'ব। যেতিয়াই যাব বিভাগৰ ওচৰলৈ বিভাগে কয় টকা নাই কাৰণে আমি কৰিব পৰা নাই। যোৱা ২৬ তাৰিখেই মঠাউৰিটো ভাঙো ভাঙো অৱস্থা। মাষ্টাৰ ৰোল কৰ্মীয়ে কাম কৰি আছে আৰু ষষ্ঠ ৰেজিমেন্টৰ ১০ জন জোৱানেও মঠাউৰীৰ অৱস্থা দেখি তাত গৈ কাম কৰি আছে। কিন্তু কৰিলে কি হ'ব বস্তা নাই সা-সজুলি নাই, মাটি নাই বিভাগৰ কোনো খবৰ নাই। ৰাতি হঠাৎ মঠাউৰীটো ভাঙি থাকিল এতিয়া চ'তৰ মাহ। এতিয়া যদি এই ভঙা দোখৰ মেৰামতি নকৰে তেনেহ'লে গোটেই তিনিচুকীয়া জিলাৰ ভালেকেইখন গাওঁ বাৰিষা অহাৰ লগে লগে পানীৰ তলত থাকিব লাগিব তেওঁলোকে তাত বসবাস কৰিব নোৱাৰে খেতি বাতি কৰিব নোৱাৰে। মই সদনত বাৰে বাৰে কওঁ আৰু প্ৰশ্নও দিছো যে নদীৰ গৰাখহনীয়াই হৈছে আটাইতকৈ ডাঙৰ সমস্যা লুইতে গৰাখহাই অসমৰ ফালে আহি আছে সিফালে অৰুণাচলৰ সীমাও আগবাঢ়ি আছে। গতিকে অকল ৰাজহ বিভাগৰ এইটো দায়িত্বৰ নহয়। বাননিয়ন্ত্ৰণ বিভাগৰো যথেষ্ট দায়িত্ব আছে। শদিয়া অঞ্চলত জন জাতি আৰু সংখ্যালঘু সকলেই বেছিকৈ বাস কৰে। তেওঁলোকৰ ডাঙৰ সমস্যা হৈছে গৰাখহনীয়া। চৰকাৰে যদি তাক প্ৰতিৰোধ কৰাৰ ব্যৱস্থা নলয় তেতিয়া হ'লে তেওঁলোকৰ বিক্ষোভ আৰু বাঢ়ি যাব। অধ্যক্ষ মহোদয়, চুমনী অঞ্চলৰ মঠাউৰী শক্তিশালি কৰাৰ কাৰণে এই অঞ্চলৰ ৰাইজে মন্ত্ৰী মহোদয়ক বাৰে বাৰে অনুৰোধ কৰি আহিছে। কাৰণ এই ঠাইছোৱা অতিকৈ দুৰ্বল হৈ গৈছে। তেওঁলোকে আগতে জানিছিল যে সেইছোৱা নিলে শ শ মানুহৰ ভৰাল ভাঙি যাব খেতি কৰিব নোৱাৰিব। খেতি নকৰিলে ধান ক'ৰ পৰা পাব। তেওঁলোকৰ এইটো জীৱন মৰণৰ সমস্যা গতিকে মই সমস্যাটো সমাধান কৰিবলৈ অতি সোনকালে বান্ধ ছোৱা মেৰামতি কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য শেষ কৰিলো।

Mr. Speaker : Now, Hon'ble Minister, Flood Control is to reply.

---

★ Speech not corrected

★ শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰত মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই উৎথাপন কৰা বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। অৰুণাচল প্ৰদেশত কেবাদিনো একেৰাহে ধাৰাসাৰ বৰষুণ হোৱাৰ ফলত নয়াদিহিং নৈ পানীৰে উপচি পৰে আৰু তাৰ পৰা ৫০০ কিঃ মিঃ দূৰত চুমনি গাওঁৰ মঠাউৰীটো ক্ষতিগ্ৰস্থ কৰিছে। ৩০ তাৰিখে মঠাউৰীটো ব্ৰিচ হ'ল আৰু অই ব্ৰিচটো বহল হোৱা কাৰণে ভালেকেইখন গাওঁ প্লাৱিত হৈ পৰিছে। জিলা কৰ্ত্তৃপক্ষ ব্ৰিচটো হোৱাৰ আগতে সতৰ্ক কৰি দিয়া হৈছিল। এই মঠাউৰিটো ট্ৰেই থেনিং আৰু প্ৰটেকচনৰ কাৰণে ট্ৰেণ্ডাৰ কল কৰা হৈছে আৰু এই এপ্ৰিল মাহৰ পৰা কাম আৰম্ভ কৰা কথা আছিল কিন্তু অৰুণাচল প্ৰদেশত আগতীয়াকৈ বৰষুণ হোৱাৰ ফলত এই প্ৰাকৃতিক দুৰ্য্যোগ আৰম্ভ হ'ল। বান্ধটোৰ প্ৰতি বিভাগৰ লক্ষ্য আগৰে পৰা আছিল। ব্ৰিচ হোৱাৰ সম্ভাৱনা থকা কাৰণেই যিমান সোনকালে পৰা যায় সিমান সোনকালে ৰেইজিং আৰু লেট্ৰইথেনিংৰ কাম আৰম্ভ কৰিব বিচৰা হৈছিল। তাৰ কাৰণে এচ, ই আৰু বিভিন্ন বিষয়া সকলে গৈ তাত কেম্প কৰিছে। ব্ৰিচটোৰ খবৰ পোৱাৰ লগে লগে মুখ্য অভিযন্তাক তালৈ পঠিওৱা হৈছে। তেওঁলোকে যাৱতীয়া ব্যৱস্থাৰ কাৰণে নিৰীক্ষণ কৰি আছে। এই সম্বন্ধে সবিশেষ ৰিপোৰ্ট সংগ্ৰহ কৰাৰ পিচত মই সদনক এটি বিবৃতি দিম। লগতে মই সদনক এইটোও জনাব বিচাৰিছো যে এই বাৰ বিশেষকৈ দুটা কামৰ কাৰণে গৰুত্ব দিবলৈ বান নিয়ন্ত্ৰণ বিভাগক নিৰ্দ্দেশ দিছো। যোৱা বাৰ বানপানীত যিবিলাক ব্ৰীজৰ বা যিবিলাক এমবেংকমেন্ট হৈছে। সিবিলাক ৰিপিয়াৰিংৰ ক্ষেত্ৰত জোৰ দিয়া হ'ব। আৰু চুমনি গাওঁৰ যিটো কথা কৈছে সেইটোৰ ৰিপোৰ্ট পোৱাৰ পিচত বিবৃতি দিম।

★ শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে বাৰিষা এপ্ৰিল মাহৰ পৰা আৰম্ভ হয়। আৰু সেই বাৰিষাৰ পৰাই কাম আৰম্ভ কৰিবলৈ দিয়া হয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আহিন, কাতি, আঘোন, পুহ মাহত এই বিলাক কাম কৰিবলৈ নিৰ্দেশ দিব লাগে। কিন্তু নবেম্বৰৰ পৰা ফেব্ৰুৱাৰীৰ মাহৰলৈকে এই বিভাগৰ কোনো কাম নকৰে। এপ্ৰিল মাহৰ পৰা কাম আৰম্ভ কৰে যাৰ ফলত ক'ৰবাত ৰাস্তাঘাট বেয়া কৰবাত পানী এইদৰে আগৰ পৰা

★ Speech not corrected

যিটো চিচ্‌টেম চলি আহিছে সেইটো বন্ধ কৰিব নোৱাৰি নেকি? এই বিষয়ে চৰকাৰে কিবা চিন্তা চৰ্চ্চা কৰিছে নেকি?

★ শ্ৰীহৰেণ ভুমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই মই বহু খিনি কামৰ নিৰ্দেশ দিছিলো। কিন্তু বিত্তীয় সংকটৰ কাৰণে কনটেক্‌টৰ সকলে তেওঁলোকৰ অসুবিধাৰ কথা জনায় আৰু কাম কৰিব নোৱাৰে বুলি আমাক জনায়। মই নিৰ্দেশ দিয়াৰ পিচতও কনটেক্‌টৰ সকলে কোঅপাৰেচন নকৰিলে।

★ শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়জনে চৰুক সুধি চাউল দিয়াৰ নিচিনাকৈ কথা কৈছে। কনটেক্‌টৰ সকলে কিয় কাম নকৰিব। এইটো এটা গুৰুত্বপূৰ্ণ কথা। আহিন কাতি মাহত বান্ধ এমবেংকমেন্ট বিলাকৰ কাম আৰম্ভ কৰিব লাগে। বাৰিষা কাম আৰম্ভ কৰাৰ কাৰণে কোনো কাম সঠিক ভাবে সময় মতে হৈ নুঠে। এইটোৰহে ওপৰতহে মই গুৰুত্ব দিছো আৰু তাৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

★ শ্ৰীদেবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি ১৯৮৮-৮৯ চনতে এটা বান্ধ নিৰ্মাণ কৰাৰ কাৰণে ৫৮ লাখ টকা চৰকাৰে দিছিল। এই টকা কি হ'ল মন্ত্ৰী মহোদয়ে জনাবনে যাৰ ফলত আজিলৈকে কোনো কাম হোৱা নাই। এই টকা ক'লৈ গ'ল মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি বিহিত ব্যৱস্থা হাতত লবনে? মই সম্পূৰ্ণ জানো এই টকাৰ এপচাও খৰচ কৰা হোৱা নাই।

★ শ্ৰীৰমেন নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে কিছু টকা অনুদান কিছু অঞ্চলত দিছে। কিন্তু এই বিলাকৰ কাম বাৰিষাহে আৰম্ভ কৰে। মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে টকাৰ অভাবৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাই। আচলতে সেইটো কথা নহয়। কিছুমান গড়াখহনীয়াৰ কাম আৰম্ভ কৰাৰ কাৰণে খৰাং কালতে অনুদান দিয়ে কিন্তু কাম আৰম্ভ কৰে বাৰিষা। কাৰণ ইয়াৰ অভিসন্ধি আছে। সেইটো হ'ল ৬০ আৰু ৪০ সেইটো অৰ্থাৎ বাৰিষা কৰিলে হয়। দ্বিতীয়তে আৰু এটা কথা জাতীয় উন্নয়ণ পৰিষদে কিছুমান গড়াখহনীয়া প্ৰতিৰোধ কাম কৰিছিল কিন্তু তেওঁলোকেও

★ Speech not corrected

সেই আঁচনিৰ ভিতৰতে পেলাই লৈ বিল পোৱাৰ উদাহৰণ আছে। এই বিলাকৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তদন্ত কৰি বিহিত ব্যৱস্থা হাতত লব নে? গতিকে আমি ভাবো যে বাৰিষা এই কাম নকৰি খৰালি কৰাৰ কেলেঙ্গাৰ কৰিব লাগে। জানুৱাৰী ফেব্ৰুৱাৰী মাহত এই কাম কৰিবলৈ নিৰ্দেশ নেমানিব? ৬০ পাৰচেন্ট ৪০ পাৰচেন্ট, ৮০ পাৰচেন্ট ২০ পাৰচেন্ট বন্ধ কৰাৰ ব্যৱস্থা হাতত লবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ফ্লাড-কন্ট্ৰোল বিভাগ সঁচাকৈয়ে এটা ৬০ পাৰচেন্ট ৪০ পাৰচেন্ট বিভাগ। এইটো মই প্ৰমাণ সহকাৰে সদনত দিছিলো। কিন্তু তাৰ একচন লোৱা হোৱা নাই। তাৰ এটা স্পেচিফিক উদাহৰণ দিব পাৰো। সেইটো হৈছে গুমী পলাশবাৰী প্ৰজেক্টত কাম কৰা চন্দন গগৈ। তেওঁক আজি ৫ বছৰে লৰাব নোৱাৰিলে। তেতিয়া মই মুখ্যমন্ত্ৰীক দৃষ্টিগোচৰ কৰিছিলো আৰু ৩/৪ জন বিভাগীয় মন্ত্ৰী মহোদয়ক কৈছিলো এই চন্দন গগৈ নামৰ বিষয়াজনৰ দুৰ্নীতিৰ সম্পৰ্কে। তেওঁৰ গুৱাহাটীত ঘৰ মাটি ইমানেই আছে তেওঁ থকা ঠাই ডোখৰও চন্দন নগৰ দি লৈছে। যোৱাবাৰ তিনি চাৰিজন মন্ত্ৰী বদলি হ'ল তথাপিটো সেই চন্দন গগৈ নামৰ বিষয়াজনৰ বিৰোদ্ধে কোনো ব্যৱস্থা লব নোৱাৰিলে। তেওঁক কোনেও কনট্ৰল কৰিব নোৱাৰিলে। মই ভালকৈ জানো যে পলাশ বাৰীতে বানপানী প্ৰতিৰোধৰ কাৰণে এটা স্পাৰ ৪/৫ জন মান ঠিকাদাৰে চাৰি পাঁচ বাৰমান দিয়া দেখুৱাই টকা আদায় কৰে। ওপৰৰ পৰা কোনোবা কেতিয়াবা চাবলৈ গ'লে তেওঁলোকে কয় বাৰিষা খৰস্ৰোতা নদীয়ে উটুৱাই লৈ গ'ল। গতিকে বানপানী প্ৰতিৰোধ আৰু গড়াখহনীয়াৰ নামত এইবোৰেই ঘটি থাকিলে গড়াখহনীয়াৰ প্ৰতিৰোধ হ'ব কেনেকৈ। গতিকে এই কথাবোৰ মই বিভাগীয় মন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী মহোদয়েও দৃষ্টি আকৰ্ষণ কৰিলো আৰু এই বিভাগটোৰ কেলেংকাৰীবোৰ গুচাবৰ কাৰণে আপোনালোকে ৬ মহীয়া প্ৰগ্ৰেম এটা লওঁক। যিবোৰ মাৰাত্মক কেলেংকাৰীৰ লগত জড়িত বিষয়া সেইবোৰৰ ২/১ জনৰ ক্ষেত্ৰত আপোনালোকে বিহিত ব্যৱস্থা ল'ব নোৱাৰে তেনেহ'লে বাকী বিলাকক চম্ভালিব নোৱাৰিব।

মাননীয় অধ্যক্ষ ঃ এইটো আগতে আছিল পইন্ট অৱ অৰ্ডাৰ। এতিয়া মাননীয় সদস্য সকলে

★ Speech not corrected

সেইটোক নি ক্লাৰিফিকেচন কৰিলে। গতিকে মূল বিষয়টোত আপোনালোকে কওঁক।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, মই এটা কথা বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক জনাব খুজিছো আৰু এই সম্পৰ্কত মই প্ৰশ্নও আনিছিলো যে ধেমাজী জিলা খনক বানপানী আৰু গড়াখহনীয়াৰ পৰা কেনেকৈ ৰক্ষা কৰা হ'ব। আজি ধেমাজী জিলাৰ বানপানী আৰু গড়াখহনীয়াৰ যিটো পৰিস্থিতি হৈছে সেইটো অলপতে মই নিজে কিছুমান অঞ্চল খোজ কাঢ়ি ভ্ৰমণ কৰি চায় আহিছো। দিহিং নদীৰ ৰাইট বেংক আৰু কুমটি নদীৰে লেপট বেংকত এচপৰাও মাটি বন্ডাৰ দিয়া হোৱা নাই। ইতিমধ্যে এই বিষয়টো কেইবাজনো মাননীয় সদস্যই সদনত জনাইছে। তিনিচুকীয়াত বানপানী আৰম্ভ হলেই। তাত ১ লাখ টকা দিয়া হৈছে। গতিকে এই কাম বিলাক নবেম্বৰ মাহতে আৰম্ভ কৰি ফেব্ৰুৱাৰী বা মাৰ্চ মাহত শেষ কৰাৰ ব্যৱস্থা কৰিলেহে কাম হব। আনহাতে নদীবোৰ ক্ৰমান্বয়ে বাম হৈ যোৱাৰ ফলত বানপানীৰ প্ৰকোপ দিনক দিনে বেছি হৈ আহিছে। সেই কাৰণে হয় এই নদীবোৰৰ পাৰবোৰ ভাঙি দিয়াৰ ব্যৱস্থা কৰক, তেতিয়া হলে সকলোৰে সমানে বানপানীত ভুগিব নহ'লে এই অঞ্চলৰ ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰক। আজি ধেমাজীত যি সকল ঠিকাদাৰ আৰু এই বিভাগৰ বিষয়া আছে তেওঁলোকৰ কাৰণে সেইখন অমৃতৰ ঠাই হৈছে, তেওঁলোকে তাত অমৃত পান কৰি আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যেন এই বিধান সভা শেষ হোৱাৰ লগে লগে ধেমাজী জিলাখন এবাৰ নিজে পৰিভ্ৰমণ কৰি আহি এই কামখিনিৰ ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰে।

মাননীয় অধ্যক্ষ ঃ 'জিৰ' আৱাৰৰ সময়ত যিটো বিষয়ত আলোচনা হয় সেইটো বিষয়তহে কব লাগে। অন্য কথা আলোচনা কৰা স্কপ নাই। এতিয়া কিছুমান ক্লাৰিফিকেচনৰ কথা সোধাৰ কাৰণে অসুবিধা হৈছে। 'জিৰ' আৱাৰৰ নিয়ম হৈছে The discussion on this matter was held 3 days before. Today it is also raised by the Members. If it is to be discussed then notice is to given at least on hour before the commencement of the House. Speaker may allow the concerned Minister to give reply. If required

---

★ Speech not corrected

information and other materials are furnished by the Department to the concerned Minister. এইটো হৈছে সময়ৰ কথা। ইয়াত অন্য বিষয় আলোচনা কৰা কথা নাই যদিও কেতিয়াবা কেতিয়াবা কিবা কাৰণত অলপ সময় দিয়া যায়। সেই কাৰণে মাননীয় সদস্য সকলে তেখেত সকলৰ নিজানিজা কথা থাকিলে আচল বিষয়টোৰ ওপৰতহে আলোচনা কৰিব লাগে।

★ শ্ৰীদেৱান জয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, মই এটা বৰ জৰুৰী কথা কব খুজিছো। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বাকীবোৰ কথা কোৱা হৈছে যদিও এটা বৰ গুৰুত্বপূৰ্ণ কথা আলোচনা কৰা হোৱা নাই। কথাটো হ'ল— দক্ষিণ শালমাৰাত বানপানী নিয়ন্ত্ৰণৰ কাৰণে চৰকাৰে গুৰুত্ব সহকাৰে ব্যৱস্থা লোৱা আমি দেখা নাই। ইয়াত আগৰে লায়েবিলিটি আছে প্ৰায় ৭ কোটি টকা। দুই তিনিটা ৰিপেয়াৰমেন্টৰ কামৰ বাহিৰে তাত কোনো কাম কৰা আমি দেখিবলৈ পোৱা নাই আৰু যি কেইটা ৰিপেয়াৰমেন্টৰ কাম আছে সেই কেইটাৰো কাম কৰা ক্ষেত্ৰত ঠিকাদাৰ সকলে কাম নকৰো বুলি ষ্ট্ৰাইক কৰিছে। বহুতো চেষ্টাৰ পিচত এতিয়া তেওঁলোকে কাম কৰিবলৈ গৈছে যদি ৰাইজে কাম কৰিবলৈ নিদিয়া হৈছে। কাৰণ, ৰাইজৰ কথা হৈছে তেওঁলোকৰ যিবোৰ মাটি অধিগ্ৰহন কৰা হৈছিল সেইটো আজি কেইবা বছৰো হৈ যোৱাৰ পিচতো তেওঁলোকে মাটিৰ বাবদ পাবলগীয়া টকা নোপোৱাৰ কাৰণে কাম কৰিব দিয়া নাই। এতিয়া এই ক্ষেত্ৰত এনেকুৱা এটা ডেডলক হৈছে যে তাত বান নিয়ন্ত্ৰণ বিভাগে একো কাম কৰিব নোৱাৰা হৈছে। এইটো এটা গুৰুত্বপূৰ্ণ কথা। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ডেডলকটো যেনে তেনে আতৰ কৰিব লাগে। আজি দক্ষিণ শালমাৰাত এন্টি ইৰচনৰ কোনো কাম নাই। যি তিনিটা মান ৰিপেয়াৰমেন্টৰ কাম আছে সেই কেইটাতো এনে অৱস্থা। গতিকে বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ে হস্তক্ষেপ কৰিব লাগে আৰু অতি সোনকালে এই কামখিনি কৰি ৰাইজক কিছু পৰিমানে হলেও বানপানীৰ পৰা ৰক্ষা কৰিব লাগে।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিভাগটোত ইমান ধাৰ আছে যে সেই ধাৰবোৰ মাৰিবলৈ হ'লে এক পইচাৰো কাম কৰিব পৰা নহ'ব। কি কাৰণত

---

★ Speech not corrected

যে এনে হৈছে সেইটো মই বুজি পোৱা নাই তথাপি বিভাগক নির্দেশ দিয়া হৈছে যে অন্য কাম কৰক বা নকৰক কিন্তু বান্ধ বিলাক মৰাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্রত বিভাগক নির্দেশ দিছো যদিও বিভাগে জনাইছে যে টকা নাই। সেই কাৰণে এই কামবোৰ কৰাৰ কাৰণে ৫০ কোটি টকা ব্যৱস্থা কৰা হৈছে। যোৱা কেই বছৰত বান্ধ বিলাক মাৰি নিদিয়াৰ কাৰণে বানপানীৰ প্রকোপ বেছি হৈছে। এই বান্ধ বিলাক সময়মতে মৰা হেঁতেন বানপানীৰ প্রকোপ কিছুমান ঠাইত কিছু পৰিমাণে হলেও কম হ'লহেঁতেন আৰু ঘৰ-বাৰীকে ধৰি খেতি পথাৰ ৰক্ষা পৰিলহেঁতেন। এতিয়া কেৱল ৩৯ কোটি টকা ধাৰেই আছে। আমি কোনো মতে ৫০ কোটি টকা যোগাৰ কৰিছো। কিন্তু তাৰ পৰা যদি ৩৯ কোটি টকা ধাৰেই মাৰিব লগা হয় তেনেহ'লে কাম একো নহ'ব। সেই কাৰণে বিষয়টো অলপ চাবলগীয়া হৈছে আমাৰ সমস্যা হৈছে আজি ১০/১২ বছৰ আগতে যিবোৰ প্রজেক্টৰ ধৰা হৈছিল সেই প্রজেক্টৰ বিপৰীতে থকা টকাবোৰ কলৈ গ'ল? সেই টকাবোৰ তেতিয়াই কিয় দিয়া নাছিল? এইবোৰত কিছুমান কেলেংকাৰী জড়িত হৈ আছে। সেই কাৰণে মাননীয় সদস্য গৰাকীয়ে টকা আদায় দিয়াৰ বিষয়ে যিটো কথা কৈছে সেই ক্ষেত্রত মই জনাব খোজো যে আমি গোটেই টকা বিলাকৰ ধাৰ মাৰিব গ'লে অন্য কাম কৰিব নোৱাৰিম। গতিকে গোটেই টকা দিব নোৱাৰিলেও কিছু টকা ধাৰ মাৰি হলেও আমি কাম কৰাৰ ব্যৱস্থা কৰিম।

Mr. Speaker : Now, another zero Hour matter Hon'ble Shri Mission Ranjan Das.

★ শ্রীমিচন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, 'সমস্ত বরাক উপত্যকা অন্ধকারে' এ ব্যাপারে সংবাদ পত্রে যে খবর বেরিয়েছে সে ব্যাপারে আমি বিশেষ ভাবে আলোচনা করতে চাই। স্যার, আজকে সদনে এই বিদ্যুৎ সমস্যা নিয়ে ইতিপূর্বে অনেক আলোচনা হয়েছে। সে জন্য আমি এ ব্যাপারে বিস্তারিত আলোচনা করতে যাচ্ছি না। বরাক উপত্যকার ৩/৪ দিন থেকে কোন বিদ্যুৎ নেই যার ফলে বরাক উপত্যকার তিনটি জেলায়ই রাত্রে কোন বিদ্যুৎ থাকে না। (ইন্টারাপশন............গণ্ডগোল)

---

★ Speech not corrected

মাননীয় অধ্যক্ষ ঃ বরাকের ব্যাপারে ব্যৱস্থা নেয়য়া হবে বলে মন্ত্রী মহোদয় আশ্বাস দিয়েছেন। সুতরাং এ ব্যাপারে আর না বললেও চলবে।

★ শ্রীমিচন রঞ্জন দাস ঃ স্যার, আমি শুধু বলতে চাই যে আসামের বিভিন্ন অঞ্চলে যেমন করে বিদ্যু সরবরাহ করা হচ্ছে বরাক উপত্যকায়ও যাতে ঠিক সেইভাবে বিদ্যুৎ সরবরাহ করা হয় তার ব্যৱস্থা নেওয়ার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি। আজি বিদ্যুতের জন্য সমস্ত বরাক বিপন্ন। দিনে ৪/৫ ঘন্টার জন্য বিদ্যুৎ থাকিলেও রাত্রে কোন বিদ্যুৎ থাকে না। ব্যবসা, বাণিজ্য, হাট-বাজার প্রভূতি আজ বিদ্যুৎতের অভাবে বন্ধ হতে চলেছে। ছাত্র-ছাত্রীরা দারুন দুর্য্যোগের মধ্যে পড়েছে। সুতরাং বরাক উপত্যকা যাতে বিপন্ন না হয় সেদিকে লক্ষ্য দেওয়ার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ্ করছি।

শ্রীজয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অব অৰ্ডাৰ আছে। আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে বিদ্যুতৰ সংকট অকল অসমতে নহয় গোটেই ভাৰতবৰ্ষতে আছে বুলি এডমিট কৰিছে। আকৌ তেখেতে কৈছে যে এই ক্ষেত্ৰত কেন্দ্ৰক হেঁচা দি আছে আৰু হেচা দি থাকিবও। কিন্তু কি ধৰণৰ হেচা দিব টেকনিকেলি কোৱা নাই। বহুত আগতে পূৰ্বৰ এন, এল, এ, ৰাজনৈতিক দলে কৈছিল যে অসমৰ মানুহক কেন্দ্ৰই শোষণ কৰিছে এই মনোভাৱটো আতৰাব লাগে। এই মনোভাব আতৰাব লাগিব ভাল কথা। অসমৰ পৰা ডঃ মনমোহন সিংক মুখ্যমন্ত্ৰীৰ পৰিবাৰৰ কেয়াৰ এফত ঠিকনা দি অসমৰ পৰা ৰাজ্য সভালৈ নিৰ্বাচিত কৰি বিত্ত মন্ত্ৰী বনালে। সেই কাৰণে এ, জি, পি, কোনো প্ৰাৰ্থী নিদিলে। আমাৰ ৰাজ্যখনলৈ টকা-পইচা আহিব, ৰাজ্যখনৰ বিত্তীয় সংকট দূৰ হ'ব। এতিয়া পইচা নোহোৱাৰ পইন্টটো কলে নহব। কেন্দ্ৰত তিনিজন মন্ত্ৰী আপোনালোকৰ নিজৰ দলৰে অসমৰ পৰা গৈছে। এই কথাটো আহিব নেলাগিছিল। লাংপি প্ৰজেক্টৰ কথাটো কোৱা হৈছে, আজি এবছৰেও হোৱা নাই। মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই কৈছে ৩০ বছৰ ল'ব। লাইট পায় নে নেপায়। এই বিলাক বহুত প্ৰশ্নই আছিল। সেই কাৰণে আপোনালোকে যি প্ৰস্তাৱ দিছে সদনে চাব লাগিব। মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই দেখুৱাই দিছে। এনে কেন্দ্ৰই শোষণ কৰিছিল। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰত নিয়ন্ত্ৰণ কৰক। বহুত প্ৰকল্প বা উৎপাদন শক্তি আৰম্ভ কৰিব পাৰি। এইটো ভাল হ'ব। আমি সদলবলে গৈ প্ৰধান মন্ত্ৰী আৰু

---

★ Speech not corrected

বিত্ত মন্ত্ৰীক লগ ধৰি ক'ব লাগিব। যদি শতকৰা ৯০ ভাগ মঞ্জুৰীৰ বেলেগে প্ৰেনত বান নিয়ন্ত্ৰণত ধৰিব পৰা যায় তেতিয়া হলে যি পইচা পাব ঘুৰাই দিব নেলাগে। বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি ব্যৱস্থা ল'ব লাগিছিল তেনে ধৰণৰ ব্যৱস্থা স্বাধীনতাৰ পিচৰ পৰাই লব পৰা নাই। এই সদনত অফিচাৰ সকলে লিখি দিব আৰু মন্ত্ৰী সকলে উত্তৰ দি থাকিলে নহব, কি অসুবিধা হৈছে তাক প্ৰেক্‌টিকেলি চাব লাগিব। এখন সাধাৰণ চিঠি অস্ত্ৰ হ'ব নোৱাৰে। এই কথাটো বাতৰি কাকতত ওলাইছে যে এই ৮ মাহৰ ভিতৰতে এজন মন্ত্ৰীয়ে দিল্লীলৈ ২২ বাৰৰো অধিক গৈছে। আমি বিধান সভাৰ পৰা মাননীয় অধ্যক্ষ সহ মুখ্যমন্ত্ৰীক লৈ দিল্লীলৈ গৈ পত্তি কৰিব পাৰো। ছিপাঝাৰ সমষ্টিত ৬ বজাৰ পৰা ৯ বজালৈ লাইট নাই এতিয়া পৰীক্ষা চলি আছে, ১২ বজাৰ পিচতহে লাইট আছে। এই সংকট মষিমূৰ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত ইতিমধ্যে বহুতখিনি আলোচনা বিলোচনা হৈছে আৰু সামগ্ৰিকভাবে সাময়িক ভাবে চাব লাগিব। এই বিষয়ত আমাৰ কোনো দ্বিমত নাই। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে কি কাৰণত হাউচত দি থকা হৈছে। তেখেতে উল্লেখ কৰিছে যে কাৰ্বি লাংপি প্ৰজেক্টৰ এড্‌মিনিষ্টেটিভ এপ্ৰোভেল ১৯৭৯ চনতে দিয়া হৈছিল। কিন্তু আজিলৈকে এইটো প্ৰজেক্টটো হৈ উঠা নাই। আমি চৰকাৰ গঠন কৰাৰ পিচত দেখিছো যে সেই কামটো কি কাৰণত হৈ উঠা নাই, তাত কি কি অভাৱ আছে। ভাৰত চৰকাৰৰ এটা নিগমে তেওঁলোকৰ কাম কৰিব পৰা নাই। এই ক্ষেত্ৰত প্ৰেচাৰ দিয়া হৈছে আৰু আলোচনা বিলোচনাও কৰা হৈছে। এই নিগমৰ কন্টে আগৰ ঠিকাদাৰক আতৰাই দি নতুন ঠিকাদাৰক আনিলে দুবছৰৰ ভিতৰতে কাম হৈ যায়। এইটো হলে একশ মেগাৱাট পাৱাৰ পাম, এইবিলাক নহলে অচল অৱস্থা চলি থাকিব। সেই কাৰণে ভাৰত চৰকাৰৰ ওৱাটাৰ ৰিচোৰ্চ মিনিষ্টাৰক দি আলোচনা কৰা হৈছে। এই নিগমে ভাৰতৰ বিভিন্ন ঠাইত যেনে কেৰেলা, অন্ধ্ৰপ্ৰদেশ আদিত কাম সম্পূৰ্ণ কৰিব পৰা নাই। ভাৰত চৰকাৰৰ বিষয়া সকলে আনিবলৈ দিছে। সেই কাৰণে জোৰ

★ Speech not corrected

দিছো যদি পাৰে শীঘ্ৰে কৰক। কিন্তু আশা দেখা নাই। তাত থকা তলতীয়া কৰ্মচাৰী জুনিয়ৰ ইঞ্জিনিয়াৰে কৈছে যদি এইটো ভালকৈ কৰা হয় তেতিয়া হ'লে দুবছৰ মানতে সম্পূৰ্ণ হ'ব। বৰাক ভেলিত সকলোৰে কৈছে যে লোকেল গেছ টাবলাইনৰ কাৰণে তাত লোকেল পাৱাৰ জেনেৰেটৰ সম্পৰ্কে টাৰবাইন খৰচ নহয়। এই বিলাক সমস্যা নাই মেঘালয়ৰ মাজেদি দি বা ত্ৰিপুৰাৰ মাজেদি নিয়ে বা মণিপুৰৰ পৰা আনে কোনো সমস্যা নাই। লোকেল পাৱাৰ উৎপাদন কৰি বিতৰণ কৰিব পাৰি।

মাননীয় অধ্যক্ষ মহোদয় যি বিলাক গেছ আছে কিমান আছে, কিমান কিমান দিনলৈকে থাকিব তাক জানিব লাগিব। ইনভেষ্ট কৰাৰ পিচতহে এইটো গম পোৱা যাব তেতিয়াহে আগবাঢ়িব পৰা যাব, কনফাৰ্ম নকৰিলে কোনো আগবাঢ়ি নাহে এইটো স্পষ্ট হৈ আছে। গেছ টৰবাইন বহিব পাৰে কেনেকৈ, গেছৰ পৰিমাণ জানিব লাগিব। এইটো বহিবৰ কাৰণে ২৩ বছৰলৈ গেছ পোৱাৰ বাবে এছুৰেঞ্চ পাব লাগিব। এই কথাটোত দি পেট্ৰোলিয়ম মিনিষ্টিয়ে যদি গম নেপায় তেতিয়াহলে কেনেকৈ গেচ টাৰবাইন বঢ়াব এটা প্ৰকল্প লব পৰা যায় আমাৰ হাতত টকা থাকিলে নহব কাৰণ এইটো ৰেডিমেড বস্তু নহয় যে আমি বজাৰৰ পৰা টকা দি কিনি আনিম। গেছ টাৰবাইন প্ৰকল্পটো স্থাপন কৰিবলৈ হলে কেন্দ্ৰীয় ইলেট্ৰিচিটি অথৰিতিয়ে ক্লেয়াৰ কৰি দিব লাগিব। এইটো একে দিনাই বা ১ মাহত হোৱা কথা নহয়। সকলোৰে লগত যোগসূত্ৰ স্থাপন কৰি বিষয়টোত জোৰ দি আছো। আমি ব্ৰহ্মপুত্ৰ ভেলিত দুটা পলিচি লৈছো। এটা হৈছে যি বিলাক মেচিন বেয়া হৈ আছে সেই বিলাক মেৰামতি কৰিব লাগিব। লাকুৱা প্ৰজেক্টত ৬০ মেগাৱাট পাব বুলি তেওঁলোকে কন্টেক লৈছে। তেলৰ লগত জোৰ দি আছো। যাতে তেওঁলোকে স্পেয়াৰ পঠায়। আমাৰ যি বিলাক মেচিন আছে তাৰ স্পেয়াৰ তেলৰ পৰা পাব লাগিব। দেলি, মাঠলি মেন্টেনেঞ্চৰ কাৰণে বঙাইগাওঁলৈ যন্ত্ৰপাতি পঠাই। যন্ত্ৰপাতি বিলাক পাবলৈ এল, আৰ (লবিৰিচিপ) লাগে সেইটো টেলেক্স কৰি নম্বৰ দিলে ১৫ দিনৰ ভিতৰত আহি পায়। পইছা দি অহাৰ পিচতো বস্তু আহি নেপায়। ওপৰত হেচা দিবৰ কাৰণে ইওপ্তি মিনিষ্টাৰ মাননীয় ডাঙৰীয়াক মই নিজে লগ ধৰি প্ৰেছাৰ দি আছো। সেই বিভাগৰ সচিবক বাৰে বাৰে প্ৰেছাৰ দি আছো যাতে স্পেয়াৰ খিনি আনি দিয়ে। মেচিন ৰিপেয়েৰ কৰি আৰকেট জেনেৰেটৰ বৃদ্ধি কৰিব পাৰি। লাকুৱাত নতুন মেচিন

★ Speech not corrected

আহি পাইছে। কিন্তু ঠিকাদাৰ নিয়োগ কৰা নাই। খবৰ দিয়া হৈছে মাদ্ৰাজৰ এটা প্ৰাইভেট ইনচটিটিউচনক ঠিকাদাৰ হিচাবে নিয়োগ কৰা হৈছে। ঠিকাদাৰ আছে এপ্ৰিল মাহত কাম আৰম্ভ হয়। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে হেচো দি আছে। ৪ তাৰিখে বিদ্যুৎ মন্ত্ৰী সকলৰ কন্‌ফাৰেঞ্চ আছে। তাত সকলো বিলাক হেঁচা দিবৰ কাৰণে সুবিধা গ্ৰহণ কৰি আছো। আপোনালোকক জনাবৰ বাবে কথাখিনি কৈছো। আপোনালোকে জনসাধাৰণক মথাউৰী এটা বনাবলৈ হলেও যদি টেকনিকেল কমিটিত পাছ নহয় বনাব নোৱাৰে। এই বিলাক আমাৰ দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ খুজিছো— যিহেতু ইমান জামেলা হৈছে উন্নয়নশীল যি বিলাক ৰাষ্ট্ৰ আছে সেই বিলাকত চলাৰ কেপচুল ব্যৱহাৰ কৰা হৈছে। এইটো ব্যৱহাৰ কৰি এনাৰজি পায়।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় মহোদয়, ইতিমধ্যে নন কনভেনশ্যনেৰ এনাৰজিৰ মিটিং যোৱা মাহত হৈ গৈছে। সেই বিষয়ে প্ৰধান মন্ত্ৰীয়ে গভীৰ ভাবে, উৎবিগ্নভাবে কৈছে চলাৰ শক্তিয়ে পৃথিৱীৰ কতো কোনো ৰাষ্ট্ৰ নাই সূৰ্য্যটোৰ ওপৰত নিৰ্ভৰ কৰি ডেভেলপ কৰিব পাৰিছে। ডেভেলপ দেশবোৰে বা আন ডেভেলপ দেশবোৰে সূৰ্য্যটোৰ ওপৰত নিৰ্ভৰ কৰা নাই। এই চলাৰ স্কিমটো সস্তিয়া নহয়।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চলাৰ কেপচুলৰ কথা কৈছো। চলাৰ স্কীম আৰু চলাৰ কেপচুল বেলেগ বস্তু। এই ক্ষেত্ৰত প্ৰেছাৰ দিব নেকি? আমাৰ বিভিন্ন সমস্যা আছে। এনে ধৰণৰ এনাৰ্জিয়ে কাম কৰিব লাগে বুলি পৰামৰ্শ দিব নেকি?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় সেই পৰামৰ্শটো আগবঢ়াম। কিন্তু কথাটো হৈছে আমাৰ সকলোৰে কৈছে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কথাটো এই প্ৰস্তাৱটো আগবঢ়াম। আমাৰ সমস্যা সমাধান কৰিবলৈ যাওতে মেগা প্ৰজেক্টৰ যি তেম তাত হাজাৰ হাজাৰ টকাৰ প্ৰয়োজন হয়। কাছাৰত মেগা প্ৰজেক্ট আছে। যেনেকৈ লগটকট মিনি প্ৰজেক্ট আছে। লগটকৰ পৰা যিটো প্ৰজেক্ট আছে। লগটকৰ পৰা যিটো গাৰৰ মেঘালয়ৰ মাজেদি আহে সেইটো মেঘালয়ে কাটি ৰাখে। পাৰাৰ নাপাই। কিন্তু কাৰবিং আংলংত পাব।

★ Speech not corrected

শ্রীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই পানীখিনি ওপৰলৈ নি ষ্টৰেজ কৰিলে যি মেগাৱাট পাব তাৰে লোকেলি সুবিধা কৰিব পাৰে।

শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এনেকুৱা সৰু সৰু কথা বিলাক বিবেচনা কৰি আছো। এই বিষয়ে প্ৰস্তাৱ লৈ আগবাঢ়িম আৰু এই ক্ষেত্ৰত অধিক হেচা দি থকা হৈছে।

শ্রীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক প্ৰস্তাৱ সদনত বৰ্ণনা কৰা হৈছে সেই প্ৰস্তাৱকেইটাতহে আমি আলোচনা কৰিব লাগে।

★ শ্রীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা কথালৈ অহাৰ আগে আগে মই স্পষ্টীকৰণ বিচাৰিছো যদিও প্ৰথম পইন্টটোৰ বিষয়ে মই কাৰো পৰা স্পষ্টীকৰণ বিচৰা নাই। যোৱাবাৰ সদনত এজন মন্ত্ৰীয়ে পাঠশালাত পঢ়োৱাৰ দৰে বক্তৃতা শুনাইছিল। সেইজন আছিল বৃন্দাবন গোস্বামী। আপোনালোকে ইয়াত যেনেকৈ কৈ থাকে থিক তেনেকৈ দিল্লীত কলে ভাল হয়। এতিয়া এনেকুৱা লাগিছে যেন বৃন্দাবন গোস্বামীহে আছে। মোৰ ২ নং হৈছে— মাননীয় সদস্য নজমূল হক ডাঙৰীয়াই ধৰ্ণা দিবলৈ যাওঁতে পুলিচে বেয়াকৈ মাৰ পিট কৰি চি, আৰ, পি, লকআপত ভৰাই থৈছিল। তেখেতে বেয়াকৈ জখম হৈছে। সদস্যজনৰ বিষয়ে মাননীয় অধ্যক্ষ আৰু চৰকাৰক জনোৱা হৈছিল। বিধায়ক গৰাকীৰ ক্ষেত্ৰত যিখিনি তৎপৰতা লব লাগিছিল সেইখিনি অভাব যেনহে লাগিছে। তেখেতক পুলিচে মাৰি এৰি দিয়াৰ পিচত তেখেতক হস্পিতেললৈ নিব লগীয়া হৈছিল। ডিঙিৰ তলত বুকুৰ হাড়দাল ভাঙিছে। তেখেতৰ হাৰ্টৰ অসুখ আছে। মেডিকেললৈ পেচেন্ট নিবৰ কাৰণে গাড়ী নাই। আমাৰ মাজৰ এগৰাকী সদস্যৰ এনে অৱস্থা হোৱাৰ কাৰণে মই সদনত দুখ প্ৰকাশ কৰিছো। হাউচ যেতিয়া চলি থাকে তেতিয়া অন্ততঃ এখন গাড়ী ৰেডি ৰাখিব লাগে। নজমূল হক ডাঙৰীয়াৰ সংকট অৱস্থাত মেডিকেললৈ নিবৰ কাৰণে কোনো এখন গাড়ী পোৱা নগ'ল সেই সময়ত শ্ৰীৰুদ্ৰ বৰা ডাঙৰীয়াৰ গাড়ীখন নোপোৱা হ'লে তেখেতক আমি হেৰুৱাব লগীয়া অৱস্থা হলহেঁতেন। আমাৰ অৱস্থা একেবাৰে বেয়া হৈ গৈছে গগৈ ডাঙৰীয়াই মাৰ খাইছে আমি মাৰ খাইছো আৰু নজমূল হক বেচেৰা.......। হোষ্টেলত বেমাৰী আছে গাড়ী নাই। এইবিলাক কথা মাননীয় অধ্যক্ষ মহোদয়ে দয়া কৰি চালে ভাল হয়।

★ Speech not corrected

★ শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীনজমূল হক ডাঙৰীয়াৰ সংকটাপূৰ্ণ অৱস্থা দেখি আমাৰ মাননীয় সদস্য শ্ৰীআলাউদ্দিন সৰকাৰ ভায়াই হস্পিতাললৈ গৈছিল। তেখেতে উশাহ্ লোৱাত যথেষ্ট অসুবিধা পাইছে। তেখেতৰ মুখৰ পৰা জানিব পাইছে— দিনৰ ৭ বজাৰ পৰা ২ বজালৈকে এটুপা পানীও খাবলৈ দিয়া নাই। কয়দী ৰখা লক আপত তেখেতক গতিয়াই গতিয়াই সোমোৱাইছিল। এজন ডি, এচ, পিয়ে কৈছিল, এইজন পাৰ্টিৰ ফাল্টু মানুহ। তেওঁক একো খাবলৈ দিব নালাগে। তেখেতৰ লগতে এগৰাকী মহিলাও মাৰ খাইছিল। তেওঁৰ নাকেদি তেজ ওলাইছিল। তাতে থকা এজনে কৈছিল এখেত সকলে মাৰ খাইছে, চাহ এটোপা খাবলৈ দিওঁ। কিন্তু চাহ্ দিবলৈ অনুমতি নিদিলে। ৰঙিয়াৰ পৰা এজন পুলিচ বিষয়া আহিছিল। তেখেতে চিনাক্ত কৰি দিয়াতহে চাহ্ খাবলৈ দিছিল। হোষ্টেলত গাড়ী নোপোৱা হলে নজমূল হক বাচি নাথাকিলহেঁতেন। বিৰোধী দলৰ সদস্যই নহয়, সকলো সদস্যৰ নিৰাপত্তা জড়িত আছে। বিধান সভা চলি থকা সময়ত এখন গাড়ী দৰকাৰ। বিধান সভা চলি থকা সময়ত যাতে পুলিচে বিধায়কক মাৰপিট কৰিব নোৱাৰে এইটো চাব লাগে মাননীয় স্বাস্থ্য মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নজমূলক হক ডাঙৰীয়াক চাই আহিব পাৰে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ওচৰত বহা সদস্য জনে মোক কাণে কাণে কৈছে। তেখেত ঢুকালে ইলেকচনত আই কংগ্ৰেছ গ'লহেঁতেন।

★ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এজন সদস্যক গ্ৰেপ্তাৰ কৰিলে ২৪ ঘন্টাৰ ভিতৰত সদনৰ সদস্য সকলক জনাব লাগে। কিন্তু আমি এতিয়ালৈ খবৰ পোৱা নাই। কেৱল মাননীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰী আৰু শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াইহে সদনত উংত্থাপন কৰিছে। কেবল বিধায়কেই নহয় যি কোনো মানুহক কিবা কাৰণত গ্ৰেপ্তাৰ কৰিলে আইনমতে ২৪ ঘন্টাৰ ভিতৰত শাস্তি দিব নোৱাৰে। এইটো অপৰাধ কৰিছে। এই সম্পৰ্কত তদন্ত হোৱা দৰকাৰ। শ্ৰীপ্ৰমোদ গগৈ, শ্ৰীশশকমল সন্দিকৈ আৰু শ্ৰীআলাউদ্দিন সৰকাৰ এই কেইজনক পুলিচে মাৰপিট কৰিছে। এই বিলাকৰ তদন্ত

---

★ Speech not corrected

বিচাৰো নেপালী ছাত্ৰৰ ওপৰতো সাংঘাটিক অত্যাচাৰ কৰিছে। পৰহি ইলিমেন্টেৰী অফিচৰ সন্মুখত এগৰাকী মহিলা শিক্ষয়িত্ৰীৰ শাৰী খুলি দিছে। চুলিত ধৰি টানিছে। মাননীয় অধ্যক্ষ মহোদয়, বাকীখিনি মোৰ ক'বলৈ বেয়া লাগে। তাৰোপৰি মাননীয় অধ্যক্ষ নজমূল হক ডাঙৰীয়াৰ ওপৰত ঘটনাটো ঘটিছে। সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো অধ্যক্ষ মহোদয়ে নজমূলক চেফগাৰ্ড দিব লাগে। চৰকাৰক ভালৰি বুলাবৰ কাৰণে কিছুমান পুলিচ বিষয়াই অত্যাচাৰ কৰা দেখা যায়। এইবিলাক কোনো মন্ত্ৰী বা বিধায়কে উচটাই নিদিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি মই এটা মোচন কৰলৈ বিচাৰিছিলো কিন্তু মোক কৰলৈ নিদিলে। এই সংক্ৰান্তত চৰকাৰে এটা ষ্টেটমেন্ট দিলে ভাল হয়। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে আপুনি এটা ৰুলিং দিয়ক যাতে আমাৰ মাননীয় সদস্য গৰাকীক যি ধৰণে বেয়া ব্যৱহাৰ কৰি মাৰপিট কৰা হৈছে তাৰ এটা সঠিক ৰিপোৰ্ট দিয়ে। তেখেতক পানী খাবলৈ বন্ধ কৰি দিয়া হৈছিল। তেখেতক গুৱাহাটী মেডিকেল কলেজৰ পৰা অল ইণ্ডিয়া মেডিকেল ইনষ্টিটিউটলৈ পঠোৱাৰ ব্যৱস্থা কৰক। এই কথাটো সাধাৰণ ভাবে লব নালাগে মানুহজনে মুখেৰে কথা কব পৰা নাই হাতেৰে টাৱেল খন লব পৰা নাই। যদি আমাৰ সদস্য সকলোৰে অৱস্থা এনেকুৱা হয়, তেতিয়া হলে সৰ্বসাধাৰণ মানুহৰ অৱস্থা কি হৈছে সেইটো বৰ্ণনাতীত। তেখেতৰ চিকিৎসাৰ আৰোগ্য কামনা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ হাৰ্টৰ অসুখো আছে। গুৱাহাটী মেডিকেলত হাৰ্টৰ বিশেষজ্ঞ নাই। তেখেতক সদস্য বুলি গম পোৱাৰ পিছতো পানী খাবলৈ দিয়া নাই। বিচাৰ হব লাগে। ইয়াৰ দ্বাৰা সকলো সদস্যই অপমানিত হৈছে। সন্মানিত মহিলা গৰাকী অপমানিত হৈছে। ইয়াৰ বিচাৰ হব লাগে। মাননীয় মুখ্যমন্ত্ৰী এইটো সন্মানৰ বিষয় হিচাপে নোলোৱাই ভাল হ'ব। কোনো মন্ত্ৰীয়ে বা কোনো চৰকাৰে অত্যাচাৰ কৰিবলৈ পুলিচক লগাই নিদিয়ে কেতিয়াবা বিশেষকৈ আৰক্ষী বিভাগৰ অফিচাৰে চৰকাৰক বাল লগাবলৈ গৈ আইন বৰ্হিভূত কামত লিপ্ত হয়। যদি ইয়াক অংকুৰতে বিনাশ কৰা হয় তেতিয়া হ'লে ইয়াৰ পৰিনাম ভয়াবহ হ'ব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান পুলিচৰ যি অতিশৰ্য্য চলি আছে তাক বন্ধ কৰিব লাগে। আমি দেখিছো এছেম্বলি চলি থকা সময়তে মেক্সিমাম

---

★ Speech not corrected

পুলিচে অত্যাচাৰ চলাই আছে। গণতান্ত্রিক ভাবে বা দাবী উত্থাপন কৰি নোৱাৰো তেতিয়াহলে কেনেকৈ দাবী বিলাক উত্থাপন কৰিম। সেইদিনা তিনিদিন মান আগতে ডি, পি, আই, অফিচৰ সন্মুখত এজনী প্ৰধান শিক্ষয়ত্ৰীৰ কি অৱস্থা কৰিছিল আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই ইতিমধ্যে কৈছে। সেই অৱস্থাৰ কথা বৰ্ণনা কৰিব নোৱাৰো। যদি মহিলাৰ ওপৰতে এনেকুৱা বেয়া ব্যৱহাৰ চলে তেতিয়াহ'লে তাতকৈ দুখৰ কথা কি হ'ব পাৰে? দ্বিতীয়তে, আজি কিছুদিন আগতে আলোচনা কৰিলো আমাৰ মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ আৰু শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াক পুলিচে কেনেদৰে মাৰপিট কৰিছিল, লাঠিৰে কোবাই বেয়া ব্যৱহাৰ কৰিছিল। তাৰ পিছত আকৌ এছেম্বলি চলি থকা অৱস্থাতে মাননীয় সদস্য নজমূল হক ডাঙৰীয়াৰ যিটো অৱস্থা কৰিলে। সেইটো বৰ দুখ লগা কথা। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্বাস্থ্য মন্ত্ৰীক নাইবা কোনোবা এজন মন্ত্ৰীক দি তেখেতক গুৱাহাটী মেডিকেলৰ পৰা চিকিৎসাৰ বাবে বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা খিনি যাতে চৰকাৰে কৰে তাৰ বাবে অনুৰোধ জনালো। এই বিষয়ত তদন্ত কৰি যাতে বিহিত ব্যৱস্থা লোৱা হয় তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এজন বিধায়কক এজন কনিষ্টবলে দিশপুৰৰ লাষ্টগেটত বেয়া ব্যৱহাৰ কৰিছিল। প্ৰথমতে কনিষ্টবল জনে নজনাৰ দোষত তেনে কৰিছে বুলি ভাবা হৈছিল। কিন্তু বিধায়ক বুলি জনা স্বত্বেও কনিষ্টবল জনে কলে যে পিঠিত এম, এল, এ, বুলি এখন লেবেল লগাই লওক। গতিকে এইটো কিমান দূৰ সমীচিন হৈছে, বিচাৰ কৰি চাওক।

★ শ্ৰীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই নিজে নজমূল হক ডাঙৰীয়াক লগ পাইছো। তেখেতৰ হাড় এডাল ভাগি গৈছে। তেখেতে বহুতো কষ্ট পাই আছে। এক্‌সৰে কৰাও হ'ল। যোৱা কালি তেখেতে তাকে চাবলৈ গৈছিল। আজি এজন ডি, এচ, পিএ তেখেতক এম, এল, এ, বুলি জনাস্বত্তেও বেয়া ব্যৱহাৰ কৰিলে এই বিষয়ে অনুসন্ধান আৰু শাস্তিমূলক ব্যৱস্থা লবলৈ অনুৰোধ জনালো। আমাক যোৱা মাৰ্চ মাহৰ ৪ তাৰিখে যি অপমান কৰিলে তাৰ আজিও ব্যৱস্থা নললে।

★ Speech not corrected

এই ধৰণে পুলিচ বিষয়া সকলে অপমান কৰিবলৈ সুযোগ পালে এক গণতান্ত্রিক আন্দোলন পুনৰ গঢ়ি উঠাৰ সম্ভাৱনা আছে।

★ শ্রীভৰত চন্দ্র নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, কংগ্রেছ আই চৰকাৰে অহাৰ পৰাই পুলিচ বাহিনী স্বেচ্ছাচাৰী হৈ উঠা দেখা গৈছে। কিন্তু মুখ্যমন্ত্রী ডাঙৰীয়া গৃহ বিভাগৰ দায়িত্বত থাকিও কিয় গুৰুত্ব দিব পৰা নাই? গতিকে এই পুলিচ বিষয়া জনৰ সোনকালে এটা ব্যৱস্থা লব লাগে।

★ শ্রীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়নাথ শর্মা ডাঙৰীয়াই কৈছে যে সদস্য জনক অল ইণ্ডিয়া মেডিকেল ইন্সিটিউটলৈ নিব লাগিব। মই সেই বিষয়ে খবৰ কৰিম। আচলতে তেওঁক ২৪ ঘন্টাৰ ভিতৰতে এৰি দিব লাগিছিল কিন্তু আজিলৈকে এৰি দিয়া নাই। সদস্য সকলৰ যি অধিকাৰ সেই অধিকাৰত আজি খৰ্ব কৰা হৈছে। গতিকে এই বিষয়ে সু-ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকলে উত্থাপন কৰা বিষয়টো মই উপলব্ধি কৰিব পাৰিছো। কালি যে তিনি মান বজাত কথাটো জানিয়েই মই লগে লগে ডি, জি, পি,লৈ ফোন কৰিছিলো। তেতিয়া ডি, জি, পিয়ে ক'লে যে তেখেতক পি, আৰু বন্দত মুকলি কৰি দিব খুজিছিলো, কিন্তু তেখেত মান্তি নহ'ল। ডি, জি, পিৰ কথাহে মই কৈছো যি কি নহওঁক, যি ঘটনা হৈ গ'ল তাৰ বাবে মই বৰ দুখীত। আমাৰ দিশপুৰত গাড়ী নোপোৱাটো এটা বৰ দুখৰ কথা। মই জনাত প্ৰায় এম, এল, এৱে গাড়ী আছে। মোক ক'লে মোৰ গাড়ীৰেই নিজেই ড্ৰাইভ কৰি তেখেতক হাস্পিটেলত থৈ আহিলোহেঁতেন। মই তেখেতক আই, আই, এমচিলৈ নিয়াৰ মই ব্যৱস্থা কৰিম। আৰু যিমান টকা পইচা খৰচ হয় সেইখিনি বহন কৰিম।

মই এই বিষয়টো চাম, জিৰো আওৱাৰচৰ পিচত মই ঘোষণা কৰিম বুলি ভাবিছিলো, যি কি নহওঁক সদন ভঙাৰ পাচত মই নিজে যাম আৰু মাননীয় সদস্য সকলৰ যদি কোনোবা যায় তেতিয়া হলে আমি একেলগে যাম আৰু ডাক্তৰৰ লগত তেখেতৰ চিকিৎসাৰ বিষয়ে পৰামৰ্শ কৰিম আৰু যদি মেডিকেল চিকিৎসাৰ কাৰণে বাহিৰলৈ পঠাব লাগে পঠাম।

---

★ Speech not corrected

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয় আমি শাসক দলৰ হওঁ বা বিৰোধী দলৰ হওঁ সেইটো কথা নহয় বা এইটো ৰাজনীতি নহয়, আমি দুখ পাইছো যে বিৰোধী পক্ষ্যৰ সদস্য সকল বাৰে বাৰে পুলিচৰ হাতত অপমানিত হৈছে। আমাৰ বিধায়েকৰ প্ৰিভিলেজ বা মৰ্যদা খিনি বাৰে বাৰে উলংঘা কৰা হৈছে। সিদিনা মই নিজে বজাৰৰ পৰা বয়বস্তু লৈ অটোৰিক্সা লৈ হোষ্টেললৈ আহিছো, তেতিয়া পুলিচজনে মোক অটোখনত আহিব নিদিলে। মই ক'লো মই এম, এল, এ চন্দ্ৰ মোহন পাটোৱাৰী। তথাপিতো তেখেতে মোক অটোখন লৈ যাব নিদিলে, ক'লে যে বস্তু-বাহানি লৈ খোজ কাঢ়ি যাওঁক। তেতিয়া উপায় নাপাই মই অ চি জনক কলো কিন্তু অচিজনে মোক ভালদৰে কোৱাক চাৰি তেওঁ মোক ক'লে এম, এল, এ গিৰি নেদেখুৱাবি। তেতিয়া মোৰ খং উঠিল, মই যি ক'ব লাগে কৈছো অৰশ্যে পিছত ক্ষমা খুজিছে। গতিকে পুলিচে কেনে ধৰণৰ ব্যৱহাৰ কৰে সেইটো জানিব পাৰিছে।

শ্ৰীচামছুল হুদা ঃ অধ্যক্ষ মহোদয়, তেখেতে সাধাৰণ পুলিচ বুলি কৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সাধাৰণ পুলিচ বুলি কোৱা নাই, কনিষ্টবল বুলি কৈছো। তেখেতে হাইকোৰ্টৰ ইন্টাপিটেশ্যন কৰিব নালাগে। ভয়চঃ (হাইকোৰ্টৰ নহয়) তেখেতে হাইকোৰ্টৰ বুলি কয়। বেয়া ব্যৱহাৰ যিটো বিধায়কৰ ওচৰত হৈছে সেইটো চলি আছে। গতিকে আপুনি এটা ৰুলিং দি The privileges of the ML As will be maintained in the matter of execution of the time and again we are being insulted. এইটোৰ ব্যৱস্থা কৰক। ইয়াত আমি বৰ দুখ পাইছো। আমি বিধান সভাৰ মজিয়াত কিমান যুদ্ধ বিগ্ৰহ কৰো তাৰ পাচত আকৌ কেন্টীনত গৈ একেলগে বহি চাহ খাওঁ, আমাৰ যিটো বন্ধুত্বৰ, আমি বজাই ৰাখো। আজি আপোনালোক পাৱাৰত আছে হয়তো কাইলৈ আমিয়ো পাৱাৰত আহিব পাৰো, সেইটো বেলেগ কথা কিন্তু যি দলেই পাওৱাৰত থাকক তেওঁলোকে চাব লাগে যাতে পুলিচে বিধায়কৰ প্ৰতি অসত আচৰণ কৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক হব লাগে। পুলিচৰ শিতানত যেতিয়া আলোচনা হৈছিল তেতিয়া পুলিচৰ ব্যৱহাৰ ভদ্ৰ হ'ব লাগে। দেশৰ তথা ৰাজ্যৰ জলন্ত সমস্যাৰ ক্ষেত্ৰত ৰাজ্যৰ পুলিচে শুই থাকে আৰু তাৰ অধিক টকা ব্যয় কৰি বি এচ এফ, চি আৰ পি, পেৰামিলিটাৰী

★ Speech not corrected

ফোৰ্চ আৰু মিলিটাৰী আনিব লগা হয়, আনহাতে ৰাজ্যৰ পুলিচে সাধাৰণ ৰাইজৰ ওপৰত বৰবৰ অত্যাচাৰ আৰু অসভ্য ব্যৱহাৰ কৰে। পুলিচৰ এই অসত আচৰণ সাধাৰণ ৰাইজৰ ওপৰত চলি থাকিব নেকি? নিয়মানুযায়ী ৰাজনৈতিক নেতা বিধায়ক বা এম পিক হেণ্ডকাফ দি নিব নোৱাৰে তেনে ক্ষেত্ৰত এইটো কেনেকৈ হ'ল। গতিকে আমাৰ বিধায়ক সকলৰ প্ৰিভিলেজ মেইনটেইন কৰাৰ ক্ষেত্ৰত ৰুলিং দিব লাগে যেনেকৈ আজি বিদ্যুতৰ ক্ষেত্ৰত আপুনি সদনত এটা আনপ্ৰিচিদেন্ট ৰুলিং দিলে।

শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্বপূৰ্ণ হিচাবে লব লাগে, অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়াৰ পাচতো এজন সাধাৰণ কনিষ্টবলে নিয়ম ভায়োলেট কেনেকৈ কৰিব পাৰে গতিকে বিধায়ক সকলৰ প্ৰিভিলেজ মেইনটেইন কৰাব কাৰণে আপোনাৰ পৰা ৰুলিং দিব লাগে আৰু বাস্তৱ ক্ষেত্ৰত এই ৰুলিং প্ৰযোজ্য হ'ব লাগে।

Shri Mission Ranjan Das : Mr. Speaker Sir, whether Hon'ble Speaker was informed about my arrest on 24th March at Karimganja.

শ্ৰীভূপেন ৰায় ঃ অধ্যক্ষ মহোদয়, বঙাইগাওঁৰ বিধায়কৰ পি, এচ, অ'ক কিয় উইদ্ৰ কৰা হ'ল? ইয়াত কিবা ষড়যন্ত্ৰ আছে নেকি? পুলিচে এইবিলাক কি কাৰ্য্য কৰিছে ?

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ এম, এল, এ হোষ্টেলত স্কুটাৰ চুৰি হৈছে, তাত চোৰ ডকাইত বেছি হৈছে।

## ADJOURNMENT MOTION

Mr. Speaker : I fully understood the feelings. I hope henceforth police will be courtious and respectful to the elected representatives of the people.

মাননীয় বিধায়ক সকলৰ সন্মানত যাতে আঘাত হনা নহয় তাৰ প্ৰতি পুলিচক সতৰ্ক কৰা হ'ব আৰু পুলিচ যাতে কাৰচিয়াচ হয় সেই সম্পৰ্কত মই চাম।

★ Speech not corrected

I am responsible only for the MLAs. Now, I have received a notice of Adjournment Motion under Rule 156 tabled by Honourable Members.

Shri P. K. Mahanta, Shri Zoii Nath Sarma, Shri Sashakamal Handique, Shri Mission Ranjan Das, Shri Bharat Ch. Narah, Shri Bhupen Rai, Shri Binod Gowala and Smti Renupoma Rajkhowa about. "ৰাজ্যখনত পুনৰ সেনাৰ ব্যাপক অভিযানৰ ফলত ছিপাঝাৰত এজন গুলিবিদ্ধ"

Now, I call upon the Honourable Member Shri P.K. Mahanta to speak about the admissibility of the Adjournment Motion.

★ Shri Zoii Nath Sarma : Mr. Speaker Sir, I beg to move the adjournment motion and I respect the Hon'ble Speaker to suspend other business of the House for the day. "ৰাজ্যখনত পুনৰ সেনাৰ ব্যাপক অভিযানৰ ফলত ছিপাঝাৰত এজন গুলিবিদ্ধ" অধ্যক্ষ মহোদয়, এই বিষয় আলোচনা কৰাৰ কাৰণে আজিৰ দিনটোৰ বাবে যি বিলাক কাৰ্য্যসূচী আছে সেই সকলো বিলাক কাৰ্য্যসূচী স্থগিত ৰাখি এই বিষয়টো আলোচনা কৰিব লাগে। এতিয়া এটা বিষয় সভা স্থগিত কৰি আলোচনা কৰাৰ কাৰণে যুক্তি যুক্ত হয়নে নহয় তাৰ কাৰণে কেইটামান নীতি আমি স্পষ্টভাবে দাঙি ধৰিছো। পোন প্ৰথমে আমি এইটো কথা জানো যে, এটা বিষয় সভা স্থগিত কৰি আলোচনা কৰাৰ কাৰণে পোনপতীয়াভাবে বিষয়টোৰ ওপৰত মিনিষ্ট্ৰিয়েল ৰেচপন্দচিবিলিটি আছেনে নাই, বা বিনা দোষী মানুহক আলফাই হওঁক বা আনেই হওঁক, এজন চিটিজেন হিচাবে হওঁক বা বিদেশীয়েই হওঁক তেওঁক চৰকাৰে জীৱনৰ ৰক্ষণা-বেক্ষন দিয়াটো সংবিধানত আছে। আইনৰ দ্বাৰা এচটাব্লিচ দোষী বিদেশী হলেও তেওঁক হত্যা কৰিব নোৱাৰে, তেওঁৰ জীয়াই থকা অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে। কিয়নো চৰকাৰক জনসাধাৰণৰ জীৱন ৰক্ষাৰ দায়িত্ব ন্যস্ত কৰা হৈছে। কিন্তু চৰকাৰ ব্যৰ্থ হৈছে। সেই হিচাবে এই প্ৰস্তাৱটোৰ মিনিষ্টিয়েল ৰেচপন্দচিবিলিটি আছে আৰু সেই বাবে সভা স্থগিত কৰি এই প্ৰস্তাবটো

★ Speech not corrected

আলোচনাৰ বাবে উপযুক্ত বিষয়। দ্বিতীয়তে বিষয়টো দেফিনিট হয়নে নহয়? ৰাজ্যখনক যোৱা কালি মাননীয় মুখ্য মন্ত্রী মহোদয়ে এটা বিবৃতি দিছে। এই বিবৃতি দিয়াৰ কিছু সময়ৰ পিচতে ছিপাঝাৰত মোৰ নিজৰ সমষ্টিত এজন যুৱকক সেনাই হত্যা কৰিছে বুলি ওলাইছে। কিন্তু পিছত জানিব পাৰিলো যে হত্যা কৰা হোৱা নাই গুৰুতৰভাৱে আঘাটপ্রাপ্ত হৈছে। পিছত ৰাইজে জনাইছে যে, গুৰুতৰভাবে আঘাট হৈছে বুলি টেলিফোনত জনাইছে। আৰু এই ঘটনা যোৱা কালি সংঘটিত হৈছে। গতিকে পোন পটিয়াভাবে আৰজেন্ট বুলি নকলেও নিশ্চয় অন্যায় বুলি আমাৰ এই বিষয়টো আলোচনাৰ কাৰণে আনিব পাৰে। অধ্যক্ষ মহোদয়, যোৱা ৩০ তাৰিখে এপ্রপিয়েচন বিলৰ বিতৰ্কত ভাগ লৈ এটা কথা পোনপটিয়াভাবে মুখ্যমন্ত্রী মহোদয়ক কৈছিলো যে, দৰং জিলাত এক নৰহত্যা প্রক্রিয়া আৰম্ভ হৈছে বিশেষকৈ আৰ্মি, বি, এচ, এফৰ দ্বাৰা এই নৰহত্যা অত্যাচাৰ বিলাক কৰোৱা হৈছে। অধ্যক্ষ মহোদয় ইয়াৰ আগৰ ঘটনা বিলাক আপোনালোকে জানে, দিপিলাত ঘটনা হৈছে, গভৰাত ঘটনা হৈছে। আমি দিপিলালৈ সদন কমিটি গৈছো। শুক্লেশ্বৰ ডেকাক বিনা দোষত গুলিয়াই হত্যা কৰা হৈছে। অধ্যক্ষ মহোদয়, যোৱাকালি যিটো ঘটনা হৈছে এই ঘটনা সম্পৰ্কত মই আমাৰ মুখ্যমন্ত্রী মহোদয়ক যোৱা ৰাতি ৯ বজাৰ পিচত টেলিফোন যোগে কৈছিলো। ৪/৫ জন আলফা কৰ্মীক ধৰিবলৈ গৈ অসমৰ জনসাধাৰণক অত্যাচাৰ কৰিছে। কিন্তু চৰকাৰৰ সৰ্বসাধাৰণ ৰাইজক মৰাৰ উদ্দেশ্য নহয় কিন্তু কিয় আজি সাধাৰণ মানুহৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰা হৈছে ? যোৱা কালি শুনিছো পৰহি আৰু যোৱা ৰাতি কিছুমান অঞ্চলত মানুহ শুব পৰা নাই। দক্ষিণ চুবুৰী, নায়কপাৰা, পাথৰিঘাট বজাৰ দিপিলা, হোচেন চুবুৰী, গভৰা, দোনী, কলাইগাওঁ আদি অঞ্চলত ৰাতি ২/৩ বজাৰ পিছত আৰ্মিয়ে গৈ ৰাইজৰ ঘৰৰ দুৱাৰত টক টকায়। আৰ্মি দেখি মানুহৰ ভয় ভাব আহিছে। পুলিচ মিলিটেৰী দেখা পালে আমাৰ মনত সাহস আহিব লাগে। কাৰণ পুলিচ মিলিটেৰীয়ে আমাক বিপদৰ সময়ত বচাব। কিন্তু আজি তাৰ বিপৰীত আজি ৰাইজৰ মনত সন্ত্রাসৰ সৃষ্টি হৈছে। শংকাৰ ভাৱ আহিছে, ভয়ৰ ভাৱ আহিছে আৰু এই পৰিবেশ এই চৰকাৰে সৃষ্টি কৰিছে ৰাজ্যত সেনা মেলাৰ সিদ্ধান্তৰে অধ্যক্ষ মহোদয়, মই দুখেৰে সৈতে জনাইছো যে, দৰং জিলাত ৩ গৰাকী আলফা কৰ্মী যেনে জন্টি চহৰীয়া, জ্যোতি শইকীয়া আৰু নিতু শৰ্মাক

★ Speech not corrected

ধৰিবৰ কাৰণে সৈন্য মেলি দিয়া হৈছে। জলতি চহৰীয়া বুলি শুক্লেশ্বৰ ডেকাক মৰা হ'ল। যোৰা কালি এই ৩ জনৰ ভিতৰত এজনক আধামৰা কৰিলে যোৰা কালি এজনে টেলিফোনত কৈছে যে, তাত আৰ্মিয়ে হোনো কৈছে যে, "তুমলোককা লিদাৰ জয়নাথ শৰ্মাকে ইয়াদ দেগা (পিষ্টল দেখুৱাই কয়) কিন্তু কি দিব বুলি পোৱা নাই। অধ্যক্ষ মহোদয়, ৰাখে হৰি মাৰে কোনে মাৰে হৰি ৰাখে কোনে" মোৰ মৃত্যুত হাত আছে এক মাত্ৰ ভগবানৰ। মোৰ মৃত্যু কংগ্ৰেছৰ ওচৰত নাই। মিলিটেৰিৰ ওচৰত নাই।

(ভইচ ঃ তেনেহলে ভয় কৰিব নালাগে)

অধ্যক্ষ মহোদয়, এতিয়া যি ধৰণে মোৰ সমষ্টি ছিপাঝাৰত নৰহত্যা আৰম্ভ কৰিছে তাতহে ভয় খাইছো। অধ্যক্ষ মহোদয়, যেতিয়া চাউলখোৱাত ঘটনা হয় সেই সময়ত মই কাছাৰ জিলাত আছিলো আৰু আপুনিও বাহিৰত আছিল।

(ভইচ ঃ নেলীত ঘটনা হওঁতে আপুনি ক'ত আছিল ?)

অধ্যক্ষ মহোদয়, যেতিয়া নেলীত ঘটনা হৈছিল তেতিয়া মই শইকীয়া দেৱৰ আশীৰ্বাদত ডিমাপুৰ জেলত আছিলো। গতিকে অধ্যক্ষ মহোদয়, যদি আপুনি এই বিতৰ্কত অংশ গ্ৰহণ কৰাৰ বাবে অনুমতি দিয়ে তেনেহ'লে ঘন্টাৰ পিছত ঘন্টা বিৰ্তক কৰিব পাৰো আৰু আপোনালোকৰ ৮ মাহৰ যি কীৰ্তি আৰু ১৯৮৩ চনৰ যি কীৰ্তি সেই কথা কবলৈ প্ৰস্তুত আছো। আমাৰ শুদ্ধ বা ভুলৰ বাবে সমালোচনা হোৱাৰ কাৰণে আমি প্ৰস্তুত আছো। অধ্যক্ষ মহোদয়, এতিয়া ঘটনা হৈছে যে, মোৰ গোটেই সমষ্টিটোতে মানুহৰ ওপৰত অন্যায়ভাৱে অত্যাচাৰ চলোৱাৰ ষড়যন্ত্ৰ কৰিছে। মই এই সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছিলো। তেখেতে কৈছিল, এনে হব নালাগে মই চাম। তাৰোপৰি এতিয়া যি ধৰণে থকাৰ ব্যৱস্থা আৰম্ভ কৰিছে এই আলোচনা কৰক তেখেতে বুজিবলৈ চেষ্টা কৰক। যোৱা কালি মুখ্যমন্ত্ৰীয়ে আলফা সম্পৰ্কত এই সদনত যিটো বিবৃতি দিছিল তাৰ ওপৰত শাসকীয় দলৰ ফালৰ পৰা ধন্যবাদ সূচক প্ৰস্তাৱ আহিব বুলি আমি আশা কৰিছিলো, কিন্তু নাহিল। বোধকৰো মুখ্যমন্ত্ৰীৰ বিবৃতি কংগ্ৰেছ দলৰ সকলোৱে অন্তৰৰ সৈতে ভাল পোৱা নাছিল বা মানি লব পৰা নাছিল। সেয়ে ধন্যবাদ সূচক প্ৰস্তাৱ নাহিল। এই প্ৰস্তাৱ অহা হলেও

আমি ইয়াৰ বিৰোধিতা নকৰিলোহেঁতেন। আমি মনে মনে থাকিলোহেঁতেন। আজি বিৰোধী পক্ষৰ সমৰ্থিত চৰকাৰে সৈন্য বাহিনী মেলি দি জনসাধাৰণৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিছে।

অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সমৰ্থিত পঞ্চায়ত নিৰ্বাচনত কোন কোন বিৰোধী পক্ষৰ লোক জিকিছে তাৰ বুজ সৈন্যই লৈছে। পঞ্চায়ত ইলেকচনৰ লগত সৈন্যৰ সম্পৰ্ক কি? মই এইটো কবলৈ যোৱা নাই যে মাননীয় মুখ্যমন্ত্ৰীয়ে এইটো কৰিবলৈ কৈছে। সৈন্যবাহিনী অনা হৈছিল আলফাক দমন কৰিবলৈ। কিন্তু তেওঁলোকে আজি যুৱতীৰ গাত দিছে, বোৱাৰীৰ গাত হাত দিছে। অধ্যক্ষ মহোদয়, মোৰ ভনী জনীৰ গাত যদি সৈন্যই হাত দিয়ে মই আলফা হৈ যাম। আজি সৈন্যই মোৰ সমৰ্থিত মাৰিছে, কালিলৈ যে আপোনাৰ সমৰ্থিত মানুহ নেমাৰিব তাৰ কোনো গেৰান্টি নাই। জুই জ্বলিছে, জুয়ে— এইটো বুঢ়া, এইজনী ধুনীয়া, এইটো বেয়া সেইবোৰ একো নাচায়— সকালোকে পুৰি শেষ কৰিব। বানপানী আহিলে সকলোকে ধ্বংস কৰিব কাকো বাচি বাচি ধ্বংস নকৰে। এই ক্ষেত্ৰত চৰকাৰে সঠিকভাবে দায়িত্ব পালনত ব্যৰ্থ হৈছে। আলফাৰ লগত চৰকাৰে আলোচনা কৰিবলৈ ওলোৱাত আমি আপত্তি কৰা নাই, আমি কৈছো আলফাৰ লগত আলোচনা হ'ব লাগে, কিন্তু এই আলোচনা ফলপ্ৰসু হ'ব লাগে। মানুহ মাৰি নহয়। চুপ্ৰিম কৰ্টত কৈছে— No persons should be deprived of life protection is extended to live as human being. No persons should be deprived of life and property unless established by law. মানুহ জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে। গ্ৰেপ্তাৰ কৰিব পাৰে কিন্তু গুলি মাৰিব নোৱাৰে। সেইজন ভাৰতীয় নাগৰিকেই হওঁক বা বিদেশী নাগৰিকেই হওঁক মাৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, মোৰ সমৰ্থিত যি তিনিজন আলফা আছে বুলি কৈছো— সেই কেইজনক মাৰিবলৈ চৰকাৰে এক গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। ষড়যন্ত্ৰত লিপ্ত নোহোৱা হলে যোৱা কালিৰ এই ঘটনাটো নহ'লহেঁতেন। ইয়াৰ মাজত মই এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ দেখিবলৈ পাইছো। নহলে কিয় বাৰে বাৰে চৰকাৰে দৰং জিলাত আৰ্মি মেলি দি মানুহক হত্যা কৰিবলৈ লাগিছে ? আমি এই হত্যাকাণ্ডবোৰৰ তীব্ৰ গৰিহণা দিছো।

অধ্যক্ষ মহোদয়, হিংসাৰে কোনো সমস্যা সমাধান কৰিব নোৱাৰি। এতিয়া চৰকাৰে একাংশ আলফাৰ সৈতে আলোচনা চলাবলৈ যো-যা কৰিছে— কিন্তু একাংশ আলফা নেতাই ইয়াৰ বিৰোধিতা কৰিছে। যিটো অংশই আলোচনাত বহিব বিচৰা নাই সেই অংশটোৰে এক নতুন সন্ত্ৰাসৰ সৃষ্টি কৰিব, যাকে যতে পায় তেওঁলোকে হত্যা কৰিব। এই সমস্যাৰ সমাধান ৰাজনৈতিক ভাবেই, সকলোৰে লগত আলোচনা কৰি কৰিব লাগিব— পুলিচ, মিলিটেৰী দি এই সমস্যাৰ সমাধান কৰিব নোৱাৰিব। আজি ছিপাঝাৰত সৈন্য মেলি দি আলফা সমস্যাৰ সমাধান কৰিব নোৱাৰিব। আজি আৰ্মিক ৰাজনৈতিক উদ্দেশ্য ব্যৱহাৰ কৰা হৈছে। আজি আৰ্মিয়ে অপৰিসীম ক্ষমতা পাইছে। আজি ছিপাঝাৰ, মঙ্গলদৈত আৰ্মিয়ে সি সন্ত্ৰাসৰ সৃষ্টি কৰিছে আলফাই কিন্তু এনে সন্ত্ৰাসৰ সৃষ্টি কৰা নাই। আপোনালোকে নিৰ্বাচনৰ আগতে প্ৰতিশ্ৰুতি দিছিল ৰাজ্যত শান্তি স্থাপন কৰিম বুলি। কংগ্ৰেছ দলৰ ৪ জন বিধায়ক আজি মোৰ লগত মঙ্গলদৈলৈ বলক চাওকগৈ তাত আৰ্মিৰ কি সন্ত্ৰাস চলিছে, ৰাইজ কিমান শান্তি আছে? আলফাই জনসাধাৰণক জনাই অমুক কৰিম, তমুক কৰিম বুলি কয় আৰু সেই মতে কাম কৰে। কিন্তু আৰ্মিয়ে কি কৰিছে আপোনালোক দৰং জিলালৈ বলক চাওকগৈ। আপোনালোকে জনসাধাৰণক মিছা প্ৰতিশ্ৰুতি দিছে, জনসাধাৰণৰ জীৱনক লৈ আজি খেলা কৰিছে। আজি কেৱল ছিপাঝাৰ সমষ্টিতেই নহয়, গোটেই দৰং জিলাতেই আৰ্মি মেলি দিছে। গোটেই জিলাখনত এক মিলিটেৰী সন্ত্ৰাসৰ সৃষ্টি হৈছে। মানুহ ওলাব নোৱাৰা হৈছে ভয়ত। এই সন্ত্ৰাস বন্ধ কৰিব লাগে। অধ্যক্ষ মহোদয়, জয়নাথ শৰ্মাক চৰকাৰে পদ্মশ্ৰী সন্মান দিবলৈ ওলাইছিল— কিন্তু সেইজন শৰ্মাই অলপতে কাৰোবাৰ আগত কৈছে যে জয়নাথ শৰ্মা আৰু চন্দ্ৰমোহন পাটোৱাৰীৰ ওপৰেদি মই গাড়ী চলাই দিম।

(সদনত গণ্ডগোল কাৰো কথা শুনা নগ'ল)

অধ্যক্ষ মহোদয়, মই লাহে লাহে কম বাৰু। আপুনি এডজৰ্নমেন্ট মোচনৰ ৰুলিংটো ৰিজাৰ্ভ ৰাখি ভাল কৰিছে। আজি আমি আলোচনা কৰিবৰ বাবে ৰাজ্যখনত সেনা বাহিনী মেলি দিয়াৰ পিছত আমাৰ ৰাজ্যখনত কি কি ভাল কাম হৈছে বা কি কি বেয়া কাম হৈছে, কি কি অশান্তি হৈছে, শান্তি দিব পাৰিছেনে নে অশান্তি বৃদ্ধি হৈছে

এইবোৰ দিশ চোৱাৰ প্ৰয়োজন হৈছে। আজি চৰকাৰে ৰাইজৰ মাজত সৈন্য মেলি দি যি ৰাষ্ট্ৰৰ প্ৰচাৰ সৃষ্টি কৰিছে— এই পৰিস্থিতি যদি আৰু বেছিদিন থাকে তেনেহলে আমাৰ মানুহখিনি এন্টি নেচনেল হৈ পৰিব, ৰাষ্ট্ৰবিৰোধী হৈ পৰিব। অধ্যক্ষ মহোদয় জলজলি নামে এখন গাৱত কিছুদিনৰ আগতে আলফাই এখন মিটিং পাতিছিল, এই মিটিংখন তেওঁলোকে দেখা দেখিকৈয়ে পাতিছিল পুলিচেও গম পায়, এই গাওঁখন মাননীয় মন্ত্ৰী শ্ৰীনকুল দাস ডাঙৰীয়াৰ সমষ্টিত পৰে। কিন্তু পুলিচে এই আলফাৰ নেতা সকলক গ্ৰেপ্তাৰ তেতিয়া নকৰিলে। উক্ত আলফা সভাত প্ৰায় ২২ হেজাৰ মানুহ গোট খাইছিল। মোৰ সমষ্টিত ৪/৫ জন মানুহে আলফা আছে বুলি ভাবোঁ।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

মাননীয় উপাধ্যক্ষ মহোদয় গতিকে তাত পাইও এৰেষ্ট নকৰিলে। এতিয়া গুলিয়াই মাৰিবলৈ ওলাইছে। এনেদৰে গুলিয়াই মাৰিলে তেওঁলোকৰ এটা প্ৰতিশোধৰ ভাৱ জাগি উঠিব। আলফাৰ মনত গভীৰ সাঁচ এটা বহি যাব। গতিকে এইদৰে আলফাৰ সমস্যা সমাধান লব। মিলিটেৰীৰ হাতত ৰাজ্যখনৰ শাসনভাৰ গটাই দিব নোৱাৰে। মোৰ সমষ্টিত আলফাই বুজাবুজিত অহা নাই। সেই বুলি বিনা দোষীক গুলিয়াই হত্যা কৰাটো মই সমৰ্থন জনাব নোৱাৰো। কোনো কথাত এচষ্টাব্লিচ নোহোৱাকৈ বা উদ্দেশ্য নোহোৱাকৈ আলফা বুলি গুলিয়াই হত্যা কৰাটোত মই একমত হব নোৱাৰো। তেওঁলোকে বুজা বুজিত কিয় অহা নাই, তেওঁলোকৰ অসুবিধা কি কিয় সকলোৰে লগত একমত হোৱা নাই তেওঁলোকক সোধক। কিন্তু তাকে নকৰি মিলিটেৰী দি, বন্দুক দেখুৱাই ষ্টেনগানৰে যুক্তিবিহীন উদ্দেশ্যৰে তেওঁলোকক মাৰধৰ কৰিলে, আলফাই তেওঁলোকৰ উদ্দেশ্যৰ পৰা বিচলিত কৰিব নোৱাৰি। শান্তি বিচাৰি অশান্তি হে হ'ব। শান্তি আৰু নহয়। এই দৰে আধা সমস্যা ৰাখি আধা সমস্যা সমাধান কৰি সকলো সামাজিক বিষয়, সৰ্বসাধাৰণ ৰাইজৰ ওপৰত আৰু অশান্তি হে জাপি দিয়া হব। এই স্থলত অশান্তিকৰ অশুভ ভৱিষ্যত হ'ব। গতিকে মই ভাবো বিষয়টোৰ

গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি অন্যান্য বিধান সভাৰ কাৰ্য্যসূচী বাদ দি এই বিষয়টো আলোচনা কৰিবলৈ সুবিধা দিব লাগে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত যিটো সভা স্থগিত প্ৰস্তাৱ উৎথাপন হৈছে তাৰ ওপৰত মই এটা কথা কব বিছাৰিছো। আমি সাধাৰণতে বিধান সভাত যিটো নিয়ম মানি চলো সেই মতে ইয়াত স্পষ্ট লিখা আছে যে বিষয়টো ডেফিনিট হব লাগিব। ৰিচেন্ট ৰিলেটেড পাবলিক আকাৰেঞ্চ। এই মূল মতেই চলি আছে। এনে ক্ষেত্ৰত ৰুলিং ৰিজাৰ্ভ মতে চলিলে নহব। বিষয়টো উৎথাপন হৈছে জয়নাথ শৰ্মা ডাঙৰীয়াৰ সমষ্টিত এজন পিছফালৰ পৰা গুলিবিদ্ধ হৈছে। তেওঁ নমৰিলেও মাৰিবলৈকে গুলিবিদ্ধ কৰা হৈছে।

মাননীয় উপাধ্যক্ষ ঃ আপুনি সংক্ষেপে ৰিলেটেড কথাটো কওঁক।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কব খুজিছো, বিষয়টো ডেফিনিট, ৰিচেন্ট অকাৰেন্স ৰিলেটেড টু পাবলিক অকাৰেন্স। মই কবলৈ বিছাৰিছো যে সৈন্য বাহিনীৰে শান্তিৰ বাটাবৰণ সৃষ্টি কৰিবলৈ চৰকাৰে যথেষ্ট চেষ্টা চলাইছে। এই ক্ষেত্ৰত অসমৰ কোনো মানুহে বেয়া পোৱা নাই। মইও বেয়া পোৱা নাই। শান্তি হওঁক, শান্তিত বসবাস কৰক কোনেও বেয়া নাপায়। কিন্তু চাৰ, বিষয়টো এনেকুৱা হৈছে, এই এটা বেয়া কাম হৈছে। বাতৰি কাকতত ওলাইছে এচামে চৰকাৰৰ লগত অৰ্থাৎ চুক্তিত যোগদান কৰিছে আৰু এচামে কৰা নাই। অৰ্থাৎ বিৰোধিতা কৰিছে। এইটো এটা সাংঘাটিক ঘটনা হ'ব। শান্তি বাটাবৰণ সৃষ্টি কৰিবলৈ গৈ অশান্তিৰ পথলৈ আগবাঢ়িবলৈ লৈছে। জনসাধাৰণৰ বিলাই নাইকিয়া হ'ব। সেই কাৰণেই বিষয়টো সদনত আলোচনা কৰি আলোচনা বিলোচনা মাধ্যেমেৰে যে কেইখনমান কিয় লোৱা নাই সেই বিষয়ে তেওঁলোকৰ কি অসুবিধা আছে এই বিষয়ে আলোচনা কৰি চৰকাৰে আলোচনাৰ জৰিয়তে বাকী থকা জিলাকেইখনক মনাব পাৰে নেকি চাব লাগে। বিষয়টোত উৎতেজিত নহৈ, মান-সন্মানক অগ্ৰাধিকাৰ নিদি অসমৰ সমগ্ৰ জনসাধাৰণৰ স্বাৰ্থৰ খাটিৰত সনদত আলোচনা কৰাটো ঠিক হ'ব। আজি কালি যিটো সমস্যাৰ উৎভাৱন হৈছে তাৰ ওপৰতেই অসমৰ ভৱিষ্যতে নিৰ্ভৰ কৰিছে। এতিয়া মই দেখিবলৈ পাইছো

★ Speech not corrected

যে শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ গৈ খেলিমেলিৰ সৃষ্টি কৰিছে। জয়নাথ শৰ্মা ডাঙৰীয়াই দুদিনমান আগতে কৈছে যে আলফাক দুভাগ কৰা প্ৰচেষ্টা চলিছে নেকি? এতিয়া কথাটো হ'ল এই মিলিটেৰী সকলক প্ৰধান্য দি সকলো তেওঁলোককে গটাই দিয়ে তেনেহ'লে আমাৰ যিটো মানৱ অধিকাৰ জন্মাস্বত্ত সকলো নাইকীয়া হ'ব। আজি যিখন ভাৰতীয় সংবিধান আছে, তাৰ বিৰোধীতা কৰিলে দোষি হলে শাস্তি দিবলৈ সকলো ব্যৱস্থা আছে। কিন্তু আৰ্মিয়ে ধৰি নি আৰ্মি কেম্পত ইলেক্‌টিক চক দিবলৈ, জেৰা কৰোতে ৩০ ডিগ্ৰী মেথড এপলাই কৰিবলৈ লাগিব সেইটো কোনখন সংবিধানত আছে এইদৰে অসমৰ এচাম ডেকা সম্পূৰ্ণ অসুস্থ হৈ গৈছে। আৰ্মিৰ হতুৱাই যদি এনে অত্যাচাৰ হয় তেন্তে পিচত আপুনি হিচাব কৰিব লাগিব। সকলো আৰ্মিৰ হাতত গটাই দিলে মানুহৰ যিটো ফাণ্ডামেন্টেল ৰাইট জন্মস্বত্ব লাভ কৰে বা অধিকাৰ এই সকলোবোৰ খৰ্ব হৈ যাব। এটা দিনত বা এনে পৰিস্থিতিত যেনে, চৰনম কলিতাক মাৰিলে, মানবেন্দ্ৰ শৰ্মাক হত্যা কৰিলে, এনে পৰিস্থিতিত আৰ্মি মাতিছে সেইটো বেলেগ কথা। কিন্তু আৰ্মিৰ হাতত গোটেই খিনি গটাই দি ইউনিলেটাৰেলী আইন শৃংখলা তাৰ দিয়া কথাটো সম্পূৰ্ণ বেলেগ কথা সন্ত্ৰাসৰ পটভূমিত আৰ্মি মাতি অনাৰ যিটো ব্যৱস্থা কোনো অশান্তি নোহোৱাকৈ শান্তিৰ বাটাবৰণ গঢ়ি তুলিবলৈ আৰ্মি মাতি অনাটো অশান্তিৰ আশংকা হ'ব নেকি, আপোনাৰ জৰিয়তে মই চৰকাৰক বিবেচনা কৰি চাবলৈ অনুৰোধ জনাইছো। এনে কাৰণেই অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, আজি এনেকুৱা এটা পৰ্য্যায়ত উপনীত হৈছে যে যদি আলফাৰ সকলো জিলা সমিতি আহি আলোচনাত ভাগ লয় তেতিয়াহলে অসমৰ মানুহে ভাল পাব আমিও ভাল পাম। কিন্তু এচামে আলোচনা কৰা আৰু আন এচামে আলোচনালৈ নাহিব আৰু আলোচনাত ব্যাঘাত জন্মাব বুলি সেই কাৰণেই আমাৰ মনত শংকা হৈছে। আগতে যিটো হত্যাকাণ্ডৰ পটভূমি আছিল সেই পটভূমিত সৈন্য বাহিনী নিয়োগ কৰাৰ কথা বেলেগে আছিল কিন্তু আজিৰ পট ভূমিত সৈন্যবাহিনী নিয়োগ কৰাটো ভাবিবলগীয়া কথা। এইটো ভাল হৈছে নে নাই মুখ্যমন্ত্ৰী মহোদয়ে নিজেই ভাবি চাব। যিখিনি মানুহে অস্ত্ৰ হাতত লৈছিল সেই মানুহখিনিৰ বহুতেই এতিয়া আলোচনাৰ কাৰণে আহিছে। মাননীয় মুখ্যমন্ত্ৰীয়ে টি-ভিৰ জৰিয়তে

কথা ৰাখিছে সেইটো আমি ভাল পাইছো। তেখেতে কৈছে আমি সকলোৰে হিংসা পৰিহাৰ কৰিব লাগিব। বিশ্বাস আৰু প্ৰত্যয়ৰ মাত্ৰত আলোচনাৰ পথেৰে স্থায়ী শান্তিৰ কাৰণে আগবাঢ়িব লাগিব। এই পটভূমিত মাননীয় মুখ্যমন্ত্ৰীয়ে টি-ভিৰ জড়িয়তে যি আশাৰ সঞ্চাৰ কৰিছে তাত কিবা বেমেজালি ঘটিব পাৰে নেকি সেই বিলাক কথাও লক্ষ্য কৰিবলগীয়া বিষয় হৈ পৰিছে। এই কথা মনত ৰাখিব লাগিব যে সৈন্যবাহিনীৰ দ্বাৰা বন্দুক টোৱাই আলোচনা সঠিক ভাবে পৰিচালিত নহব। কিয়নো তাৰ দ্বাৰা তেওঁলোকৰ ইগ বাঢ়িবহে বিশ্বাস ভঙ্গ হব পাৰে। সেই কাৰণে এই গোটেই কথাখিনি যি কেইখন জিলাৰ পৰা আলোচনাৰ কাৰণে আগবাঢ়ি অহা নাই সেই সকলোৰে পটভূমিত পৰিৱৰ্ত্তিত অৱস্থাৰ পৰিবেশত চিন্তা কৰিব লাগিব আৰু একত্ৰিত কৰি আলোচনা কৰিব পাৰিলেহে যে স্থায়ী শান্তি আহিব পাৰে সেইটো ৰাখিব লাগিব। আন এটা কথা হৈছে উপাধ্যক্ষ মহোদয়, যে যি কেইখন জিলা আলোচনাৰ বাবে আগবাঢ়ি আহিব বিচৰা নাই সেই সমূহ জিলাৰ পৰা আলফাৰ কৰ্মী বিলাক বাহিৰলৈ গুছি গৈছে বুলি মানুহৰ মুখত শুনিবলৈ পাইছো। এতিয়া সৈন্যবাহিনী মেলি দিলে সেই সকলৰ আত্মীয় স্বজনক ধৰি বা নিৰীহ লোকক হাৰাশাস্তি কৰাহে হব আৰু ইয়াৰ দ্বাৰা আলোচনাৰ মেজলৈ আগবাঢ়ি অহা সকলৰ মনতো আশংকা আহিব পাৰে।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ উপাধ্যক্ষ মহোদয়, এই সভা স্থগিত প্ৰস্তাৱৰ কেবাজনোও কবলৈ আছো অকল যদি জয়নাথ শৰ্মা বা চন্দ্ৰমোহন পাটোৱাৰীয়ে কৈ সময় খিনি শেষ কৰে তেনেহ'লে আমাৰ মহন্ত ডাঙৰীয়া আছে, শশকমল সন্দিকৈ ডাঙৰীয়া আছে আৰু মইও আছো আমি ক'বলৈ সময় ক'ত পাম।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই কথাখিনিৰ জড়িয়তে চৰকাৰক এইটো বুজাপৰাৰ মাজত আহি এটা স্থায়ী শান্তি ঘুৰাই আনিব পাৰি আৰু তাৰ কাৰণে গোটেই কেইখন জিলাৰে আলফাৰ গোটক একত্ৰিত কৰি আলোচনা কৰিব পাৰি সেইটো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ অনুৰোধ জনাইছো আৰু নৰহ ডাঙৰীয়াৰ কথাটো সমৰ্থন কৰি মোৰ ব্যক্তব্য সামৰিছো।

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ "ৰুলচ্ অব প্ৰচিডিও এন্দ কনডাক" অব বিজিনেচৰ ৰুল ৫৬ চনতে এই এডজৰ্ণমেন্টয়েচিৰ অনা হৈছে। আৰু ইয়াত

★ Speech not corrected

কোৰা হৈছে যে আৰজেন্ট নেচাৰ এণ্ড পাবলিক ইমপৰটেন্স হ'ব লাগে। এই আটাইকেইটা কথা এই বিষয়ে কভাৰ কৰিছে। কেইখন মান জিলাত যোৱা ৩১ মাৰ্চ তাৰিখে সৈন্য বাহিনী নিয়োগ কৰিছে আৰু এই ঘটনাই এই আটাইকেইটা চৰ্ত্ত পূৰণ কৰিছে। উপাধ্যক্ষ মহোদয়, মই নীতিগত ভাবে সৈন্যবাহিনী নিয়োগ কৰাটো বিৰোধীতা কৰো আৰু ভাৰতবৰ্ষৰ ইন্টাৰনেল মেটাৰত সৈন্যবাহিনী নিয়োগ কৰাটো আমি বিৰোধীতা কৰি আহিছো। এই সম্পৰ্কত ভাৰতবৰ্ষৰ ইন্টাৰ মেটাৰত সৈন্যবাহিনী নিয়োগ কৰাৰ কথাৰে চীফ অব দি আৰ্মিষ্টাফে দিয়া বি-বৃত্তিৰ প্ৰকাশিত ৰূপৰ কাৰণে পাৰ্লিয়ামেন্টত হুলস্থূল হোৱাৰ কথা আপুনি জানে উপাধ্যক্ষ মহোদয়, তেখেতে কৈছিল যে ৰাষ্ট্ৰীয় নিৰাপত্তা ৰক্ষা কৰাটো যেনেকৈ কৰ্ত্তব্য ঠিক তেনেকুৱাকৈ সু-শাসন পোৱাটোও আনৰ চাবলগীয়া বিষয়। ৰাষ্ট্ৰীয় নিৰাপত্তা বাহিনীত হব পাৰে বহিশত্ৰুৰ আক্ৰমণৰ পৰা। আৰ্মিক লগোৱা হয় দেশৰ শত্ৰুৰ বিৰুদ্ধে কিন্তু তেনে এটা কথা তেওঁ কব পাৰেনে নোৱাৰে এই লৈ বিৰাট হুলস্থূল হৈছে। কিন্তু চীফ অব দি আৰ্মি ষ্টাফে কৈছে তেনে কথা। গণতন্ত্ৰৰ থিক ভাবে চলিছে নে নাই সেইটো ইয়াৰ মাজত চৰ্ছিত আহে। গণতন্ত্ৰ সঠিকভাবে চলিছে নে নাই সেইটো আমি সকলোৱে জানো।

Mr. Deputy Speaker : The discussion should be confirmed to the admissibility only without giving any statement. This is against the Rule. I shall be happy if you give statement on the admissiblility.

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত পুনৰ সৈন্য বাহিনীয়ে অভিযান আৰম্ভ কৰিছে। এই কথাটোৰ লগত এটা প্ৰশ্ন আহি পৰিব যে সৈন্যবাহিনী শৃংখলাৰ দায়িত্বত লগোৱা হৈছে। ইয়াৰ আগতেও সৈন্যবাহিনী লগোৱা হৈছিল। আচলতে সেনাবাহিনী লগোৱা হ'ল প্ৰতি বছৰৰ কাৰণে। যোৱা বছৰ ১৯৯০-৯১ চনৰ ডিফেন্স এনুৱেল ৰিপোৰ্টত এইটো কথা তেওঁলোকে ৰেফাৰ কৰিছে যে আভ্যন্তৰীণ কথাত সেনাবাহিনী নিয়োগ কৰাটো এটা পৰম্পৰা যেন হৈ পৰিছে। ইয়াৰ আগতেও সেনাবাহিনী নিয়োগ কৰা হৈছিল। এই কথাটোত সেনাবাহিনী বৰ সুখী নহয় বুলি ৰিপোৰ্টত প্ৰকাশ পাইছে। সেই কাৰণে যাতে সেনাবাহিনীক ৰাজ্যৰ আভ্যন্তৰীণ কথাত

★ Speech not corrected

লগোৱা কথাটো চিন্তা কৰে সেইটো জনাই থলো চৰকাৰ এখন যেতিয়া ফেইল কৰে তেতিয়াহে সেনাবাহিনীক নিয়োগ কৰা হয়। আগৰ বাৰ এ জি পি চৰকাৰ ফেইল কৰা বুলি ৰাষ্ট্ৰপতিৰ শাসন দিয়া হৈছিল আৰু এতিয়া সেনাবাহিনী দিয়াৰ পৰা এইটো কথা স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগ বা ৰাজ্য চৰকাৰ এই বিষয়ত ফেইল কৰিছে বুলিয়েই কব লাগিব চন্দ্ৰ শেখৰ প্ৰধান মন্ত্ৰী থকা সময়ত প্ৰস্তাৱিত আৰ্মি নিয়োগ কৰাৰ কথালৈ চন্দ্ৰশেখৰ প্ৰধান মন্ত্ৰী পৰা সময়ত প্ৰস্তাৱিত আৰ্মি নিয়োগ কৰাৰ কথালৈ চন্দ্ৰশেখৰ প্ৰধান মন্ত্ৰী পৰা ডাইৰেক্ট অৰ্ডাৰ বিচাৰিছিল। ভাৰতবৰ্ষক চীনে আক্ৰমণ কৰাৰ সময়ত বা পাকিস্থানৰ লগত সমানে সংঘৰ্ষ লগাৰ সময়ত ভাৰতীয় জনসাধাৰণে আৰ্মিক সহায় কৰিছিল ৰিগাৰ্ড কৰিছিল। সেই পৰিবেশ তেতিয়া সৃষ্টি হৈছিল। কিন্তু আজি অসম তথা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত সঘনে আৰ্মি নিয়োগ কৰা ঘটনাই সেনাবাহিনীৰ ওপৰত থকা জনসাধাৰণৰ বিশ্বাস আৰু আস্থা কমাই আহিছে। সেনাবাহিনীয়ে ওপৰত থকা জনসাধাৰণৰ বিশ্বাস আৰু আস্থা কমাই আহিছে। সেনাবাহিনীৰ আজি বহুতক গুলিয়াই মাৰিছে। আলফাই গুলিয়াই হত্যা কৰাটো যেনেকৈ গৰিহণা যোগ্য ঠিক তেনেকৈ সেনাবাহিনীয়ে গুলিয়াই হত্যা কৰা কথাটো গৰিহণাৰ যোগ্য। কিন্তু আৰ্মিয়ে মাৰিছে। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই কৈ থৈছে যে তিনিজন লোকক মাৰিম বুলি ডবিয়াইছিল আৰু তাৰে এজনক গুলিয়াই মাৰিছে। নগাওঁতো সত্যজিৎ বৰা নামৰ এজন সাংবাদিকক বিচাৰি অতৰ্কিতে ঘৰত সোমাই তেওঁক নাপাই ভায়েকক ৰুমৰ ভিতৰতে মাৰধৰ কৰিছে আৰু চিকিৎসা লবলগীয়া হৈছে। সত্যজিৎ বৰাৰ কোনো পধ্যেই আলফাৰ লগত সম্পৰ্ক নাছিল বৰহমপুৰ আৰু অন্যান্য অঞ্চলতো জনসাধাৰণে আৰ্মি কেম ঘেৰাও কৰিছে। ইয়াৰ ফলত যদি ক'ৰবাত ঘটনা ঘটে তেনেহলে সাংঘাটিক অশান্তিৰ সৃষ্টি হ'ব। ইয়াৰ দ্বাৰা জনসাধাৰণে আভ্যন্তৰীণ পথত সেনাবাহিনী লগোৱাত ভুল হ'ব। সেই কাৰণে উপাধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ আলোচনাৰ মাধ্যমতে সমস্যা সমাধান কৰাৰ কাৰণে যি প্ৰচেষ্টা চলাইছিল সেইটো আমি সমৰ্থন কৰিছো। কিন্তু চৰকাৰে আলফাৰ লগত আলোচনাৰ নামত সেনাবাহিনী নিয়োগ কৰি স্থায়ী শান্তি ঘুৰাই আনিব নোৱাৰে যোৱা কালি মুখ্যমন্ত্ৰী মহোদয়ে বিধান সভাত দিয়া বিবৃতি আমি ভাল পাইছো। কিন্তু বাতৰি কাকতত ওলাইছে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় যন্ত্ৰক আমি

ভাল দৰেই জানো। তেওঁলোকৰ সৈতে চুক্তি কৰাৰ কোনো অভিপ্ৰায় আমাৰ নাই। চুক্তি স্বাক্ষৰ কৰিবৰ বাবে আমি আলোচনাত বহা নাই। (আজিৰ বাতৰি ২/৪/৯২) গতিকে এই কথাৰ লগত সেইটোৰ সামঞ্জস্য নাই। সেই কাৰণে এক পৰিস্থিতিত সামৰিক বাহিনী নিয়োগ নকৰি আলোচনাৰ মাজেদি শান্তিৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ সভা স্থগিত প্ৰস্তাৱ দাঙি ধৰিছো। উপাধ্যক্ষ মহোদয়, আজি খবৰ কাগজত ওলাইছে তেওঁলোকে কৈছে ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ কেনে ধৰণৰ আমি জানো চুক্তি কৰিবলৈ অভিপ্ৰায় কৰা নাই বা চুক্তিত স্বাক্ষৰিত কৰিবলৈ বহা নাই গতিকে দেখিছো ৰাজ্য চৰকাৰ আৰু সংগঠনৰ বিবৃতি বিলাকত বহুত দিফাৰ কৰিছো ৰাজ্য চৰকাৰ আৰু সংগঠনৰ বিবৃতি বিলাকত বহুত দিফাৰ কৰিছে। আজি আমি কি দেখিছো সঘনাই অসমত সামৰিক বাহিনী নিয়োগ কৰা হৈছে। অসমখনত শান্তি সম্প্ৰীতি বিৰাজ কৰাত আলাপ-আলোচনাৰ মাজেদি সমস্যা সমাধান হওঁক এইটো আমি কামনা কৰো। কিন্তু আজি কি হৈছে। কিয় আমি সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিব লগা হৈছে। সভা স্থগিত প্ৰস্তাৱটোত যথেষ্ট যুক্তি আছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কেনেলমেক জেনেৰেল মাৰ্কিনলৈ নোট দিছিল কথাবিলাক ইয়াত আছে।

এই কথা বিলাক গণতন্ত্ৰৰ কাৰণে বৰ বিপদজনক কথা আমি দেখিছো আমাৰ দেশত জেনেৰেল সকলে ৰাজহুৱা বিবৃতি দিবলৈ লৈছে। অসমৰ বৰ্তমান পৰিস্থিতি মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন পৰ্য্যায়ত যি আলাপ আলোচনাৰ ইংগিত দিছে তাৰ আমি বিৰুদ্ধিতা কৰা নাই। আমিও আলাপ আলোচনাৰ মাজেদি সমস্যাটোৰ সমাধান নোহোৱাকৈ কামনা কৰো। কিন্তু শান্তিৰ নামত জানো সামৰিক বাহিনী প্ৰয়োগ কৰি থাকিলে ৰাষ্ট্ৰীয় গণতন্ত্ৰৰ এটা বদনাম হৈছো। এনে অৱস্থাত আমাৰ ৰাষ্ট্ৰৰ যি সামৰিক বাহিনী তেওঁলোকক আৰু অধিক বদনামৰ ফালে ঠেলি দিব নালাগে।

উপাধ্যক্ষ মহোদয়ে আজিৰ পৰিস্থিতিত এই বিষয় বিলাক পৰ্য্যালোচনা কৰি চোৱাৰ সময় আহি পৰিছে। বিষয়টো অতি গুৰুত্বপূৰ্ণ গোটেই খিনি নিয়ম পূৰণ কৰিছে। গতিকে বিষয়টো সভা স্থগিত প্ৰস্তাৱৰ যোগেদি আলোচনা কৰিবলৈ দিব বুলি কামনা কৰিলো।

★ শ্ৰীশশ কমল সন্দিকৈ ঃ উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান উত্থাপিত সভাস্থগিত প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰমান কবলৈ বিচাৰিছো। অসম বিধান সভাৰ ৰুল ৫৭ নং ৰুলত ৭ টা উপধাৰা আছে। এই ৭ টা উপধাৰা এই সভা স্থগিত প্ৰস্তাৱে ফুল ফিল কৰিছে। প্ৰথম কথা হ'ল এইটো নিৰ্দিষ্ট বিষয়। ৰিচেন্ট ওকাৰেন্স। যোৱাকালি দুপৰীয়া দৰং জিলাৰ ছিপাঝাৰত সামৰিক বাহিনীৰ গুলিত নীতু শৰ্মা আঘাতপ্ৰাপ্ত হয়। যাৰ কাৰণে তেওঁক হস্পিটেলাইজ কৰিবলগা হৈছে। হত্যা কৰিবলৈ সামৰিক বাহিনীয়ে হওক বা সন্ত্ৰাস বাদীয়ে হওক কাৰো অধিকাৰ নাই। এইটো ঘৃণনীয়া আৰু নিন্দনীয় কথা। কোনো ব্যক্তিয়ে বিচাৰ নোহোৱাকৈ হত্যাৰ অভিপ্ৰায় কৰাটো অতি জঘন্য আৰু নিন্দনীয় কথা। যোৱাকালি মুখ্যমন্ত্ৰী মহোদয়ে সদনত বিবৃতি দিছিল যে কিছুমান সদস্যই আলোচনাত বহিবলৈ বিচাৰিছে। আৰু সেই জিলা বিলাকত সামৰিক বাহিনী উঠাই দিয়া হৈছে আৰু যি জিলাই আলোচনা কৰিবলৈ বিচৰা নাই তাত সামৰিক বাহিনী নিয়োগ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, সামৰিক বাহিনীৰ অত্যাচাৰৰ বিষয়ে আলোচনা কৰি ইতিমধ্যে আমি সদনৰ বহু সময় নষ্ট কৰিছো। আজি আকৌ পুনৰবাৰ আলোচনা কৰিবলগীয়া হৈছে। শ্ৰীনীতু শৰ্মা আলফা হবও পাৰে নহবও পাৰে হলেও তেঁক হত্যা কৰাৰ অভিপ্ৰায় সামৰিক বাহিনীৰ হাতত নাই। বিনা বিচাৰে কোনো কথামতেই এনে ঘনটা হোৱাটো কাৰোৱেই কাম্য নহয়। সামৰিক বাহিনীয়ে সাধাৰণতে ৰাষ্ট্ৰৰ আভ্যন্তৰীণ আইন শৃংখলা ৰক্ষা কৰাতহে অংশ গ্ৰহণ কৰে। ভাৰতীয় সৈন্য বাহিনী এটা সুনাম আছে। এটা সন্মান আছিল। সামৰিক বাহিনী বুলি কলে আমি আগতে শ্ৰদ্ধা কৰিছিলো। কিন্তু আজি তেওঁলোকৰ কাম কাজেই জনসাধাৰণৰ সেই সন্মানৰ পৰা আতৰি যাব। অসম চৰকাৰে ইতিমধ্যে আলোচনাৰ প্ৰচেষ্টা আৰম্ভ কৰিছে আলোচনা সম্পৰ্কে ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে যি বিবৃতি দিছে এতিয়া দেখিছো আলোচনা হোৱা নাই। আলোচনাৰ নহয় প্ৰহেলিকা হে মাত্ৰ। আজি খবৰৰ কাগজত যি দেখিলো আলোচনা নহয় প্ৰহেলিকাহে হৈছে। অসমৰ ৰাইজে শান্তি বিচাৰিছে। আলোচনা বিচাৰিছে। কিন্তু আজি মুনিন নবিশৰ বিবৃতি আৰু কালিৰ মুখ্যমন্ত্ৰী বিবৃতিৰ লগত কোনো সমিল মিল নাই। তেওঁলোকে কৈছে। সংগঠনৰ নামত তেওঁলোকে কোনো চুক্তি কৰিবলৈ লৈ যোৱা নাই। গতিকে আলোচনাৰ

★ Speech not corrected

নামত আজি অত দিনে আমাৰ যি আশা আকাংশা আছিল সেই আশা আকাংশাত কলা ডাৱৰে চানি ধৰিছে। আজি নীতু শৰ্মাৰ গুলিওৱা ঘটনাই আমাৰ মনত তোলপাৰ লগাইছে আচলতে চৰকাৰে সমস্যাটো সমাধান বিচৰা নাই নেকি? গতিকে বৰ্তমান যিটো বিষয় উপস্থাপন কৰা হৈছে। এই বিষয়টো সভা স্থগিত প্ৰস্তাৱৰ যোগে আলোচনা কৰিবলৈ সুবিধা বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

(Mr. Speaker took the chair)

★ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ছিপাঝাৰ সমষ্টিত আৰ্মিয়ে এজন আলফাক হত্যা কৰিলে এইটো সন্দৰ্ভত যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো সেয়েই এডমিনিষ্টেচনৰ সম্পৰ্কত মই ২/১ বাৰ কথা কব বিচাৰিছো। বিষয়টো জৰুৰী আৰু ৰাজহুৱা স্বাৰ্থৰ খাতিৰতহে কব বিচাৰিছো যিহেতু দৰং জিলাৰ এজন মই ইলেকটেট মেম্বাৰ। এই সভা স্থগিত প্ৰস্তাৱটো অত্যন্তঃ তাৎপৰ্য্যপূৰ্ণ আৰু যুক্তি সংগত। আজি কেইদিনমানৰ আগতে আলফাৰ ৬০/৭০ জন মানক ধৰি জেইলত সোমোৱা দেখিবলৈ পাইছো। এইটোও দেখিবলৈ পাইছো যে আলফাই আলোচনা কৰিবলৈ বিচাৰিছে আৰু চৰকাৰৰ তৰফৰ পৰা আলোচনা কৰিবলৈ প্ৰক্ৰিয়া চৰকাৰৰ ওচৰত আৰু ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে ষ্টেটমেন্টত ঘোষণা কৰিছে। তেওঁলোক হিংসা পৰিহাৰ কৰিব আৰু সংবিধান মানি চলিব। সেইমতেই সিদিনা ৭ জন জিলাৰ আলফাই আলোচনা কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। তেনেস্থলত আলফাই গাৱে ভূঞে অৰ্থাৎ আলফাক হত্যা কৰাটো কোনো যুক্তিসংগত হোৱা নাই। একে লেঠাৰিয়ে ছিপাঝাৰত আৰ্মিয়ে আলফাক হত্যা কৰি আছে। আনকি ৰাস্তাত বল খেলা ল'ৰাকো ধৰি নি হত্যা কৰি আছে। সেই কাৰণে আজি যিটো সভা স্থগিত প্ৰস্তাৱ আহিছে সেইটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ সময় আৰু বেছি নাই গতিকে একেটা কথাকে আৰু বেছি কব নেলাগে। ইয়াৰ পিছত ৰিপ্লাই দিব তাৰ আগতে আৰু এটা কথা মই সদনক কব বিচাৰিছো দুখন পিটিচন আহিছে। এখনত ১৪ জনে চহী কৰিছে আৰু আনখন ১৫ জনে চহি

★ Speech not corrected

কৰিছে। কাৰণটো হ'ল ঈদৰ বিষয়লৈ অহা ইংৰাজী ৬ আৰু ৭ তাৰিখে এই বিধান সভাত উপস্থিত থাকিব নোৱাৰিব আৰু বন্ধ দিয়াৰ কাৰণে অনুৰোধ কৰিছে।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী ১১ তাৰিখলৈ প্ৰস্তাৱ কৰি দিলে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ আমাৰ অধিবেশন ১০ তাৰিখে শেষ হ'ব। আপুনিতো বহুত ক'লে। I think it is the consensus of the House in declare 6th and 7th April as Holiday. (The House agreed এতিয়া মাননীয় সদস্য গিয়াচুদ্দিন আহমেদ।)

★ Shri Giasuddin Ahmed : Sir, I would like to submit that this motion is in order. In this regard the main conviction is whether the action is definite, Whether it is an urgent public importance Definitely. This matter is a definite one. There is no doubt about it. An regards urgent public importance, I would like to say that it is such an important matter, it has drawn the attention of the national to-run like violation of human rights. So nothing can be more important then this. Secondly the condition laid down in Rule 57 has also fulfilled all the conditions from 1 to 3. All these conditions have been fulfilled. So the metion may be admitted.

Mr. Speaker : Now Hon'ble Minister for parliamentary Affairs will reply.

★ Shri Golok Rajbongshi (Minister, Parliamentary Affairs) : Mr Speaker Sir, Under Rule 55 (1) a montion for an adjournment of the business of the Assembly for the purpose of discussing a definite matter of public importance may be made with the concent of the Speaker. Yes, it must be definite, and it must be urgent public importance. Let me interprete whether it is urgent or not. What

★ Speech not corrected

is the urgency ? The matter must be urgent. Here in the motion it is stated "পুনৰ ৰাজ্যখনত সেনাৰ ব্যাপক অভিযান" That is the motion.

শ্ৰীজয়নাথ শৰ্মা ঃ আপুনি আগৰখিনি কিয় কোৱা নাই।

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ আপোনালোকে যেতিয়াই এডজনমেন্ট মোচন আনে তেতিয়াই হাল্লা কৰে। Let me explain. You will get the opportunity. By this time your motion becomes redundent as there will be no discussion after 1-30 P. M. today এই মোচনটো আৰজেন্ট হয়নে নহয় তাৰ ব্যাখ্যা দিছো। তাৰ পিছত পাবলিক ইমপৰটেন্টৰ ক্ষেত্ৰত চমুকৈ কম। ইয়াত মিলিটেৰী শাসনৰ ইনটাৰ পিটিচন কৰিছে নট মৰেল শাসন। কিন্তু ইয়াত মিলিটেৰী শাসনৰ ক্ষেত্ৰত ইনটাৰ পিটিচন দিছে। The adjournment motion must be a matter of sufficient public importance to intervens the normal business of the House. Military administration in Assam is not a new thing. It has already taken place in Assam. The matter of even very recent occurance is not urgent.

Mr. Speaker : On this adjournment montion the Hon'ble Chief Minister will make a statement. So, can we extend the House till the statement of the Hon'ble Chief Minister over.

(Voice– Yes. Yes.)

(House extended)

শ্ৰীজয়নাথ শৰ্মা ঃ মুখ্যমন্ত্ৰীয়ে ষ্টেটমেন্ট দিব যেতিয়া এইটো এডমিট হৈ গৈছে।

Shri Golok Rajbongshi : (Minister, parliamentary Affairs) : It is not urgent if a discussion arises in the ordinary course of business.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় মই এই কাৰণেই কব বিছাৰিছো যে ইয়াত এনে কিছুমান তথ্য প্ৰকাশ কৰিছে সেইখিনি যদি মই নকও অসমৰ ৰাইজে আমাক ভুল বুজিব।

---

★ Speech not corrected

Shri Golok Rajbongshi (Minister) : The matter even if it is if recent occurance to not urgent if it arises in the ordinary course of business....... The matter raised should be matter of larger issue than nerely individual grivences. It may be recent but every recent occurance cannot be subject matter of adjournment motion in the Assembly. There is no scope even if the time is extend for this purpose...... This already in operation and it is the third time.

Moreover, there is nothing to adjourn today when the Assembly is going to be over by 1.30 p.m. There is no scope for discussion because a separate notice will be necessary.

Mr. Speaker : Hon'ble Chief Minister will make a statement.

Shri Zoi Nath Sarma : Mr. Speaker sir, I want a clarification from the Minister Parliamentary Affairs. যিহেতু মুখ্যমন্ত্রীয়ে বিবৃতি দিব সেয়েহে Adjournment Motion has been admitted.

Shri Golok Rajbongshi : (Minister parliamentary Affairs) : This is upto the Speaker whether he admits it or not Neither you nor I can cancell it.

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ কথাটো মানিছো ক্লাৰিফিকেচনৰ ক্ষেত্রতহে মই অলপ কব খুজিছো। আজি শ্রীশর্মা ডাঙৰীয়াই যিটো এডজৰনমেন্ট মোচন আনিছে তাত তিনিটা নাম উল্লেখ কৰিছে। মই তেওঁলোকৰ ব্যক্তিগত বেক গ্রাউণ্ড অলপ দিব খুজিছো।

clarification sir,

Jalti Saharia alias Jishnu Sharma– He is the Chairman of Darrang District ULFA. Besides cease of extortions and intimidations, he is suspected in the murder of Nirannjan Mahanta a CID constable

★ Speech not corrected

and kidnapping of one pritam kishore Hazarika who is suspected to have been murdered after kidnapping Shri Jyoti Saikia alias Shankar Barua : He is a hardcore activist who absconded from Jail custoday. He is suspected to be involved in the murder of pranit Baruah (Congress–I) of sipajhar and murder of Lakhyadhar Pathak of Kharupetia.

Shri Nitu Sarma alias Jity Hazarika : A hardcors activist. He was arrested earlier but later released under general amnesty. He continued activities of extotion and intimication. On 1/4/92 he had forcibly taken away a scooter belonging to Biswajit Goswami ot Tengia College. A Army patrol party accepted him at Bherua when he tried to fles. The patrol party fired.

One round which hit him in the buttock. He has been sent to Civil Hospital, Mangaldoi from where he is being shifted to the Guwhati Medical College Hospital. Some incriminenting documents relating to ULFA were recovered from his.

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, দৰং জিলাত বেহেৰা বুলি কোনো ঠাই নাই।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ঠাইখনৰ নাম বেহেৰা নহয় ডেবুৰাহে। অধ্যক্ষ মহোদয় মই পোৱা ৰিপোৰ্ট মতে তেওঁ শ্ৰীবিশ্বদেৰ শৰ্মা নামৰ মানুহ এজনৰ এখন স্কুটাৰ কাঢ়ি লৈ পলাই যায়। আৰু তেতিয়া সৈন্যবাহিনীৰ লোকে তেওঁৰ পিচে পিচে খেদি গৈ ধৰিব নোৱাৰাতহে গুলি কৰিব লগা হৈছে। শ্ৰীমহন্ত ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে যে অসমলৈ সৈন্য বাহিনী অনাৰ ক্ষেত্ৰত তেখেতৰ সমৰ্থন নাই আৰু সৈন্য বাহিনী বিচৰাও নাই আৰু ভৱিষ্যতে যিকোনো পৰিস্থিতিতে সৈন্য আনিব নালাগে। আমিও আন্তৰিকতাৰে সৈন্য অনাটো বিচৰা নাই। এই কথাষাৰ এই সদনতে মই বহুৱাব কৈছো। কিন্তু পৰিস্থিতি এনেকুৱা হ'ল যে যিহেতু আমাৰ

★ Speech not corrected

আৰক্ষী বাহিনী আৰু ভাৰত চৰকাৰৰ দ্বাৰা মিলিটাৰী ফোৰ্চে আইন শৃংখলা ৰক্ষা কৰিব নোৱাৰা হ'ল, হত্যা, লুণ্ঠন, অপহৰণ আদিৰ লেখিয়া ঘটনা চলিয়েই থাকিল তেতিয়া আমি বাধ্য হৈছো সৈন্য বাহিনী আনিব লগা হ'ল। যদি অসমৰ আৰক্ষী বাহিনী আৰু পাৰা মেলিটাৰী ফোৰ্চে হত্যা, লুণ্ঠন, অপহৰণ আদি বন্ধ কৰিব পাৰিলেহেঁতেন তেনেহ'লে সৈন্য অনাৰ প্ৰয়োজন নাছিল। আমি ৰাইজক নিৰাপত্তা দিম বুলি প্ৰতিশ্ৰুতি দি সেই প্ৰতিশ্ৰুতিৰেই মই আজি মুখ্যমন্ত্ৰী হৈছো। সেই কাৰণে আমাৰ হাতত থকা পুলিচ আৰু ফোৰ্চ খিনিয়ে আইন শৃংখলা ৰক্ষা কৰিব নোৱাৰাৰ কাৰণেহে সৈন্য আনিব লগা হৈছে। আজিকালি আমি এটা লক্ষ্য কৰিছো কেৱল অসমতে নহয় মিৰাটত যেতিয়া কমিউনেল ক্লেচ হয় তেতিয়া তাত কাৰফিউ দিব লগা হয় আৰু সৈন্য বাহিনী আনিব লগা হয়। বি, জে, পি, দলে যি কেইখন ৰাজ্যত চৰকাৰ চলাইছে তেওঁলোকেও কেতিয়াবা সৈন্য বাহিনী আনিব লগা হৈছে। মোৰাজী দেশাইৰ দিনতো সৈন্য বাহিনী লগাই ল'ৰা গুলিয়াই মাৰিছিল। গতিকে যি দলৰে চৰকাৰ হয় সেইটো কথা নহয়। তেওঁলোকে যেতিয়া পুলিচ আৰু পাৰা মেলিটাৰীৰে ৰাইজক নিৰাপত্তা দিব নোৱাৰা হয় তেতিয়াহে সৈন্য আনিব লগা হয়। যোৱা ১ জুলাই তাৰিখে আলফাই কেবাজনো মানুহ অপহৰণ কৰি নিয়াৰ পিচতো ৭০ দিনলৈ মই সৈন্য বাহিনী নানি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ কাৰণে চেষ্টা কৰিছিলো আৰু প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰীক অধীক পাৰা মেলিটাৰী ফোৰ্চ দিয়াৰ কাৰণে অনুৰোধ কৰিছিলো। অসমত গণ পৰিষদ চৰকাৰ থকা সময় ছোৱাত ২৪৯ টা পাৰা মেলিটাৰী ফোৰ্চ আছিল আৰু শেষৰ দুবছৰত এনে ধৰণে আইন শৃংখলাৰ অৱনতি ঘটিছিল তেওঁলোকে সেই সময়তে এইটো নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আমি ১০০ দিনত এইটো কেনেকৈ কন্ট্ৰোল কৰিম? সেয়ে অৱস্থাৰ বাধ্য হৈছে এইটো কৰা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, শৰ্মা ডাঙৰীয়াই কৈছে যে এনে ঘটনাবোৰ কেৱল দৰং জিলাতে আৰু বিশেষকৈ ছিপাঝাৰ সমষ্টিত ঘটি আছে। অধ্যক্ষ ডাঙৰীয়া, দুৰ্ভাগ্য বশতঃ এই ঘটনা বিলাক তেখেতৰ সমষ্টিতে ঘটি আছে। কিন্তু দৰং জিলাত এনে ঘটনাৰ বিষয়ে তেখেতে মোক কোৱাৰ লগে লগে মই মুখ্য সচিব আৰু ডি, জি, পিক মাতি আনি তেখেতৰ লগত আলোচনা কৰিবলৈ ৰাতি ৮ বজালৈ অপেক্ষা

কৰিলো। তেখেত নাহিল। তেখেতে মোক কেইজনমান আলফাৰ নাম দিছে আৰু এই কেইজনেই মেইন বুলি কৈছে। কিন্তু দৰং জিলাৰ ছিপাঝাৰত আলফা কন্চলিডেট কৰিছে। আজি ছিপাঝাৰত এনে হৈছে কিয়? দৰং জিলাৰে পানেৰী নাইবা আন বিৰোধী সদস্যৰ সমষ্টিত এইবোৰ হোৱা নাই কিয়? আমি পোৱা ৰিপোৰ্ট মতে মূলতঃ দৰং জিলাৰ আলফা মানে ছিপাঝাৰ।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, ছিপাঝাৰত চাৰিজন আলফা আছে, এই কথা মই অস্বীকাৰ কৰা নাই। কিন্তু সেই বুলিয়েই সৈন্য বাহিনীৰ লোকে যধে মধে ৰাইজৰ ওপৰত অত্যাচাৰ চলাব আৰু এম, এল, এ, কো দেখেগা' বুলি ক'ব নেকি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় ডাঙৰীয়া মই আজি ৰাতিপুৱাও তেওঁলোকক কৈছো যে আপোনালোকে সকলোৱে নিজ নিজ সমষ্টিলৈ যাওঁক, ল'ৰাবোৰক বুজাওঁক। সৈন্য বাহিনী দিব লগা হোৱাটো আমি ভাল পোৱা নাই। যোৱা কালি তিনি বজাত আলফাৰ ৭ খন জিলাৰ সদস্য সকলৰ লগতো এই বিষয়টো মই আলোচনা কৰিছো। তেওঁলোকক মই অনুৰোধ কৰিছো আপোনালোকে কেৱল এই সাতখন জিলাতে নহয় বাকী জিলাবোৰলৈ যাওঁক, তাৰ যিবোৰ আলফা সদস্য আছে, তেওঁলোককো বুজাই আপোনালোকৰ লগলৈ আনক। এই ক্ষেত্ৰত আপোনালোকৰ ঘুৰা ফুৰাত যদি কিবা অসুবিধা হয়, তেনেহ'লে মই মোভমেন্ট পাছ উলিয়াই দিয়াৰ ব্যৱস্থা কৰিম। ডি, চি, সকলকো এই বিষয়ে কোৱা হৈছে। প্ৰয়োজন হলে তেওঁলোকেও ঘুৰা-ফুৰাৰ কাৰণে কাৰ্ড উলিয়াই দিব। মই লক্ষীমপুৰৰ আলফা সদস্যখিনিক কৈছো যে আপোনালোকে যোৰহাটলৈ যাওঁক, নগাওঁলৈ যাওঁক, তেওঁলোকক বুজাওক যে আমি হিংসাত বিশ্বাসী নহয়; লুণ্ঠন আৰু অপহৰণেৰে সমস্যা সমাধান নহয়। আজি পাঁচখন জিলা— দৰং, নলবাৰী, শোণিতপুৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়াত সৈন্য বাহিনীৰ অভিযান চলাব লগা হৈছে, সেই কেইখনত আমি বাধ্য হৈছেয়ে সৈন্য দিব লগা হৈছে। মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াই এটা কথা কৈছে যে অসমৰ সমস্যা সমাধান কৰিবৰ কাৰণে চুক্তি কৰিব নেলাগে। অসম চুক্তি কৰাৰ আগতে অসমত দুখন বিশ্ববিদ্যালয়, তিনিখন, ইঞ্জিনিয়াৰিং কলেজ, ব্ৰহ্মপুত্ৰৰ ওপৰত তিনিখনকৈ দলং আৰু কেইবাটাও অইল ৰিফাইনেৰী স্থাপন কৰা

★ Speech not corrected

হৈছিল। অসমৰ উন্নয়ণৰ কাৰণে এইবোৰৰ ক্ষেত্ৰত কোনো চুক্তি কৰিব লগা হোৱা নাছিল। সন্দিকৈ ডাঙৰীয়াই যি কেইটা পৰামৰ্শ দিছে সেই কেইটাত মই ভাল পাইছো আৰু তাৰ লগত মইও একমত।

শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত এই প্ৰতিষ্ঠানবোৰ আন্দোলনৰ ফলশ্ৰুতি হিচাবেই হৈছিল। আজিলৈকে অসমত আন্দোলন অবিহনে একো হোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আন্দোলন আৰু চুক্তি বেলেগ বস্তু। চুক্তিৰ ফলত এইবোৰ হোৱা নাছিল।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খুজিছো। আলফা ধৰাৰ নামত সৈন্য বাহিনীয়ে যধে মধে মানুহ ধৰি আনি মাৰধৰ কৰিছে।

আলফাৰ বিষয়ে শোধপোছ কৰিছে। তেওঁলোকক নানা ধৰণে অত্যাচাৰ কৰিছে। উদাহৰণ স্বৰূপে মই ধেমাজী জিলাৰ খজোৱা তিনিআলিত হোৱা এটা ঘটনাৰ কথা কওঁ, তাত শ্ৰীবিকাশ ফুকন নামৰ ল'ৰা এজনক সৈন্য বাহিনীয়ে ধৰি আনি আলফাৰ কথা শোধপোছ কৰে আৰু তেওঁক মাৰধৰ কৰি বিকলাঙ্গ কৰে। গতিকে সৈন্য বাহিনীয়ে এনে ধৰণে নিৰপৰাধী লোকক যধেমধে ধৰি আনি অত্যাচাৰ কৰা কথাটো ভাল হৈছে জানো?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, মই যোৱা ৰাতিও লক্ষীমপুৰ আৰু ধেমাজীৰ ডি, চি, ক ফোন কৰি কৈছো যে তেওঁলোকে যেন আলফাক বেয়া ব্যৱহাৰ নকৰে। তেওঁলোকে যদি অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰি আমাৰ লগত সহযোগ কৰিব বিচাৰে তেনেহ'লে আমি তাক আদৰণি জনাম। কেতিয়াবা দুই এটা ঘটনা ঘটিব পাৰে। কিন্তু সেই বুলি এইটো নহয় যে সৈন্য বাহিনী লগাই দি ৰাইজৰ ওপৰত অত্যাচাৰ কৰা হৈছে। তেওঁলোকে ৩১ মাৰ্চৰ ভিতৰত জেনেৰেল কাউন্সিলৰ মিটিং পাতি অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰা সিদ্ধান্ত লৈছিল আৰু সেই কাৰণেহে এই সময়চোৱা সৈন্য বাহিনীৰ অপাৰেশ্বন বন্ধ ৰাখিব লাগে বুলি অনুৰোধ কৰিছিল। কিন্তু তেওঁলোকে সৈন্য বাহিনী নালাগে বুলি কোৱা নাছিল। ২০ মাৰ্চৰ পৰা ৩১ মাৰ্চৰ ভিতৰত অস্ত্ৰ সম্বৰণ কৰা কথা আছিল। আমিও সেই কাৰণে ৩১ মাৰ্চলৈ অপেক্ষা কৰিলো। কিন্তু তেওঁলোকে তেওঁলোকৰ কথা নাৰাখিল। ইয়াৰ পিচত সমস্যা আৰু

---

★ Speech not corrected

গভীৰহে হ'ল। আমাৰ হাতত থকা তথ্য মৰ্মে ২৩ মাৰ্চ তাৰিখে চেয়াৰম্যান অৰবিন্দ ৰাজখোৱা, ভাইচ চেয়াৰম্যান প্ৰদীপ গগৈ আৰু জেনেৰেল চেক্রেটাৰী অনুপ চেতীয়া বাংলাদেশলৈ গুছি যায়। তেওঁলোক গৈ বাংলাদেশ পোৱাৰ লগে লগে পাকিস্থানী শ্বেনেলে তেওঁলোকক লগ ধৰে আৰু আলোচনা কৰে। তাৰ লগে লগে নৰ্থ ইষ্টান ৰিজিনৰ যি কেইটা বিদ্ৰোহী সংগঠনৰ নেতা তেওঁলোকেও গৈ আলফাৰ এই বিষয় ববীয়া কেইজনক লগ ধৰে আৰু চৰকাৰৰ লগত আলোচনা হব বুলি গম পাই ধমকি দিয়ে। তেওঁলোকক কৈছে আপোনালোকে চৰকাৰৰ লগত আলোচনা কৰিবলৈ গৈছে কিয়? এনেদৰে ধমকি দি আলফাক চৰকাৰৰ লগত আলোচনা নহবলৈ বাধ্য কৰাইছে। তেওঁলোকে ভাৰতৰ ষ্টেবিলিটি নাইকীয়া কৰিব বিচাৰিছে। অসমৰ এই সমস্যা সমাধান কৰাৰ কাৰণে শান্তিপূৰ্ণ পৰিবেশত এই সংগঠন সমূহে বাধা জন্মাইছে। তেওঁলোকে পাকিস্থানৰ নিদ্দেৰ্শ মতে পৰেশ বৰুৱাৰ কথা শুনি সেইটো আমি কেতিয়াও সহ্য নকৰো। বিশেষকৈ বাংলাদেশ আৰু পাকিস্থানে এই সংগঠনৰ জৰিয়তে ভাৰতত এটা অস্থিৰতাৰ সৃষ্টি কৰিব সেইটো আমি কেতিয়াও লব নোৱাৰো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি এটা কথা জানিলে আচৰিত হ'ব যে পৰেশ বৰুৱাই যেতিয়া অসমলৈ টেলিফোন কৰে তেতিয়া এই ফালৰ পৰা কওঁতা জনক বঙালীত ক'বলৈ কয়। কেতিয়াবা আকৌ উৰ্দ্দুত ক'বলৈ কয়। তাৰ মানে বুজি পাইছেই। কাৰণ সেই সময়ত তেওঁৰ লগত যি সকল মানুহ বহি থাকে তেওঁলোক হয় বাংলাদেশী নহয় পাকিস্থানী। অধ্যক্ষ ডাঙৰীয়া, আমি যদি বাহিৰত কেতিয়াবা দুজন অসমীয়া মানুহ লগ হওঁ তেতিয়া আমি অসমীয়াতে কথা পাতো। পৰেশ বৰুৱাই কি এই কেইমাহৰ ভিতৰতে অসমীয়া ভাষাটো পাহৰি গ'ল। ইয়াৰ মানে কি আপোনালোকে নিশ্চয় বুজি পাইছে। আজি অসমখন ভাৰতৰ বাহিৰত নহয়। অসমত অস্থিৰতা আনিবৰ কাৰণে বাংলাদেশ আৰু পাকিস্থানে চক্ৰান্ত চলাৰ সেইটো আমি কেতিয়াও হ'বলৈ দিব নোৱাৰো। সেই কাৰণে আৰক্ষী বাহিনী আৰু পাৰা মেলিটাৰী ফৰ্ছে যেতিয়া এইটো নিয়ন্ত্ৰণ কৰিব নোৱাৰা হৈছে তেতিয়াহে সৈন্য বাহিনীক এই দায়িত্ব দিয়া হৈছে। এইখিনিতে মই আৰু এটা কথা কওঁ যোৱা কালি ৰাতি ১২.৩০ বজাৰ জাজীত ৩ জন ল'ৰা মতৰ চাইকেলেৰে আহি আছিল।

তেওঁলোকৰ মটৰ চাইকেলত নম্বৰ প্লেট নাছিল। সেই কাৰণে সৈন্য বাহিনীৰ লোকে দেখি তেওঁলোকক ৰবলৈ কোৱাত তেওঁলোক নৰ'ল। তেতিয়া সৈন্য বাহিনীৰ লোকে তেওঁলোকলৈ গুলি চলাব লগীয়া হয়। তেওঁলোকে যদি দোষী নাছিল কিয় নৰল? তাত এজন মৰিছে। সেই কাৰণে সৈন্য বাহিনীয়ে যদি তেওঁলোক কৰ্ম্মৰত অৱস্থাত থাকোতে বা আমাৰ মানুহেও জানে যে তাত সৈন্য আছে তেতিয়া হলে তেওঁলোকে কাৰোবাক ৰবলৈ ক'লে ৰ'ব লাগে। সোধপোচ কৰিলেও ভালদৰে উত্তৰ দিব লাগে। এনেবোৰ ঘটনা সৈন্য বাহিনীয়ে কোনো ইল মটিভ লৈ কৰা নাছিল। মই আশা কৰো আৰু মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো তেওঁ লোকেও বিৰোধী দলৰে হওঁক বা শাসন দলৰে হওঁক এই ৫ খন জিলালৈ গৈ আলফাৰ সদস্য সকলক বুজাওঁক আৰু তেওঁলোকক বুজাই বঢ়াই মান্তি কৰিব পাৰে। শসস্ত্ৰ বিপ্লৱেৰে কেতিয়াও সমস্যা সমাধান নহয়। তেওঁলোক যদি এটা বুজাপৰালৈ আহে তেনেহ'লে তেতিয়া নিশ্চয় ইয়াৰ পৰা সেনা বাহিনী ওভতি যাব।

★ শ্ৰীপ্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে আজি এই সদনত যিটো বিবৃতি দিছে সেই ক্ষেত্ৰত অসমখন পাকিস্থান বা বাংলাদেশৰ কলনী হবলৈ দিব নোৱাৰো তাত আমিও একমত। আমি এটা কথা মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে যি ৭ খন জিলাৰ আলফাৰ বিষয় ববিয়া সকলৰ লগত আলোচনা কৰিছে আৰু বাতৰি কাকতত আলফাই যি বিবৃতি দিছে সেই বিবৃতিৰ লগত মুখ্যমন্ত্ৰীৰ যোৱা কালিৰ বিবৃতিৰ কিছু অমিল দেখিছো। অৱশ্যে মই যোৱা কালি সদনত নাছিলো। বাতৰি কাকতহে এইটো দেখিবলৈ পাই তেখেতৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো। সাংবাদিক মেলত সুনিল নাথে কৈছে— চৰকাৰে শান্তিপূৰ্ণ বুজাপৰাৰ বিৰোধিতা কৰি অসমত সেনা দিব নেলাগে আৰু কৈছে যে আমি সংশোধনীৰ সাপেক্ষে ভাৰতীয় সংবিধান গ্ৰহণ কৰিছো। আমি সংবিধানৰ খুটি-নাতিৰ বিৰুদ্ধে যুজিব লাগিব। সংবিধান সংশোধন কৰিব লাগিব। কিন্তু মুখ্যমন্ত্ৰীয়ে সাংবাদিক মেলত আলোচনাৰ বিষয়ে যিখিনি কৈছে ইয়াৰ লগত অমিল দেখিছো। তেখেতে সকলো আলোচনা কৰিবলৈ ৰাজি হৈছে আৰু চৰকাৰো ৰাজি হৈছে। সকলো কলা আইন আৰু সামাজিক অভিযান প্ৰত্যাহাৰ কৰিব। অসমৰ এই সমস্যা আলোচনাৰ মাজেৰে

---

★ Speech not corrected

মীমাংসা কৰিব বিচাৰিছে। বিবৃতিত কোৱা হৈছে যে সকলো গণতান্ত্রিক প্রক্রিয়াৰে মীমাংসা কৰিবলৈ চেষ্টা কৰিব লাগিব। কিন্তু দুয়োটা পক্ষই কথাৰ অমিল হোৱা ঘটনাটোত আমাৰ আপত্তি হৈছে। আজি চৰকাৰে এইটো কব নোৱাৰে যে অসমত সন্ত্রাস চলিছে। মুখ্যমন্ত্রীয়ে বাৰে বাৰে কৈছে যে শান্তিৰ পৰিবেশ হৈছে। অসমত অপহৰণ হোৱা নাই মৰা নাই বা কোনোবাই আলোচনাত ৰাজি হোৱা নাই। সেই কাৰণে যে আর্মিয়ে অপাৰেচন কৰিব লাগিব ইয়াৰ কোনো যুক্তি নাই। চৰকাৰে নিজে কৈছে ৭ খন জিলাই ৰাজি হৈছে। তেনেকৈ বাকী কেইখন জিলাকো সময় দিয়ক। আলফাৰ গৃহমন্ত্রীৰ লগত যিটো বুজাপৰা হৈছিল সেই মতে তেওঁলোকৰ জেনেৰেল কাউনছিলৰ বৈঠক বহি এটা সিদ্ধান্ত লোৱাৰ কাৰণে ১৪ জন বন্দী আলফাৰ কর্মীক মুক্তি দিয়াৰ বাবে অনুৰোধ কৰিছিল। কিন্তু চৰকাৰে সেই ১৪ জন মুক্তি নিদিলে। সেই কথাটোত কি চুক্তি আছিল নাজানো। মুখ্যমন্ত্রীয়ে এই কথাষাৰ পৰিস্কাৰ কৈ কওঁক।

শ্রীহিতেশ্বৰ শইকীয়া (মাননীয় মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া ১২ জানুৱাৰী তাৰিখে তেওঁলোকে যিখন চিঠি প্রাইম মিনিষ্টাৰলৈ দিছে তাৰ এটা কপি আমাকো দিছে। সেই চিঠিখনত জেনেৰেল কাউনছিলৰ বৈঠক বহিবৰ কাৰণে তেওঁলোকৰ ৪/৫ জন সদস্যকহে মুকলি কৰি দিবৰ বাবে অনুৰোধ কৰিছে কিন্তু ১৪ জনকো মুকলি কৰি দিলোহেঁতেন তেওঁলোককো বাংলাদেশলৈ গ'লহেঁতেন আমি প্রতিশ্রুতি ভঙ্গ কৰা নাই। আলফাই স্ব-ইচ্ছাই চিজ ফায়াৰ ঘোষণা কৰাৰ পিচতো আর্মিৰ অপাৰেচন বন্ধ হোৱা নাই। কিন্তু তেওঁলোকে ১২ জানুৱাৰী তাৰিখে যিখিন চিঠি দিছিল তাৰ ওপৰত ভিত্তি কৰিহে অসমৰ আর্মি অপাৰেশ্যন স্থগিত ৰখা হৈছে। সৈন্য বাহিনী উঠাই দিয়া নাই। আকৌ ৪ মার্চত তেওঁলোকে প্রধান মন্ত্রীলৈ এখন চিঠি দিছে আৰু তাত স্পষ্টভাবে উল্লেখ কৰিছিল যে ২৩ মার্চৰ পৰা ৩১ মার্চৰ ভিতৰত সকলো অস্ত্র ঘূৰাই দিয়াৰ ব্যৱস্থা ল'ব। যিহেতু ১ এপ্রিলৰ ভিতৰত অস্ত্র ঘূৰাই নিদিলে তেতিয়া সেনাবাহিনী নিদি আমি কি কৰিম ?

---

★ Speech not corrected

Mr. Speaker : No more discussion is allowed I have heard all the Honourable Members, Honourable Parliamentary Affairs Minister and also I have heard the statement made by the Honourable Chief Minister and after hearing all of them, I reserve my ruling. Now, the house stands adjourned till 8.30 A.M. tomorrow the 3rd of April 1992.

## ADJOURNMENT

The House then stood adjourned at 2 P.M. till 8.30 A.M. tomorrow the 3rd April, 1992.

Dispur
The 2nd April, 1992

S. N. Deka
Secretary
Assam Legislative Assembly

**ANNEXURE–I**

# List of Agents under Kaliabor Sub-Division in G.P.S.S. wise

1. M/s. Nowamari S.S.

| Sl. No. | |
|---|---|
| 1. | Sri Tapan Barua |
| 2. | " Shiwdhar Gupta |
| 3. | " Rahina Cour |
| 4. | " Abdur Rahim |
| 5. | " Abuddin |
| 6. | " Nurul Haque |
| 7. | " Cour Debnath |
| 8. | " Shetal Ch. Das |
| 9. | " Jatindra Ch. Das |
| 10. | " Siddique |
| 11. | " Matiar Rahman |
| 12. | " Parimal Sarma |
| 13. | " Pabitra Das (1) |
| 14. | " Bhupen Ch. Das |
| 15. | " Faizul Islam |
| 16. | " Samuddin |
| 17. | " Arafat Ali |
| 18. | " Rusjom Ali |
| 19. | " Idris Ali |
| 20. | " Abdul Malik |
| 21. | " Suraz Ali |
| 22. | " Jamiruddin |
| 23. | " Mahiruddin |
| 24. | " Abdul Rahim |
| 25. | " Taharuddin |
| 26. | " Ruhul Amin |
| 27. | " Nizamuddin |
| 28. | " Nuruddin Ahmed |
| 29. | " Monuranjan Paal |
| 30. | " Pabitra Ch. Das (2) |

31. " Jainal Abedin
32. " Md. Siddique
33. " Osman Ali

2. M/s. Chapanalla S.S.

34. " Ananda Basumatary
35. (a) " Hardev Shah Sonar
36. " Lapeswarlal Shah
37. " Siraj Khan
38. " Ramesh Sarma
39. " Hazimuddin Ahmed
40. " Baldev Sarmah
41. " Khijis Hussain

3. M/s. Ampagan S.S.

42. " Moniruddin
43. " Biseswar Banik
44. " Haridas Banik
45. " Niranjan Banik
46. " Bedebrata Roy
47. " Nurul Islam
48. " Narayan Banik
49. " Nripendra Gupta
50. " Tayab Ali
51. " Abdul Saud
52. " Musfuque Rahman
53. " Sajuddin
54. " Shreehari Adhikari
55. " Hiralal Mandal
56. " Arfan Ali
57. " Omar Ali
